

অন্বেষণ
দশম বছৰ ■ দ্বাদশ সংখ্যা ■ জানুৱাৰী, ২০২৪
ভাৰতৰ স্বাধীনতা সংগ্ৰাম
ক্ষমাৰ সুফল
X-59
ছুপাৰছ'নিক বিমান
গ্ৰেফিন



**Angel Falls**




শ্ৰীসূৰ্য্য পাহাৰ



**Orion** (কালপুৰুষ)



**Great Bear** (সপ্তৰ্ষিমণ্ডল)



**Cassiopeia** (শৰ্মিষ্ঠা)

# অন্বেষণ

**দশম বছৰ, দ্বাদশ সংখ্যা, জানুৱাৰী, ২০২৪ চন**

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com

## সূচীপত্ৰ

২ **ক্ষমাৰ সুফল**
■ অভিজিত শৰ্মা বৰুৱা

৪ **ভাৰতৰ স্বাধীনতা সংগ্ৰাম**
■ নৱনীতা কলিতা

৬ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১০ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১১ **নতুন বছৰত নতুন পণ**
■ গাৰ্গী তালুকদাৰ

১২ **পৰিবৰ্তন**
■ অভিশ্ৰী তামুলী

১৩ **উপহাৰ**
■ শৌভিক শৰ্মা

১৫ **পতাকা**
■ সমাদৃতা শৰ্মা

১৬ **বাঘজানৰ জুইত জাহ গ'ল সপোন**
■ বিৰিখ শৰ্মাচাৰ্য্য

১৭ **আটলাণ্টিক চনদ**
■ কান্তাশ্ৰী গোস্বামী

১৮ **শ্ৰীসূৰ্য্য পাহাৰ**
■ গায়ত্ৰী শইকীয়া

২০ **চুড'কু**

২১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

২৭ **Stories from World Classics**
■ Nisha Devi

২৮ **Did You Know**
■ Pallavi Dutta

২৯ **ছুপাৰছনিক বিমান**
■ অংগনা বৰা

৩০ **কুইজ**
■ দীপাংকৰ কৌশিক

৩১ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

৩৩ **অৰণ্যৰ গভীৰতাত অসহায় জন্তুৰ আত্মাৰ বিননি**
■ কবিতা পাটগিৰি

৩৫ **গ্ৰেফিন**
■ সুজিৎ কুমাৰ নেওগ

৩৬ **বিভিন্ন প্ৰকাৰৰ উদ্যোগ**
■ পৰিণীতা চেতিয়া

৩৮ **ৰাজনৈতিক অৰ্থনীতি**
■ অপৰ্ণা দেৱী

৩৯ **ভাৰতৰ ৰাজ্য গঠন প্ৰক্ৰিয়া**
■ প্ৰণীতা দেৱী

**সম্পাদক** : ডা° নাৰায়ণ শৰ্মা (অবৈতনিক)
**সহযোগী সম্পাদক** : পংকজ দত্ত
**উপ-সম্পাদক** : কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ
**ব্যৱস্থাপনা** : দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক)

**বেটুপাত** : কুঞ্জৰ দাস
**আলোকচিত্ৰ** : জাহ্নৱী বৰুৱা
**ছবি** : কন্দৰ্প শৰ্মা
**ডিটিপি** : প্ৰশান্ত বৰঠাকুৰ
**আৰ্হি পাঠ** : কুলধৰ কলিতা
**মূল্য** : পঁচিছ টকা

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০ত প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# ক্ষমাৰ সুফল

■ অভিজিত শৰ্মা বৰুৱা

সহজ ভাষাত ক'বলৈ গ'লে, যি কাৰণতেই নহওক কাৰোবাৰ প্ৰতি (নিজকো ধৰি) সৃষ্টি হোৱা কুভাব বা কুইচ্ছাবোৰক সুভাব বা সুইচ্ছালৈ পৰিবৰ্তন কৰাৰ সক্ষমতাই হ'ল ক্ষমা।

বিজ্ঞান আৰু বিভিন্ন ধৰ্মবিশ্বাস উভয়তে ক্ষমা এক গুৰুত্বপূৰ্ণ বিষয়। ক্ষমা কৰা আৰু ক্ষমা নকৰাৰ বৈশিষ্ট্যই মানুহৰ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ ক্ষেত্ৰত আকাশ-পাতাল পাৰ্থক্য আনি দিব পাৰে।

হতাশা দূৰ কৰিবলৈ বা হতাশামুক্ত হ'বলৈ আৰু মানসিক তিক্ততাৰ পৰা আঁতৰি থাকিবলৈ আনক ক্ষমা কৰাটো খুবেই গুৰুত্বপূৰ্ণ। খৃষ্টান ধৰ্মত ক্ষমা নকৰাটো এটা পাপ হিচাপে গণ্য কৰা হয়। তেওঁলোকৰ মতে আমি যদি ঈশ্বৰে আমাক ক্ষমা কৰাটো বিচাৰোঁ, তেন্তে আমি নিজে আনক ক্ষমা নকৰিম কিয়? হিন্দু দৰ্শনৰ বেদ-উপনিষদৰ উপৰি মুছলিমসকলৰ কোৰান, বৌদ্ধসকলৰ সূত্ৰ আদিতো ক্ষমাৰ সুগুণসমূহ উল্লেখ কৰি মানুহক ক্ষমা কৰিবলৈ উপদেশ দিয়া হৈছে। সুস্বাস্থ্য, পুনৰ্মিলন আৰু আধ্যাত্মিক উন্নতিত ক্ষমাই সহায় কৰে। যিসকল লোক বেছি ধৰ্মবিশ্বাসী আৰু এই ক্ষেত্ৰত অভ্যসনো যথেষ্ট আছে, তেওঁলোকে কঠিন আৰু প্ৰত্যাহ্বানমূলক পৰিস্থিতিতো ক্ষমা কৰিব পাৰে।

ক্ষমা কৰাটোৱে পাছে এইটো নুবুজায় যে কোনোবাই যদি আমাৰ কিবা অপকাৰ কৰিছে বা আমি যদি কিবা বেয়া কাম কৰিছোঁ, তেন্তে আমি তেওঁলোকৰ কৃতকৰ্ম বা আমাৰ নিজা কৰ্মক পাহৰি যাব লাগিব। আমি কেৱল সেই কৰ্মৰ বাবে তেওঁলোকক বা নিজকে মনৰ ভিতৰত ক্ষমা কৰি দিব লাগিব, কাকো দায়ী কৰি থাকিব নালাগিব।

আমি যেতিয়া কাৰোবাক ক্ষমা কৰোঁ, তেতিয়া আমি দয়া, অনুগ্ৰহ, অনুকম্পা আদি সুভাববোৰ মুকলি কৰি দিওঁ। আনহাতে যদিহে আমি ক্ষমা নকৰোঁ, তেন্তে ই ঘৃণা, হিংসা আদি ভাবৰ সৃষ্টি কৰে আৰু এইবোৰ এক বন্ধন হৈ আমাৰ গাত লাগি ধৰে। এইবোৰৰ পৰা সহজে নিস্তাৰ পোৱাটো অসম্ভৱ হৈ উঠে।


বিভিন্ন প্ৰণালীবদ্ধ অধ্যয়নে একে কথাকে সাব্যস্ত কৰিছে যে যেতিয়া ক্ষমা কিয় আৰু কেনেকৈ কৰিব লাগে শিকা যায় তথা সেই কামৰ অভ্যাস কৰা যায় আৰু অনায়াসে ক্ষমা কৰিব পৰা যায়, তেতিয়া সেই মানুহজন মানসিকভাৱে বেছ শক্তিশালী হৈ উঠে আৰু লগতে শাৰীৰিক উন্নতিও ঘটে।

ক্ষমাৰ সুফল সম্পৰ্কত এতিয়া বৈজ্ঞানিক গৱেষণাও যথেষ্ট হৈছে। অধ্যয়নলব্ধ তথ্যৰ পৰা জানিব পৰা গৈছে যে ক্ষমা গুণে মানুহৰ দৈহিক আৰু মানসিক স্বাস্থ্যৰ উন্নতিত যথেষ্ট সহায় কৰে।

## খং, হিংসা, প্ৰতিহিংসাৰ ভাবেনো কেনেভাৱে ক্ৰিয়া কৰে?

আমাৰ যেতিয়া খং উঠে, আমি যেতিয়া হিংসুক হৈ উঠোঁ, তেতিয়া এড্ৰেনেল (adrenal) নামৰ গ্ৰন্থিটোৱে আমাৰ দেহত মানসিক চাপ সৃষ্টি কৰিব পৰা এড্ৰেনেলিন (adrenaline), কৰ্টিছ'ল (cartisol) আদি হৰম'ন নিঃসৰণ কৰি সমগ্ৰ শৰীৰতে বিয়পাই দিয়ে। তেতিয়া মস্তিষ্কই আমাৰ দেহৰ অন্ত্ৰলৈ যাবলগীয়া তেজৰ পৰিমাণ কমাই দিয়ে আৰু সেই তেজ পেশীসমূহলৈ অতিৰিক্তভাৱে পঠিয়াই দিয়ে। ফলত সেই সময়ত আমাৰ খোৱা-পিয়াৰ ইচ্ছা অন্তৰ্হিত হয় আৰু আমি শাৰীৰিক আক্ৰমণ-প্ৰত্যাক্ৰমণৰ বাবে সাজু হৈ উঠোঁ।

খং, হিংসা, প্ৰতিহিংসা ভাবসমূহ হ'ল মানুহৰ শৰীৰ আৰু মনৰ বাবে যথেষ্ট নেতিবাচক। এই ভাববোৰে আমাৰ শৰীৰৰ সমস্ত স্নায়ুতন্ত্ৰক উত্তেজিত কৰি তোলে। দেহৰ বিভিন্ন অংশলৈ বেছি পৰিমাণৰ ৰক্ত (অন্যাৰ্থত অক্সিজেন) প্ৰেৰণ কৰিবলগীয়া হয় বাবে হৃদযন্ত্ৰৰ কাম বাঢ়ে, তাৰ ওপৰত হেঁচাৰ সৃষ্টি হয়। মস্তিষ্কৰ কাম-কাজ




ব্যাহত হয়। মস্তিষ্কই সুস্থিৰ বা যুক্তিসন্মত সিদ্ধান্ত ল'ব নোৱৰা হয়। সমগ্ৰ শৰীৰতে চলা এনেবোৰ অন্তঃক্ৰিয়াৰ ফলত শক্তিৰ খৰচ বাঢ়ে। কিন্তু খোৱাৰ ইচ্ছা কমে বাবে শৰীৰ দুৰ্বল হৈ পৰে। এই ভাববোৰে মনৰ ভিতৰত তোলপাৰ লগাই থকা বাবে মানুহজন মানসিকভাৱেও অস্থিৰ হৈ পৰে।

খং, হিংসা, প্ৰতিহিংসা, জিঘাংসা আদি ভাববোৰে যে মানুহক এনেকৈ শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ বিস্তৰ ক্ষতি সাধন কৰে, তাৰ পৰা পৰিত্ৰাণ পোৱাৰ কোনো উপায় নাইনে?

বিজ্ঞানীসকলৰ মতে এই সকলোবোৰৰ পৰা উদ্ধাৰ পোৱাৰ এটা সুন্দৰ উপায় আছে। সেইটো হ'ল ক্ষমা। ক্ষমাই শান্তিজলৰ দৰে কাম কৰি এই অস্থিৰতাবোৰৰ উপশম ঘটাব পাৰে।

## ক্ষমা এক বহুমুখী পৰিঘটনা

ক্ষমাৰ সুফল সম্পৰ্কত এটা অধ্যয়নৰ পাছত গৱেষকসকলে জনাইছে যে ক্ষমাই মানুহৰ দেহ-মনত নিশ্চিতভাৱে ইতিবাচক ক্ৰিয়াতো কৰেই, লগতে আন কিছুমান ক্ষেত্ৰতো সহায় কৰে। ক্ষমাৰ পৰা পাব পৰা লাভৰ পৰিমাণ মানুহজনৰ বয়স আৰু ক্ষমাৰ প্ৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে। বিজ্ঞানীসকলে ক্ষমা গুণক তিনিটা প্ৰকাৰত ভাগ কৰিছে। সেয়া হ'ল—আনক কৰা ক্ষমা, নিজকে কৰা ক্ষমা আৰু ঈশ্বৰে ক্ষমা কৰিছে বুলি অনুভৱ কৰা।

ক্ষমা সম্পৰ্কত প্ৰথমটো গুৰুত্বপূৰ্ণ অধ্যয়ন চলাইছিল মিচিগান বিশ্ববিদ্যালয়ৰ এজন বিজ্ঞানী ড° লৰেন এল টাউছেইণ্টৰ নেতৃত্বত এক গৱেষকৰ দলে। 'জাৰ্নেল অব এডাল্ট ডেভেলপমেণ্ট' (Journal of Adult Development) নামৰ পত্ৰিকাখনত এই অধ্যয়নৰ তথ্যসমূহ প্ৰকাশ হৈছিল। টাউছেইণ্টৰ মত হ'ল যে ক্ষমা হ'ল এক বহুমুখী পৰিঘটনা। বিভিন্ন দিশত ই তাৰ সুফল আগ বঢ়ায়। যিসকল লোক বেছি ক্ষমাপ্ৰৱণ, তেওঁলোকৰ মানসিক উদ্বিগ্নতা নাথাকে। তেওঁলোক অস্থিৰ, বিহ্বল আৰু হতাশাগ্ৰস্ত নহয়। তেওঁলোকৰ বেমাৰ-আজাৰ কমকৈ হয় আৰু শাৰীৰিক স্বাস্থ্যও তুলনামূলকভাৱে ভাল হয়।

টাউছেইণ্টৰ নেতৃত্বত গৱেষকসকলে ১৪০০ জন প্ৰাপ্তবয়স্ক লোকৰ ওপৰত অধ্যয়ন চলাইছিল। অধ্যয়নৰ সুবিধাৰ্থে তেওঁলোকে সেই লোকসকলক তিনিটা বয়স-গোটত ভাগ কৰি লৈছিল। সেইকেইটা হ'ল ৬৫ বছৰৰ ওপৰৰ, ৪৫-৬৪ বছৰৰ আৰু ১৮-৪৪ বছৰৰ গোট। দেখা গ'ল যে ১৮-৪৪ বছৰৰ গোটটোৰ লোকসকলে আন দুটা গোটৰ তুলনাত কমকৈ ক্ষমা কৰে। তেওঁলোকে আনকি এইটোও বিশ্বাস নকৰে যে তেওঁলোকৰ কৃতকৰ্মৰ বাবে ঈশ্বৰে তেওঁলোকক ক্ষমা কৰিছে। গতিকে মানসিক অশান্তি, অস্থিৰতাত ভোগা লোকৰ শতাংশও এই গোটতে বেছি। আনে যিয়েই নাভাবক, তেওঁলোক অৱশ্যে নিজৰ জীৱনক লৈ অধিক সন্তুষ্ট। আন দুটা গোট অপেক্ষাকৃতভাৱে বেছি ক্ষমাপ্ৰৱণ। তেওঁলোকৰ ভিতৰতো যিসকল লোকৰ ক্ষমাৰ পৰ্য্যায় বেছি, তেওঁলোক বেছি সুখী। অধ্যয়নটোত আন এটা কথাও প্ৰকাশ হৈছিল যে কাৰোবাক আঘাত কৰি ঈশ্বৰৰ ওচৰত ক্ষমা বিচাৰিলে বা নিজকে আঘাত কৰি ক্ষমা খুজিলে অথবা কাৰোবাৰ হৈ ক্ষমা প্ৰাৰ্থনা কৰিলে প্ৰথম পৰ্য্যায়ত মানসিক অস্থিৰতা কিছু বাঢ়ি যাব পাৰে। পাছে গৱেষকসকলৰ মতে ক্ষমা প্ৰক্ৰিয়াৰ আৰম্ভণিৰ সময়ত তেনে ঘটিলেও পাছৰ সময়ছোৱাত ইয়াৰ ফলাফল ইতিবাচক হয়।

অলপতে টেম্পলটন ৱৰ্ল্ড চেৰিটী ফাউণ্ডেছনে চলোৱা এটা অধ্যয়নত ক্ষমাৰ আবেগিক লাভৰ কথা জানিব পৰা গৈছিল। তেওঁলোকৰ মতে ক্ষমাই উচ্চ ৰক্তচাপ কমাব পাৰে, ভাল টোপনি আনিব পাৰে আৰু মানসিক চাপ কম কৰিব পাৰে। আমাৰ নিজৰ ছালৰ (দেহৰ) ভিতৰতে ক্ষমাই এইবোৰ কাম সম্পন্ন কৰে।

## আন কিছু অধ্যয়নলব্ধ কথা

কেতিয়াবা হঠাতে ভয় খালে আমাৰ দেহৰ ভিতৰেদি যেন এক বিদ্যুৎ প্ৰবাহহে পাৰ হৈ যায়। প্ৰাণৰ ভয়ত পলোৱা কোনো লোকে হয়তো কিবা অসাধাৰণ কামো কৰিব পাৰে, যিটো স্বাভাৱিক অৱস্থাত হয়তো সম্ভৱেই নহয়। এনে ঘটাৰ মূল কাৰণ হ'ল বিশেষ পৰিস্থিতিত নিৰ্দিষ্ট কিছু হৰম'ন নিঃসৰিত হ'ব পাৰে। সেই হৰম'নে ক্ষণিকৰ বাবে আমাক এক শক্তি প্ৰদান কৰে বা দেহত বিশেষ ৰাসায়নিক বিক্ৰিয়া ঘটায়।

বিজ্ঞানীসকলৰ মতে অনবৰত খং-প্ৰতিহিংসা ভাবৰ মাজত থাকিলে চৰম মুহূৰ্তত কেতিয়াবা এনে হৰম'নজাতীয় পদাৰ্থৰ নিঃসৰণ সম্ভৱপৰ। এই বিশেষ ৰাসায়নিক পদাৰ্থবোৰে কেতিয়াবা এনেদৰে ক্ৰিয়া কৰে যে মানুহে অনুচিত কাম কৰি পেলায়। স্বাভাৱিক সময়ত সেয়া হয়তো কেতিয়াও নহ'লহেঁতেন, এই ক্ষেত্ৰতো মোক্ষম দৰব হ'ল ক্ষমা।

ক্ষমাই আনিব পৰা কিছুমান সুফল হ'ল—

- ই সম্পৰ্কবোৰ দৃঢ় কৰি তোলে।
- ই মানসিক স্বাস্থ্যৰ উন্নতি ঘটায়।
- ই উদ্বেগ, মানসিক চাপ, শত্ৰুতা ভাব কমায়।
- হতাশাৰ লক্ষণসমূহ কমায়।
- উচ্চ ৰক্ত চাপ কমায়।
- প্ৰতিৰক্ষাতন্ত্ৰ অধিক শক্তিশালী কৰি তোলে।
- হৃদযন্ত্ৰৰ অৱস্থা উন্নত কৰে।
- নিজৰ আত্মসন্মান বঢ়াই তোলে।

এতিয়া তোমালোকেই চিন্তা কৰা—ক্ষমা নকৰি অশান্তিকৰ জীৱন কটাবা নে ক্ষমাক তোমাৰ স্বভাৱগত বৈশিষ্ট্য কৰি সুখ-শান্তিৰ জীৱন আঁকোৱালি ল'বা? ❖

নিবন্ধ

# ভাৰতৰ স্বাধীনতা সংগ্ৰাম

■ নৱনীতা কলিতা

*(টোকা : এই শিতানত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ লগত জড়িত কিছুমান ঘটনাৰ বিষয়ে আলোচনা কৰা হ'ব। পৰৱৰ্তী সময়ত একোটা সংখ্যাত এনে একোটা ঘটনাৰ আলোচনা প্ৰকাশ কৰা হ'ব।)*

আমি সকলোৱে জ্ঞাত যে ভাৰতে অহিংস গৌৰৱময় স্বাধীনতা সংগ্ৰামৰ জৰিয়তে প্ৰায় ২০০ বছৰ কাল বৃটিছসকলৰ শাসনৰ পৰাধীনতাৰ শিকলি ছিঙি ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে এখন স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃতি লাভ কৰে। এই স্বাধীনতা সংগ্ৰাম ভাৰতবাসীৰ বাবে বহু ত্যাগ, বহু আত্মবলিদানৰ প্ৰতীক। এই স্বাধীনতা সংগ্ৰামৰ ইতিহাসৰ বিষয়ে জানিবলৈ আমি উভতি যাব লাগিব ১৬০০ খৃষ্টাব্দলৈ।

ইতিহাসৰ পৰা জানিব পৰা যায় যে পূব, দক্ষিণ-পূব এছিয়া আৰু ভাৰতৰ বিভিন্ন অঞ্চলত বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে ১৬০০ চনৰ ২১ ডিচেম্বৰত ইংলণ্ডত যুটীয়া মূলধনৰ ব্যৱসায়িক প্ৰতিষ্ঠান ইষ্ট ইণ্ডিয়া কোম্পানী গঠিত হয়। এই কোম্পানীটোক ইংলিছ ইষ্ট ইণ্ডিয়া কোম্পানী নামেৰেও জনা যায়। সেই সময়ত ভাৰত ইমান চহকী দেশ আছিল যে সমগ্ৰ বিশ্বতে উৎপাদিত সামগ্ৰীৰ এক-চতুৰ্থাংশ ভাৰততে উৎপাদিত হৈছিল। সেইবাবে ভাৰতবৰ্ষক সোণৰ দেশ বুলিও কোৱা হৈছিল। বিভিন্ন সামগ্ৰীৰে চহকী ভাৰতবৰ্ষৰ লগত গ্ৰীচ, ইটালী আদি ইউৰোপীয় দেশসমূহৰো বাণিজ্যিক সম্পৰ্ক গঢ়ি উঠিছিল। প্ৰথম অৱস্থাত এই দেশসমূহে পাৰস্য আৰু আফগানিস্তানৰ ভিতৰেদি থকা স্থলপথেৰে তথা জলপথেৰে ভাৰতবৰ্ষৰ লগত বেহা-বেপাৰ কৰিছিল যদিও পাছলৈ খৃষ্টীয় সপ্তম শতিকাৰ পৰা সাগৰীয় পথত আৰব নৌবাহিনীৰ একচ্ছত্ৰী আধিপত্য বিস্তাৰ হোৱাৰ বাবে ইউৰোপীয়সকলে ভাৰতবৰ্ষৰ লগত বেহা-বেহাৰ কৰিবলৈ বিকল্প ব্যৱস্থাৰ কথা ভাবিবলৈ লয়। ফলস্বৰূপে

পোনপ্ৰথমবাৰৰ বাবে পৰ্তুগীজ নাৱিক ভাস্ক'-ডা-গামাই ১৪৯৮ খৃষ্টাব্দত উত্তমাশা অন্তৰীপেৰে নাও মেলি দি দক্ষিণ ভাৰতৰ কালিকট বন্দৰত উপস্থিত হয়। নতুন জলপথৰ আৱিষ্কাৰে ভাৰতৰ সৈতে পাশ্চাত্যৰ দেশসমূহৰ বাণিজ্যিক সম্পৰ্ক পুনৰ স্থাপন কৰে।

পৰ্তুগীজসকলে বেহা-বেপাৰৰ লগতে ধৰ্ম প্ৰচাৰতো গুৰুত্ব প্ৰদান কৰিছিল। ভাৰতৰ পৰা মচলা, সূতা আৰু ৰেছমৰ কাপোৰ, লং, ডালচেনি আদি বহু সামগ্ৰী বহু কম দামত কিনি পৰ্তুগীজসকলে নিজ দেশত অধিক মূল্যত বিক্ৰী কৰি বহু লাভবান হয়। ভাৰতত বেহা-বেপাৰৰ মূল কেন্দ্ৰস্থল আছিল চুৰাট। পৰ্তুগীজ সদাগৰসকলৰ বেহা-বেপাৰত সাফল্য দেখি ওলন্দাজ সদাগৰসকলৰ লগতে ফৰাচী সদাগৰসকলেও ভাৰতলৈ বিভিন্ন সময়ত বেহা-বেপাৰ কৰিবলৈ আহিবলৈ লয়।

প্ৰাচ্যৰ দেশসমূহৰ সৈতে ভাৰতৰ বাণিজ্যিক সম্পৰ্ক আৰু মুনাফা দেখি পৰ্তুগীজ বণিকসকলৰ দৰে ইংৰাজ বেপাৰীসকলেও ১৬০০ চনৰ ৩১ ডিচেম্বৰ তাৰিখে ইংলণ্ডৰ ৰাণী এলিজাবেথৰ ওচৰত উত্তমাশা অন্তৰীপৰ পৰা উত্তৰ-পূব ভাৰতৰ লগতে পূব আৰু দক্ষিণ-পূব এছিয়াৰ যিকোনো অঞ্চলতে ব্যৱসায় কৰাৰ আৰ্জি জনায়। ইয়াৰ ফলত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতত ব্যৱসায় কৰাৰ একচেটিয়া অনুমতি লাভ কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰধান উদ্দেশ্য আছিল ভাৰতৰ পৰা কপাহ, পাট, মচলা, ৰেছমী সূতা আদি সংগ্ৰহ কৰি তাৰ পৰা উৎপাদিত সামগ্ৰী অধিক মূল্যত বিক্ৰী কৰা।

১৬০৮ চনত ইংলণ্ডৰ ৰজা প্ৰথম জেমছে ভাৰতৰ সৈতে বেহা-বেপাৰ কৰাৰ উদ্দেশ্যে কেপ্টেইন উইলিয়াম হকিন্স নামৰ এজন বৃটিছ সদাগৰক ভাৰতলৈ পঠায়। সেই সময়ত ভাৰতত মোগল সম্ৰাট আকবৰৰ ৰাজত্ব চলি আছিল। সম্ৰাট আকবৰৰ মৃত্যুৰ পাছত তেওঁৰ পুত্ৰ জাহাংগীৰ ৰাজপাটত বহে। ১৬০৯ খৃষ্টাব্দৰ এপ্ৰিল মাহত হকিন্সে সম্ৰাট জাহাংগীৰক আগ্ৰাত সাক্ষাৎ কৰিছিল। এয়াই আছিল আগ্ৰাত ইংৰাজৰ প্ৰথম পদাৰ্পণ।


প্ৰথম অৱস্থাত সম্ৰাট জাহাংগীৰে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বেহা-বেপাৰৰ চুক্তিৰ আবেদন নাকচ কৰিছিল যদিও পাছলৈ ইংৰাজসকলে কেইবাবাৰো কৰা



নেৰানেপেৰা চেষ্টাৰ ফলত জাহাংগীৰে ইংৰাজ সদাগৰসকলক পোনপ্ৰথমবাৰৰ বাবে গুজৰাটৰ চুৰাটত প্ৰথম বাণিজ্যিক কেন্দ্ৰ স্থাপনৰ অনুমতি দিয়ে। পাছলৈ আগ্ৰা, আহমদাবাদ, হুগলি, মাদ্ৰাজ আদি কেইবাঠাইতো এই কোম্পানীৰ বাণিজ্যিক কেন্দ্ৰ স্থাপিত হয়। ১৬৩৯ চনত এই কোম্পানীয়ে মাদ্ৰাজত ছেণ্ট জৰ্জ দুৰ্গ নিৰ্মাণ কৰে। ১৬৫৮ চনত মোগল সম্ৰাট ঔৰংগজেৱৰ অনুমতি সাপেক্ষে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কলকাতা আৰু গোবিন্দপুৰ নামৰ অঞ্চল দুটা একেলগ কৰি কলকাতা নগৰ প্ৰতিষ্ঠা কৰে। ইয়াৰ পাছত ১৭১৫ খৃষ্টাব্দত 'জন ছাৰমান'ৰ নেতৃত্বত ইংৰাজৰ এটা সঁজাতী দলে মোগল সম্ৰাট ফাৰুখছিয়াক সাক্ষাৎ কৰে। সেই সময়ত সম্ৰাট ফাৰুখছিয়াৰ এক অজান ৰোগত আক্ৰান্ত আছিল। সৌভাগ্যক্ৰমে সেই সঁজাতী দলৰ চিকিৎসক ডাঃ হেমিল্টনৰ চিকিৎসাত সম্ৰাট সম্পূৰ্ণ সুস্থ হয় আৰু সেই সুবাদতে সম্ৰাটৰ পৰা ইংৰাজ সদাগৰসকলে তিনিখন ফৰমান আদায় কৰে। ইয়াৰ ফলত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে সমগ্ৰ ভাৰতবৰ্ষত নিৰ্বিঘ্নে বেহা-বেপাৰ কৰাৰ অনুমতি লাভ কৰে। ১৭১৫ চনত এই কোম্পানীয়ে নিজৰ মুদ্ৰা ব্যৱহাৰৰ অনুমতি লাভ কৰে আৰু ক্ৰমে সমগ্ৰ মোগল সাম্ৰাজ্যতে সেই মুদ্ৰাৰ প্ৰচলন হ'বলৈ লয়।

লাহে লাহে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কেইবাটাও অঞ্চল নিজৰ অধীন কৰি লয়। ক্ষয়িষ্ণু মোগল সাম্ৰাজ্যৰ সম্ৰাট শ্বাহ আলমে বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীক ১২ আগষ্ট, ১৭৬৫ চনত আনুষ্ঠানিকভাৱে বংগ, বিহাৰ, উৰিষ্যাৰ দেৱানী অৰ্পণ কৰে। ভাৰতৰ ইতিহাসত ই এক অতি তাৎপৰ্য্যপূৰ্ণ ঘটনা। কিয়নো ইয়েই আছিল ভাৰতত প্ৰকৃত ইংৰাজ শাসনৰ আৰম্ভণি। ❖

## পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা



যোৱা নৱেম্বৰ মাহত অনুষ্ঠিত পাঁচখন ৰাজ্যৰ বিধানসভাৰ নিৰ্বাচনৰ ফলাফল যোৱা ৩ আৰু ৪ ডিচেম্বৰত আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি ২৩০ খন আসন বিশিষ্ট মধ্যপ্ৰদেশ বিধানসভা নিৰ্বাচনত শাসকীয় বিজেপি দলে ১৬৩ খন আসন দখল কৰি একেৰাহে দ্বিতীয়বাৰৰ বাবে শাসনক্ষমতা হস্তগত কৰে। কংগ্ৰেছ দলে ৬৬ খন আসন আৰু অন্যান্যই ০১ খন আসন লাভ কৰে। বিজেপি দলৰ নেতা মোহন যাদৱে ১৩ ডিচেম্বৰত ৰাজ্যখনৰ ১৯ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

২০০ খন আসন বিশিষ্ট ৰাজস্থান বিধানসভা নিৰ্বাচনত বিজেপিয়ে ১১৫ খন আসন দখল কৰি শাসনাধিষ্ঠ কংগ্ৰেছ দলক (৭০ খন আসন) ক্ষমতাৰ পৰা বিতাড়িত কৰে। অন্যান্য দলে ১৪ খন আসন দখল কৰে। বিজেপি দলৰ ৫৬ বছৰীয়া ভজনলাল শৰ্মাই ১৫ ডিচেম্বৰত ৰাজ্যখনত ১৪ সংখ্যক মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে।

৯০ খন আসন বিশিষ্ট ছত্তীশগড় বিধানসভা নিৰ্বাচনত বিজেপিয়ে ৫৪ খন আসন দখল কৰি শাসনাধিষ্ঠ কংগ্ৰেছ দলৰ (৩৫ খন আসন) পৰা ক্ষমতা হস্তগত কৰে। অন্যান্য দলে মাত্ৰ ০১ খন আসন লাভ কৰে। বিজেপি দলৰ ৫৯ বছৰীয়া বিষ্ণুদেউ চাইয়ে ৰাজ্যখনৰ চতুৰ্থগৰাকী মুখ্যমন্ত্ৰী হিচাপে ১৩ ডিচেম্বৰ তাৰিখে দায়িত্বভাৰ গ্ৰহণ কৰে।

আনহাতে ১১৯ খন আসন বিশিষ্ট তেলেংগানা বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলে ৬৫ খন আসন দখল কৰি শাসন ক্ষমতা হস্তগত কৰে। নিৰ্বাচনত শাসকীয় বিআৰএছ দলে ৩৯ আৰু অন্যান্য দলে ১৫ খন আসন লাভ কৰে। কংগ্ৰেছ দলৰ নেতা অনুমূলা ৰেৱন্থ ৰেড্ডীয়ে ৰাজ্যখনৰ দ্বিতীয়গৰাকী মুখ্যমন্ত্ৰী হিচাপে ৭ ডিচেম্বৰত দায়িত্বভাৰ গ্ৰহণ কৰে।

৪ ডিচেম্বৰত ঘোষিত ৪০ খন আসন বিশিষ্ট মিজোৰাম বিধানসভাৰ নিৰ্বাচনত নৱগঠিত জেদ পি এম (ZPM) দলে ২৭ খন আসন দখল কৰি শাসন ক্ষমতা হস্তগত কৰে। নিৰ্বাচনত মুখ্যমন্ত্ৰী জোৰাম থাংগা নিজ সমষ্টিত পৰাজিত হোৱাৰ লগতে শাসকীয় দল এমএনএফে (MNF) মাত্ৰ ১০ খন আসনহে লাভ কৰে। নিৰ্বাচনত বিজেপিয়ে ০২ খন আৰু কংগ্ৰেছে ০১ খন আসন লাভ কৰে। জোৰামে পিপল্‌চ মুভমেণ্টৰ নেতা লালডুহোমা জোৰামে ৮ ডিচেম্বৰ তাৰিখে ৰাজ্যখনৰ ষষ্ঠসংখ্যক মুখ্যমন্ত্ৰী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে।

## যশস্বী অভিনেতা-পৰিচালক জয়ন্ত দাসৰ দেহাৱসান



যশস্বী অভিনেতা-পৰিচালক জয়ন্ত দাসৰ যোৱা ১৬ ডিচেম্বৰ তাৰিখে ৬২ বছৰ বয়সত দেহাৱসান ঘটে। তেওঁ ১৯৮৪ চনত পুলক গগৈ পৰিচালিত অসমীয়া চলচ্চিত্ৰ ‘সেন্দূৰ’ৰ জৰিয়তে জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সমৰ্থ হয়। জয়ন্ত দাস অভিনীত কেইখনমান উল্লেখযোগ্য চলচ্চিত্ৰ হৈছে—নায়ক, কন্যাদান, যৌৱনে আমনি কৰে, বুকুৰ মাজত জ্বলে, ৰিক্সাৱালা, ৰামধেনু, শকুন্তলা আৰু শংকৰ যোছেফ আলী, পিতাপুত্ৰ, অজলা ককাই, প্ৰভাতী পখীৰ গান, হলধৰ, মীমাংসা, মহাৰথী, আৱৰ্তন, মিঠা মিঠা লগনত, ৰ'দ, সাৰথি, কাদম্বৰী ইত্যাদি। হাঁহিৰ থুনপাকৰূপে জনপ্ৰিয় অভিনেতাগৰাকীয়ে ২০০০ বৰ্ষত মুক্তি লাভ কৰা ‘ভূমিপুত্ৰ’ ছবিখন

পৰিচালনা কৰি দক্ষতাৰ উমান দিছিল। বিভিন্ন টিভি ধাৰাবাহিকত অভিনয় কৰা দাস অভিনীত এখন অতি জনপ্ৰিয় ধাৰাবাহিক হৈছে ‘ভাড়াঘৰ’।

## ডুবাইত ২৮ সংখ্যক জলবায়ু সন্মিলন

যোৱা ৩০ নৱেম্বৰৰ পৰা ১৩ ডিচেম্বৰলৈ সংযুক্ত



আৰব আমিৰশ্বাহীত অনুষ্ঠিত ৰাষ্ট্ৰসংঘৰ ২৮ সংখ্যক জলবায়ু পৰিবৰ্তন শীৰ্ষ সন্মিলন সফলভাৱে সামৰণি পৰে। ডুবাই মহানগৰত অনুষ্ঠিত এই শীৰ্ষ সন্মিলনত দীৰ্ঘ আলোচনাৰ ফলস্বৰূপে দেশসমূহৰ নেতৃবৰ্গই কেইবাখনো ঐতিহাসিক চুক্তিত স্বাক্ষৰ কৰিবলৈ সমৰ্থ হয়। ‘ইউএই কনচেনছাচ’ (UAE Consensus) চুক্তি নামেৰে নামকৰণ কৰা এই চুক্তিৰ জৰিয়তে বিশ্বক জীৱাশ্ম ইন্ধনৰ পৰা আঁতৰি অহাৰ আহ্বানেৰে ২০০ খন দেশ ঐক্যমতত উপনীত হয়। দুসপ্তাহজোৰা দীঘলীয়া বিতৰ্কৰ অন্তত ২০০ খন দেশৰ মাজত হোৱা এই চুক্তিয়ে বিনিয়োগকাৰী আৰু নীতি নিৰ্ধাৰকসকলক পৰ্য্যায়ক্ৰমে জীৱাশ্ম ইন্ধন (fossil fuel) নিৰ্মূল কৰাত স্পষ্ট নিৰ্দেৰ্শনা প্ৰদান কৰিব।

জীৱাশ্ম ইন্ধনৰ পৰিবৰ্তে নবীকৰণযোগ্য শক্তিৰ উৎসলৈ ব্যৱহাৰৰ সপক্ষে গুৰুত্বপূৰ্ণ চুক্তিৰে সমাপ্ত হোৱা এই সন্মিলন জলবায়ু পৰিবৰ্তনৰ বিৰুদ্ধে যুঁজ দিয়াৰ আন্তঃৰাষ্ট্ৰীয় প্ৰচেষ্টাত এক উল্লেখযোগ্য পদক্ষেপ হিচাপে চিহ্নিত হৈছে। এই বৰ্ষৰ বৈঠকত পেৰিছ জলবায়ু সন্মিলনৰ সিদ্ধান্তসমূহ আখৰে আখৰে পালন কৰিবলৈ সকলো দেশ চুক্তিবদ্ধ হয়। জলবায়ু পৰিবৰ্তন ৰোধ কৰিবলৈ ইতিমধ্যে জাপান, ইউএই, ইংলণ্ড আৰু জাৰ্মানীয়ে ৭০০ নিযুত মাৰ্কিন ডলাৰ ধন অনুদান হিচাপে আগ বঢ়াইছে।

## সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিলক বৈধ ঘোষণা উচ্চতম ন্যায়ালয়ৰ

জম্মু-কাশ্মীৰৰ পৰা ভাৰতীয় সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিলৰ সিদ্ধান্ত অসাংবিধানিক নহয় বুলি যোৱা ১১ ডিচেম্বৰত উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰে। উল্লেখযোগ্য যে ২০১৯ চনৰ ৫ আগষ্ট তাৰিখে সংসদৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ ৩৭০ নং অনুচ্ছেদ বাতিল কৰি জম্মু-কাশ্মীৰৰ বিশেষ মৰ্য্যাদা কৰ্তন কৰিছিল। লগতে চৰকাৰে একেদিনাই জম্মু-কাশ্মীৰৰ ৰাজ্যৰ মৰ্য্যাদা কৰ্তন কৰি ‘জম্মু-কাশ্মীৰ’ আৰু ‘লাডাখ’ বুলি দুটা কেন্দ্ৰীয়শাসিত অঞ্চল সৃষ্টি কৰিছিল। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বত গঠিত পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে সংবিধানৰ ৩৭০ অনুচ্ছেদ এক অস্থায়ী ব্যৱস্থা আছিল বুলি ৰায়দান কৰে। জম্মু-কাশ্মীৰ ভাৰতৰ অভিন্ন অংগ আৰু লাডাখক কেন্দ্ৰীয়শাসিত অঞ্চল বুলি কৰা ঘোষণা বৈধ বুলি বিচাৰপীঠে মতদান কৰে। কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে ন্যায়ালয়ত দাখিল হোৱা ২৩ খন আবেদন খাৰিজ কৰি সাংবিধানিক বিচাৰপীঠখনে ২০২৪ চনৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ে। তদুপৰি জম্মু-কাশ্মীৰক অতি শীঘ্ৰে ৰাজ্যৰ মৰ্য্যাদা ঘূৰাই দিবলৈ উচ্চতম ন্যায়ালয়ে কেন্দ্ৰীয় চৰকাৰক নিৰ্দেশ দিয়ে। জম্মু-কাশ্মীৰে ভাৰতত চামিল হোৱাৰ লগে লগে সাৰ্বভৌমত্বৰ অধিকাৰ হেৰুৱাই পেলোৱা বুলি ন্যায়ালয়ে মত পোষণ কৰে। উল্লেখযোগ্য যে ২০১৮ চনৰ ২১ নৱেম্বৰত জম্মু-কাশ্মীৰ বিধানসভা ভংগ কৰা হৈছিল।

## ড° প্ৰণৱজ্যোতি ডেকালৈ সাহিত্য অকাডেমি বঁটা

বিশিষ্ট সাহিত্যিক তথা অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰণৱজ্যোতি ডেকালৈ ২০২৩ বৰ্ষৰ সাহিত্য অকাডেমি বঁটা আগ বঢ়োৱা হৈছে। যোৱা ২০ ডিচেম্বৰ তাৰিখে সাহিত্য অকাডেমিয়ে আনুষ্ঠানিকভাৱে এই বৰ্ষৰ বঁটা



প্ৰাপকসকলৰ নাম ঘোষণা কৰে। অসমীয়া ভাষাৰ শক্তিশালী কথাশিল্পী ৮৪ বছৰ বয়সীয়া অধ্যাপক ড° প্ৰণৱজ্যোতি ডেকালৈ 'ড° প্ৰণৱজ্যোতি ডেকাৰ শ্ৰেষ্ঠ গল্প' শীৰ্ষক চুটিগল্প সংকলনৰ বাবে এই ৰাষ্ট্ৰীয় সন্মান আগ বঢ়োৱা হৈছে।

১৯৩৯ চনত কলকাতাত জন্মগ্ৰহণ কৰা ড° ডেকাই বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ভূতত্ত্ব বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যাপকৰূপে যোগদান কৰি কৰ্ম জীৱন আৰম্ভ কৰে। 'ৰামধেনু' যুগতে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰা অধ্যাপক প্ৰণৱজ্যোতি ডেকাই চুটিগল্পৰ উপৰি ৰহস্য সাহিত্য, নাটক, ধৰ্মতত্ত্ব, অভিধান, সমাজতত্ত্ব আদি বিষয়তো কেইবাখনো গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য ক্ষেত্ৰখনলৈ বহুমূলীয়া অৱদান আগ বঢ়াইছে। সাহিত্য অকাডেমি বঁটা বিজয়ী সাহিত্যিক ড° ডেকাৰ কেইখনমান উল্লেখযোগ্য গ্ৰন্থ হৈছে—'এজাক এলেহুৱা কাউৰীৰ সাধু', 'বেৱাৰিছ লাছ আৰু অন্যান্য গল্প', 'বিহুৱতী চৰাই আৰু অন্যান্য গল্প', 'আৰু এটি অমীমাংসিত হত্যা', 'ৰক্তক্ষৰণ', 'বতাহত পতাকা কঁপে', 'মৃত্যুৰ আমন্ত্ৰণ', 'সোণৰ চামুচ মুখত লৈ', 'একুৰি বছৰৰ গল্প', 'ধৰ্মৰ প্ৰাণতত্ত্ব', 'জ্যোতি দ্বিভাষিকৰ বুৰঞ্জী', 'চৰ্যাগীত আৰু বৌদ্ধতন্ত্ৰ', 'চীন দেশৰ অচিনাকি সাধু' আদি। ইংৰাজী ভাষাৰ ৰচিত তেওঁৰ কেইখনমান গ্ৰন্থ হৈছে—'ছায়েণ্টিফিক এভিডেন্স ফৰ ভেদিক এষ্ট্ৰ'লজি', 'চেঞ্চুৰী অ'ল্ড কাষ্টছ' ইত্যাদি। 'চৰ্যাগীত আৰু বৌদ্ধতন্ত্ৰ' শীৰ্ষক গৱেষণাধৰ্মী গ্ৰন্থৰ বাবে ড° ডেকাই ২০১৬ চনত অসম সাহিত্য সভাৰ 'শতবৰ্ষীয় সাহিত্য সন্মান' লাভ কৰিবলৈ সক্ষম হৈছিল।

তদুপৰি এই বৰ্ষত বড়ো ভাষাত 'জিউ সফৰনি দাখৌন' গল্প সংকলনখনৰ বাবে ওদালগুৰিৰ বিশিষ্ট সাহিত্যিক নন্দেশ্বৰ দৈমাৰীলৈ সাহিত্য অকাডেমি বঁটা আগ বঢ়োৱা হৈছে। ১৯৫৫ চনত জন্মলাভ কৰা পেছাত শিক্ষক দৈমাৰীৰ কেইবাখনো গ্ৰন্থ বিভিন্ন ভাৰতীয় ভাষালৈ অনূদিত হৈছে।

আনহাতে ডিগবৈৰ বিশিষ্ট সাহিত্যিক, চিত্ৰশিল্পী যুদ্ধবীৰ ৰাণালৈ 'নেপালী লোকসাহিত্য বা লোক-সংস্কৃতিকো পৰিচয়' শীৰ্ষক ৰচনা সংকলনৰ বাবে সাহিত্য অকাডেমি বঁটা আগ বঢ়োৱা হৈছে। ১৯৪১ চনত ডিগবৈৰ বাপাপুঙত জন্মলাভ কৰা যুদ্ধবীৰ ৰাণাই অন্যান্য গ্ৰন্থৰ লগতে 'সৃষ্টিৰ প্ৰব্ৰজন' নামৰ গ্ৰন্থখনৰ জৰিয়তে বিশেষভাৱে সুখ্যাতি লাভ কৰিবলৈ সক্ষম হয়।

## সংসদত তিনিখন নতুন ফৌজদাৰী বিধেয়ক গৃহীত

যোৱা ২১ ডিচেম্বৰ তাৰিখে সংসদে তিনিখন নতুন ফৌজদাৰী বিধেয়ক (দণ্ডসংহিতা) গৃহীত কৰে। প্ৰায় বিৰোধী দল শূন্য সংসদত চৰকাৰী পক্ষই ধ্বনি ভোটত তিনিখন দণ্ডসংহিতা বিনাবাধাই বিতৰ্ক অবিহনে গৃহীত কৰে। ইয়াৰ ফলস্বৰূপে ১৮৬০ চনৰ 'ইণ্ডিয়ান পেনেল ক'ড'ৰ (ভাৰতীয় দণ্ডবিধি) স্থানত প্ৰতিষ্ঠাপিত হ'ব ভাৰতীয় ন্যায় সংহিতা, ১৮৯৮ চনৰ ফৌজদাৰী দণ্ডবিধিৰ (Criminal Procedure Act) স্থানত ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ১৮৭২ চনৰ ভাৰতীয় সাক্ষ্য আইনৰ (Indian Evidence Act) স্থানত প্ৰৱৰ্তন হ'ব ভাৰতীয় সাক্ষ্য বিল। তিনিওখন বিধেয়ক লোকসভাত উত্থাপন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰচলিত তিনিখন আইনৰ মাজেৰে ঔপনিৱেশিক মানসিকতাহে প্ৰতিফলিত হৈ আহিছে আৰু ন্যায় প্ৰদানতকৈ শাস্তি প্ৰদানতহে গুৰুত্ব প্ৰদান কৰা হৈছিল বুলি দাবী কৰে। নতুন ফৌজদাৰী আইন অনুসৰি এতিয়াৰ পৰা নাবালিকা ধৰ্ষণকাৰী আৰু দলবদ্ধভাৱে কোনো লোকক কৰা আক্ৰমণত মৃত্যু হ'লে এনে অপৰাধৰ শাস্তি মৃত্যুদণ্ড হ'ব। নিম্ন আদালতে যিকোনো গোচৰৰ বিচাৰ তিনি বছৰত শেষ কৰি ৪০ দিনৰ ভিতৰত চূড়ান্ত ৰায় শুনাব লাগিব। নতুন আইন অনুসৰি কোনো অভিযুক্তক ৯০ দিনৰ ভিতৰত আদালতত হাজিৰ কৰা

নহ'লে তেনে অভিযুক্তৰ অনুপস্থিতিতে বিচাৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব। দোষী সাব্যস্ত হোৱা লোকক ৰায় ঘোষণাৰ ৭ দিনৰ ভিতৰত নিৰ্দোষিতাৰ আবেদন কৰাৰ বাবে সুযোগ দিয়া হ'ব।


উল্লেখযোগ্য যে নতুন আইন অনুসৰি মহিলাই ঘৰৰ পৰাই গোচৰ দিব পাৰিব, অৱশ্যে আৰক্ষী ২৪ ঘণ্টাৰ ভিতৰত ঘটনাস্থলীত উপস্থিত হ'ব লাগিব। অভিযোগ দাখিলৰ তিনি দিনৰ ভিতৰতে গোচৰ পঞ্জীয়ন হ'ব লাগিব।

তদুপৰি গাড়ীৰে খুন্দিয়াই কোনো লোকক মাৰি পলায়ন কৰা চালকৰ ১০ বছৰ আৰু খুন্দা মাৰি আহত কৰা লোকক চিকিৎসালয়লৈ নিয়া চালকৰ কাৰাবাস হ'ব কিন্তু শাস্তি আধা হ'ব। লগতে অপৰাধীয়ে ৩০ দিনৰ ভিতৰত দোষ স্বীকাৰ কৰিলেও শাস্তি আধা হ'ব।

নতুন ফৌজদাৰী আইনত সন্ত্ৰাসবাদৰ সংজ্ঞা স্পষ্ট কৰি কোনো লোকে দেশৰ একতা, অখণ্ডতা আৰু সুৰক্ষাক বিপদগ্ৰস্ত কৰিলেই সেয়া সন্ত্ৰাসবাদ বুলি গ্ৰহণ কৰা হ'ব। প্ৰচলিত ৰাষ্ট্ৰদ্ৰোহ আইনৰ পৰিৱৰ্তে দেশৰ বিৰুদ্ধে অপৰাধ আইন বলবৎ হ'ব। নতুন আইনৰ জৰিয়তে মহিলা, শিশু, মানৱাধিকাৰ কৰ্মী, সীমা সুৰক্ষা আৰু সেনাবাহিনীৰ বিৰুদ্ধে কৰা অপৰাধৰ শাস্তি অতি কঠোৰ কৰা হৈছে। এই বৰ্ষৰ শীতকালীন অধিবেশনতে 'কেন্দ্ৰীয় দ্ৰব্য আৰু সেৱা কৰ (দ্বিতীয় সংশোধনী), ২০২৩' আৰু 'মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য আয়ুক্ত (নিযুক্তি, সেৱা) বিধেয়ক, ২০২৩' গৃহীত হয়।

## বিশিষ্ট সাংবাদিক ধীৰেন্দ্ৰনাথ বেজবৰুৱালৈ 'চুকাফা বঁটা'

বিশিষ্ট সাংবাদিক, বাতৰি কাকতৰ সম্পাদক তথা লেখক ধীৰেন্দ্ৰনাথ বেজবৰুৱাক ২০২৩ বৰ্ষৰ চুকাফা বঁটাৰ বাবে মনোনীত কৰা হৈছে। ছশ বছৰীয়া আহোম ৰাজত্বৰ প্ৰতিষ্ঠাপক, আধুনিক অসমৰ ভেটি গঢ়োঁতা স্বৰ্গদেউ চাওলুং চুকাফাৰ স্মৃতিত অসম চৰকাৰে ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ 'চুকাফা বঁটা' ২০০৫ চনৰ পৰা প্ৰতি তিনি বছৰৰ মূৰে মূৰে প্ৰদান কৰি আহিছে। 'দা ছেন্টিনেল' দৈনিক কাকতৰ প্ৰতিষ্ঠাপক সম্পাদক ধীৰেন্দ্ৰনাথ বেজবৰুৱাৰ



জন্ম ১৯৩৩ চনত যোৰহাটত। ইংলণ্ডৰ পৰা ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰা বেজবৰুৱাই কেইবছৰমান অধ্যাপকৰূপে কাৰ্য্যনিৰ্বাহ কৰাৰ পাছত ১৯৮৩ চনত 'দা ছেন্টিনেল' কাকতৰ সম্পাদকৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। 'প্ৰান্তিক' আলোচনীখনৰ সৈতে জন্মলগ্নৰে পৰা জড়িত বেজবৰুৱাই ড° বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্যৰ জ্ঞানপীঠ বঁটা বিজয়ী উপন্যাস 'মৃত্যুঞ্জয়' ইংৰাজীলৈ অনুবাদ কৰি দেশে-বিদেশে সুনাম অৰ্জন কৰিছিল। তেখেতে ড° ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পসমূহ 'দা কেভাৰ্ন এণ্ড আদাৰ ষ্টʼৰিজ' (The Cavern and Other Stories) নামেৰে আৰু অসমৰ বহুকেইগৰাকী বিশিষ্ট কবিৰ কবিতা 'থ্ৰি স্কৰ-আছামিজ পয়েম' (Three Score Assamese Poem) নামেৰে ইংৰাজী ভাষালৈ অনুবাদ কৰি অসমীয়া সাহিত্যক বিশ্ব দৰবাৰত প্ৰতিষ্ঠাৰ প্ৰয়াস কৰে। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সৃষ্টিৰাজি ইংৰাজী ভাষালৈ অনুবাদ কৰি সাহিত্য জগতলৈ অতুলনীয় অৱদান আগ বঢ়োৱা বেজবৰুৱাই 'এডিটৰছ গীল্ড অব ইণ্ডিয়া'ৰ অধ্যক্ষৰ দায়িত্বও কেইবাবছৰো পালন কৰিছিল।

২০১৬ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী' সন্মান লাভ কৰা বিশিষ্ট সংবাদিকগৰাকীয়ে বিড়ি গোৱেংকা বঁটা, 'পাঞ্চজন্য উইকলি'ৰ নাচিকেতা সন্মান আৰু অনুবাদ সাহিত্যৰ বাবে 'কথা বঁটা'ও লাভ কৰিবলৈ সক্ষম হৈছে। অসম চৰকাৰৰ দ্বাৰা অহা ১৭ জানুৱাৰীত শিল্পী দিৱসৰ অনুষ্ঠানত এই ৰাষ্ট্ৰীয় বঁটাটো আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ'ব। চুকাফা বঁটাত আছে তিনি লাখ টকাৰ লগতে এখন প্ৰশস্তি পত্ৰ আৰু অংগ বস্ত্ৰ।

**■ সংগ্ৰহ : কুশল গোস্বামী**

## খবৰৰ লেছেৰি বোটলা

**(২১ নৱেম্বৰ, ২০২৩ ৰ পৰা ২০ ডিচেম্বৰ, ২০২৩লৈ)**

২১ **নৱেম্বৰ** : জাপানত গোবৰৰ পৰা প্ৰস্তুত কৰা ইন্ধনেৰে ৰকেটৰ সফল পৰীক্ষণ সম্পাদন কৰা হয়।

- এনচিইআৰটিৰ পাঠ্যক্ৰমত বেদ-আয়ুৰ্বেদ, ৰামায়ণ, মহাভাৰত অন্তৰ্ভুক্ত কৰিব আৰু পাঠ্যক্ৰমৰ পৰা 'ইণ্ডিয়া' শব্দটো বিলুপ্তি ঘটাই 'ভাৰত' কৰিব বুলি কৰ্তৃপক্ষই ঘোষণা কৰে।

২২ **নৱেম্বৰ** : আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট কাউঞ্চিলৰ এদিনীয়া ৰেংকিঙত ভাৰতৰ শুভমন গীলে শীৰ্ষস্থান লাভ কৰে।

২৩ **নৱেম্বৰ** : পেলেষ্টাইনৰ গাজা অঞ্চলত ইজৰাইল আৰু হামাছৰ মাজত প্ৰথমবাৰৰ বাবে চাৰিদিনীয়া যুদ্ধ বিৰতি আৰম্ভ হয়।

- উচ্চতম ন্যায়ালয়ৰ প্ৰথমগৰাকী মহিলা ন্যায়াধীশ ফাতেমা বিবিৰ ৯৬ বছৰ বয়সত মৃত্যু হয়।

২৪ **নৱেম্বৰ** : বৰ্তমান উত্তৰ-পূৰ্বাঞ্চলৰ শীৰ্ষস্থানৰ দবা খেলুৱৈ মায়ংক চক্ৰৱৰ্তীয়ে আন্তৰ্জাতিক মাষ্টাৰৰ (International Master) স্বীকৃতি লাভ কৰে।

২৫ **নৱেম্বৰ** : আইএএছ বিষয়া মনোজ শৰ্মাৰ জীৱনৰ আধাৰত নিৰ্মিত 'টুৱেলভ্‌থ ফেইল' (12th fail) চলচ্চিত্ৰখন অস্কাৰৰ বাবে মনোনীত হয়।

২৬ **নৱেম্বৰ** : খ্ৰীষ্টোফাৰ লাক্সনে নিউজিলেণ্ডৰ নতুন প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে।

২৭ **নৱেম্বৰ** : আইৰিচ লেখক পল লীঞ্চে 'প্ৰ'ফেট ছং' গ্ৰন্থৰ বাবে ২০২৩ বৰ্ষৰ বুকাৰ বঁটা লাভ কৰে।

২৮ **নৱেম্বৰ** : বিশিষ্ট সাংবাদিক তথা দৈনিক অসমৰ সম্পাদক অনিল বৰুৱাৰ ৮৪ বছৰ বয়সত দেহাৱসান ঘটে।

৩০ **নৱেম্বৰ** : থাইলেণ্ডৰ পাটায়াত অনুষ্ঠিত দক্ষিণ-পূব এছিয়ান বডি বিল্ডিং চেম্পিয়নশ্বিপত গুৱাহাটীৰ কুশল কলিতাই স্বৰ্ণ পদক লাভ কৰে।

২ **ডিচেম্বৰ** : বিশ্ববিদ্যালয় অনুদান আয়োগে (ইউজিচি) দেশৰ সকলো মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ছবিৰ সৈতে ছেলিফ পইণ্ট স্থাপন কৰিবলৈ নিৰ্দেশ জাৰি কৰে।

৩ **ডিচেম্বৰ** : দৰদী কণ্ঠশিল্পী অৰুণ দাসৰ ৭০ বছৰ বয়সত মৃত্যু হয়।

৪ **ডিচেম্বৰ** : 'ৰিজ' (Rizz) শব্দটো অক্সফৰ্ড বিশ্ববিদ্যালয় প্ৰেছে ২০২৩ চনৰ বাবে বৰ্ষটোৰ শব্দ হিচাপে ঘোষণা কৰে।

৫ **ডিচেম্বৰ** : অপৰাধৰ ঘটনাৰ চাৰ্জশ্বিট দাখিলত দেশৰ সৰ্বনিম্ন স্থানত অসম বুলি নেছনেল ক্ৰাইম ৰেকৰ্ড ব্যুৰ'ই (National Crime Recesed Bureau) প্ৰকাশ কৰে।

৬ **ডিচেম্বৰ** : আইএএছ বিষয়া পংকজ হাজৰিকাক কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অতিৰিক্ত সচিব পদত নিযুক্তি দিয়া হয়।

৯ **ডিচেম্বৰ** : ৰাছিয়াৰ খেলুৱৈসকলে নিৰপেক্ষ ক্ৰীড়াবিদ হিচাপে ২০২৪ চনৰ পেৰিছ অলিম্পিকত খেলিব পাৰিব বুলি আন্তৰ্জাতিক অলিম্পিক কমিটিয়ে ঘোষণা কৰে।

১০ **ডিচেম্বৰ** : ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ অসমীয়া ব্যাকৰণৰ ব্ৰেইল লিপ্যন্তৰ উন্মোচন কৰা হয়।

১২ **ডিচেম্বৰ** : ২৯ সংখ্যক কলকাতা আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত অসমৰ 'চেলেঞ্জ' শীৰ্ষক তথ্যচিত্ৰখনক শ্ৰেষ্ঠ তথ্যচিত্ৰৰ বঁটা প্ৰদান কৰা হয়।

১৩ **ডিচেম্বৰ** : লোকসভাৰ ভিতৰত দুজন দৰ্শনাৰ্থীয়ে স্মোক বোমাৰে প্ৰতিবাদ সাব্যস্ত কৰে।

১৫ **ডিচেম্বৰ** : নাছাই অহা বৰ্ষত চাৰিজন মহাকাশচাৰী চন্দ্ৰৰ ওচৰলৈ পঠিয়াব বুলি ঘোষণা কৰে।

১৭ **ডিচেম্বৰ** : বিশ্বৰ সৰ্ববৃহৎ হীৰা ব্যৱসায় কেন্দ্ৰ 'চুৰাট ডায়মণ্ড ব'ৰ্ছ' (Surat Diamond Bourse) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে উদ্বোধন কৰে।

১৯ **ডিচেম্বৰ** : কেন্দ্ৰীয় পৰিসংখ্যা মন্ত্ৰালয়ে দেশৰ প্ৰতি ১০০ গৰাকী স্নাতকৰ ১৩ জনেই নিবনুৱা বুলি প্ৰকাশ কৰে।

- আইচলেণ্ডত কেইবাটাও ভূমিকম্পৰ পাছত আগ্নেয়গিৰিৰ উদগীৰণ হয়।

২০ **ডিচেম্বৰ** : ভাৰতীয় মূলৰ ইন্দু ৰুবাচিংহম ইংলণ্ডৰ লণ্ডনস্থিত নেছনেল থিয়েটাৰৰ সঞ্চালক হিচাপে নিযুক্ত হয়। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# নতুন বছৰত নতুন পণ

■ গাৰ্গী তালুকদাৰ
সপ্তম শ্ৰেণী

নতুন মানেই আশাৰ ৰেঙনি
নতুন মানেই সম্ভাৱনাৰ চিকমিকনি
নতুন মানেই শুভ আৰম্ভণি

সময় নিৰন্তৰ, নিৰবধি সময়ৰ গতি। পাৰ হৈ যোৱা সময়বোৰ নাহে উভতি। সম্ভাৱনা, আশা আৰু নতুনত্বৰ বাটেৰে আহিল ২০২৪। পাৰ হৈ যোৱা ২০২৩ বৰ্ষ আছিল বৈচিত্ৰ্যপূৰ্ণ। তেনে বিচিত্ৰতাৰে পূৰ্ণ হ'ব এই বছৰটোও।

শাশ্বত পৃথিৱীত সুখেই সকলোৰে কাম্য; দুখবোৰ এই সুখৰেই ছাঁ। এটা এৰি আনটো পৰিপূৰ্ণ নহয়। আমি আশাবাদী জীৱ। আশা কৰাত, সপোন দেখাত বাধা কিহৰ? নতুন বছৰৰ আৰম্ভণিত নিজৰ বাবে কৰিব পৰা বহু কাম থাকে। তেনে কামে জীৱনৰ গতি সলনি কৰি দিব পাৰে। নতুন বছৰৰ প্ৰথম দিনটোতে বহুতে পণ লয়। বেয়াখিনিক শুধৰাই, ভালখিনিক আগুৱাই লৈ যোৱাৰ সুযোগ দিয়ে এই সময়খিনিয়ে। তেনে দৃষ্টিৰে নতুন বছৰৰ প্ৰথম দিনটো প্ৰাসংগিক হৈ আহিছে আৰু সদায় প্ৰাসংগিক হৈ থাকিব। প্ৰচণ্ড শীতে চুই গৈছে। নিশাৰ প্ৰচুৰ কুঁৱলীৰ অন্তত পুৱাৰ ৰৌদ্ৰোজ্জ্বল পোহৰে নতুন বছৰৰ শুভ বাৰ্তাকে কঢ়িয়াই আনে। নতুন বছৰত শুভ কামনাৰ বৰষুণ চৌদিশে পৰে। পৰস্পৰে পৰস্পৰৰ কুশল-মংগল কামনা কৰে। এয়াইতো আশীৰ্বাদ; এজনে আনজনৰ বাবে জনোৱা প্ৰাৰ্থনা। এই সময়খিনিত জটিলতা নাই। আস্থা আৰু প্ৰত্যয়ৰ মাজত জী উঠা ভাল চেতনাত আমি সকলো ডুব গৈছোঁ। এনেকুৱাই যদি হ'লহেঁতেন সকলো সময়! হিংসা, নেতিবাচক চিন্তা, নিৰাশা আমাৰ পৰা বহু যোজন দূৰৈত ৰৈ গ'লহেঁতেন। নতুন বছৰে সকলোৰে বাবে সুখ আৰু সমৃদ্ধি কঢ়িয়াই অনাৰ আৰু ৰূপান্তৰে জগত ধুনীয়া কৰাৰ আশা কৰা হয়। এই ৰূপান্তৰৰ মূলমন্ত্ৰ হ'ল পুৰণি ভুল শুধৰাই সঠিক বাটত খোজ দিয়া। নতুন বৰ্ষৰ প্ৰথমটো দিনত মঠ-মন্দিৰতো দেখা যায় বহু ভিৰ। বছৰৰ প্ৰথম দিনটোত মানুহ ব্যস্ত হৈ পৰে বিভিন্ন ধৰণে। এনে ব্যস্ততা প্ৰতিটো দিনতেই থাকক, নতুনত্বৰে নতুন বছৰৰ সময়বোৰ পৰিপূৰ্ণ হওক। সাহিত্য, সমাজ, ৰাজনীতি, অৰ্থনীতিৰ বুনিয়াদ আৰু সবল হৈ পৰক। ঊৰ্ধ্বমুখী আমাৰ মনবোৰৰ পৰা নিৰাশা আঁতৰ হওক। গতিকে সুখেৰে থাকিম বুলি আমি নতুন বছৰত প্ৰতিশ্ৰুতি ল'ব নোৱাৰোঁনে?

২০২৩ বৰ্ষটো আছিল উত্থান-পতনৰ বছৰ। বিভিন্ন ক্ষেত্ৰত ৰাইজে সফলতাৰ মুখ দেখিলে যদিও একেটা বছৰতে বিশ্ববাসীয়ে প্ৰত্যক্ষ কৰিলে ৰাছিয়াৰ ইউক্ৰেইন আগ্ৰাসন, গৃহযুদ্ধই কোঙা কৰি গ'ল শ্ৰীলংকাক। সীমান্তৰ উত্তেজনাই এফালৰ পৰা চেপি আনিলে অসমবাসীক। কিন্তু নতুন বছৰটোৰ কুঁৱলীৰ আচ্ছাদন ফালি অহা কোমল ৰ'দজাকৰ দৰেই উমাল মানুহৰ মনবোৰ। মানুহ মানেই যেন এবুকু আশা, ভৰসা। জীৱনযুদ্ধত আকৌ এবাৰ অৱতীৰ্ণ হোৱাৰ সময়। নতুন বছৰত নতুন প্ৰত্যাশাৰে আকৌ এঘড়ী যুঁজি চোৱাৰ হেঁপাহ। নতুন বছৰটোৰ প্ৰথম দিনটোত কোনোবাই যদি বনভোজলৈ গৈছে, তেন্তে আন কোনোবাই পৰিয়াল, শুভাকাংক্ষীৰ সৈতে দৰ্শন কৰিছে ইষ্টদেৱতাৰ উপাসনাস্থলী। দিনটোৰ অন্তত ক্লান্ত যদিও এক প্ৰাপ্তিৰ আনন্দত আত্মহাৰা এইসকল লোক।

সন্মুখত আমাৰ এক সম্ভাৱনাপূৰ্ণ ভৱিষ্যৎ, এৰি থৈ আহিছে বিভিন্ন ঘাত-প্ৰতিঘাত, পোৱা-নোপোৱাৰ হিচাপ। তাৰ মাজতেই নতুন বছৰটোৰ প্ৰথমটো দিন। এই দিনটোৱে প্ৰত্যেকজন ব্যক্তিৰ জীৱনলৈ কঢ়িয়াই আনক কেৱল সুখৰ বতৰা। সমৃদ্ধিৰে ভৰি পৰক সকলোৰে জীৱনবোৰ এয়াই মোৰ কামনা। ❖

# পৰিৱৰ্তন

■ অভিশ্ৰী তামুলী
পঞ্চম শ্ৰেণী

মৰম এজনী ১০ বছৰীয়া ছোৱালী। তাই নিজৰ পৰিয়ালটোক ভাল পায়। মৰমহঁতৰ পৰিয়ালত আইতাক-ককাকহঁতৰ পৰা আদি কৰি মামা-মামী, ভণ্টি-ভাইটি, দাদা-বাইদেউ সকলোবোৰ আছে। তাইৰ দেউতাক মৰিগাঁৱৰ আৰু মাক মৰিগাঁৱৰ ভিতৰুৱা এখন সৰু কিন্তু মনোমোহা গাঁও ঔগুৰিৰ ছোৱালী। মৰিগাঁৱৰ পৰিৱেশতকৈ তাইক ঔগুৰিৰ পৰিৱেশে বেছি আকৰ্ষণ কৰে। গাঁৱৰ নামঘৰটোত ঘৰ ঘৰ খেলা, ককাকৰ লগত পথাৰলৈ যোৱা, সৰু সৰু ৰাস্তাবোৰত চাইকেল চলোৱা আৰু যে কত কি কৰে তাই ! অৱশ্যে যোৱা ২০২২ চনত তাইৰ ঔগুৰিৰ ককাক-আইতাকৰ মৃত্যু হৈছিল বাবে পাছত ঔগুৰিলৈ যাবলৈ তাইৰ বৰ বেজাৰ লাগিছিল। ককাকে মহাভাৰত, ৰামায়ণৰ সাধু শুনোৱা দিনবোৰ, বাৰে বাৰে পাকঘৰলৈ গৈ আইতাকক সোধা "অ' আইতা কি ৰান্ধিছা আজি?" এইবোৰ কথাই তাইক আমনি কৰিছিল। বৰ মৰম কৰিছিল আইতাক-ককাকে তাইক। ক'ত ঘূৰি আহিব সেই দিনবোৰ? তাইৰ জীৱনত এক অজান পৰিৱৰ্তনে দেখা দিছিল। আৰু যে কিমান সলনি হ'বলৈ বাকী আছে? সেইবাবে তাই আজিকালি ঔগুৰিলৈ নাযায়। গ'লেও দিনতে যায় আকৌ দিনতে ঘূৰি আহে। আকৌ এটা পৰিৱৰ্তনে দেখা দিছিল তাইৰ জীৱনত। ককাক-আইতাক, বৰদেউতাক-বৰমাক, মাজু দেউতাক-মাজু বৰমাক আৰু মৰমহঁতৰ পৰিয়ালটো একেখন চোতালতে আছিল। মৰমহঁতৰ পৰিয়ালত দেউতাক, মাক, এজনী সৰু ভনীয়েক আৰু এটা সৰু ভায়েক আছে। তাই পঞ্চম শ্ৰেণীত আৰু ভনীয়েক অংকুৰ শ্ৰেণীত। ভাইটিটো সৰু, সি ২ বছৰীয়া বাবে স্কুললৈ নাযায়। আকৌ আচল কথালৈ ঘূৰি আহিছোঁ। বৰদেউতাকহঁত একেখন চোতালতে যদিও এটা বেলেগ ঘৰত থাকে, তেওঁলোকৰ চোতালখন বৰ ডাঙৰ। তাত এটা ধানৰ মিল, দুটা ঘৰ আৰু এটা গোসাঁইঘৰ আছে। দুটা ঘৰৰে এটাত মাজু দেউতাক, মাজু বৰমাক, তেওঁলোকৰ ল'ৰা-ছোৱালী দুটা, আইতাক-ককাক আৰু মৰমহঁতৰ পৰিয়ালটো থাকে। আনটোত বৰদেউতাকহঁত থাকে। মাজু দেউতাকৰ ল'ৰা-ছোৱালী দুটা মৰম আৰু তাইৰ ভনীয়েকতকৈ সৰু। কিন্তু মৰমৰ ভায়েকতকৈ ডাঙৰ। ঘৰখনত পাঁচটাকৈ ল'ৰা-ছোৱালী আছে। গৰমৰ বন্ধ, ঠাণ্ডাৰ বন্ধ, পূজা-বিহুৰ বন্ধত তাই আৰু তাইৰ পৰিয়ালটো মৰিগাঁৱলৈ যায়। পাঁচটা ল'ৰা-ছোৱালী হোৱাৰ বাবে ঘৰখনত সদায় হাই-উৰুমিৰ সৃষ্টি হয়। মাজে মাজে কাজিয়াও হয়। সেইবাবে মৰমৰ দেউতাকে ঠিক কৰিলে যে সিহঁত এটা বেলেগ ঘৰলৈ যাব। বৰদেউতাকহঁত আগতে এটা ওচৰৰে এটা বেলেগ ঘৰত আছিল। কিন্তু এতিয়া নাথাকে। ঘৰটো বেছি বেয়া হোৱা নাই বাবে দেউতাকে সেই ঘৰটো আকৌ মেৰামতি কৰি সেই ঘৰটোত পূজা-পাতল কৰি থাকিবলৈ ল'লে। কিন্তু মৰমে সেই ঘৰটোত শান্তি নাপালে। কাৰণ আইতাক-ককাক থকা পুৰণা ঘৰটোত পুৱা উঠাত তাইৰ দেৰি হয়। কিন্তু মাজু দেউতাকৰ ল'ৰাটোৱে সোনকালে উঠি তাইক জগায় "অ' মৰম বা উঠা।" উঠিয়েই তাই কয়, "অ' পৰশ উঠিলা?" উঠি আহি আইতাকে কয়, "অ' দেহা উঠিলি?" আকৌ বাৰাণ্ডালৈ গৈ ককাকক মাতে। ককাকে কয়, "অ' গোসাঁনী উঠিলি? আহ এবাৰ মোৰ কোলাতে বহচোন।" সেই মিলটোৰ শব্দবোৰ আজিও তাইৰ কাণত বাজি থাকে। সেই সুখবোৰ তাই সেই নতুন ঘৰটোত নাপালে। হঠাৎ এবাৰ তাইৰ বুকুখন চিৰিংকৈ উঠিল। তাই বিছনাত বাগৰি পৰিল। তাই পৰিৱৰ্তন শব্দৰ অৰ্থ এতিয়াহে বুজি পালে। তাই আকৌ এবাৰ ভাবিলে ইয়াকে পৰিৱৰ্তন বুলি কয় নে? ❖

# উপহাৰ

■ শৌভিক শৰ্মা
ষষ্ঠ শ্ৰেণী



জয়ন্ত, মৃণাল, অজয় আৰু বকুলৰ ঘৰ ওচৰা-উচৰি। সিহঁতে একেলগে খেলে। বকুলৰ বাহিৰে বাকী তিনিওজনে ইংৰাজী মাধ্যমৰ বিদ্যালয়ত পঢ়ে। জয়ন্ত, মৃণাল, অজয় ধনী মানুহৰ ঘৰৰ ল'ৰা। বকুলৰ দেউতাকে কোম্পানীত সৰু কাম এটা কৰি কোনোমতে ঘৰখন চলাই আছে। বকুলে মৃণালহঁতৰ লগত খেলে যদিও মাজে-সময়ে তিনি বন্ধুৱে তাক "তহঁতৰ গাড়ী নাই, স্মাৰ্ট ফোন নাই" ইত্যাদি কৈ ইতিকিং কৰি থাকে। কিন্তু বকুলে সেইবোৰ কথালৈ কাণ নিদিয়ে, সি কেৱল খেলাৰ কথাহে ভাবে। বকুল পঢ়াত বৰ চোকা। যদিও সি চৰকাৰী স্কুলত পঢ়ে, কুইজ, ছবি অঁকা, আবৃত্তি ইত্যাদি বিষয়তো বৰ পাৰ্গত। জয়ন্তহঁতে কেৱল ম'বাইলৰ কথাহে আলোচনা কৰি থাকে। বকুলে যদি সিহঁতক কিবা প্ৰশ্ন সোধে, সিহঁতে একো ক'ব নোৱাৰি তাক "কি ফাল্টু কথা সুধি থাক" বুলি কৈ ঘৰলৈ খেদি দিয়ে যদিও পাছদিনা সি আকৌ খেলিবলৈ যায়।

ইমান ধনী ঘৰৰ ল'ৰাৰ লগত খেলিবলৈ যোৱা কথাটোত মাকে বকুলক সকীয়াই দি থাকে। "বাবা, তই সিহঁতৰ ঘৰৰ ভিতৰলৈ নাযাবি, সিহঁত বৰ ডাঙৰ মানুহ, আমি সিহঁতৰ লগত নিমিলোঁ।" বকুলে মাকক কয়, "মা, ভাল ঘৰ, গাড়ী, দামী পোছাক পিন্ধিলে মানুহ ডাঙৰ নহয়। সিহঁতে পৰীক্ষাত ইম্মান কম নম্বৰ পায়। কিবা প্ৰশ্ন সুধিলেও ক'ব নোৱাৰে। মোক দুপৰীয়া ভাত খোৱা স্কুলত পঢ়োঁ বুলি জোকায়। সিহঁতে বোলে বহুত ধুনীয়া স্কুলত পঢ়ে।" "তই সেইবোৰ কথাত কাণ নিদিবি, ভালদৰে পঢ়া-শুনাত মন দে," মাকে তাক কয়।

এদিন দেওবাৰৰ কথা। বকুলে জয়ন্তহঁতৰ ঘৰলৈ গৈ দেখে সিহঁতৰ চৌহদত থকা গছবিলাক কাটিবলৈ ধৰিছে। বকুলে জয়ন্তক সুধিলে, "তহঁতৰ ঘৰৰ গছবোৰ কিয় কাটি নষ্ট কৰিলে, ইমান ধুনীয়া গছবোৰ, কিমান চৰাই আহে ইয়ালৈ।" "অ' ইয়াত ডাঙৰ ঘৰ সজাব পাপাই।" "কিন্তু এনেকৈ গছ কাটিব নাপায় নহয়, নতুন গছপুলি ৰুবি জানো?" "এহ সেইবোৰ বাদ দে, আজি যে মৃণালৰ বাৰ্থডে, তোক মাতিছেনে নাই?" এনেতে মৃণাল আৰু অজয় সিহঁতৰ ঘৰলৈ আহিল। "ঐ আজি নেখেলোঁ দে। সন্ধিয়া আমাৰ ঘৰলৈ আহিবি, বকুল তয়ো আহিবি, ডাঙৰ পাৰ্টি হ'ব।"

বকুলে ঘৰলৈ আহি মাকক মৃণালৰ জন্মদিনৰ কথাটো ক'লে, লগতে তাকো মাতিছে বুলি ক'লে। মাকে অলপ সময় কিবা ভাবি, "তই জন্মদিনলৈ যাবি জানো? সিহঁতৰ জন্মদিনলৈ যাবলৈ দিবলৈ মোৰ বৰ ভয় লাগে।" "তুমিও যে মা, কি হ'বনো গ'লে? মোক মাতিছে কাৰণেহে যাম।" দেউতাকো ভিতৰৰ পৰা ওলাই আহি ক'লে, "একো নহয় দিয়া, সি যাব।" বকুলে বৰ আনন্দ পালে। বকুলে মৃণালক উপহাৰ দিবলৈ এখন বৰ ধুনীয়া ছবি আঁকি ডাঠ বকলাৰ ওপৰত আঠা লগাই চাৰিওফালে ৰঙীন কাগজেৰে ব'ৰ্ডাৰ কৰি দিলে। ওলমাই থ'ব পৰাকৈ ৰছী এডালো বান্ধি দিলে। মাক-দেউতাকে "বাঃ বৰ ধুনীয়া ছবি আঁকিলা, বকুল" বুলি ক'লে।

সন্ধিয়া বকুল মৃণালহঁতৰ ঘৰলৈ গ'ল। বৰ

ধুনীয়াকৈ সজাইছে ঘৰখন। খোৱাৰ কাৰণে ৰভা এখনো দিছে। ড্ৰয়িংৰুমটো বেলুনেৰে ভৰাই দিছে। এখন টেবুলত এটা বৰ ডাঙৰ ‘কেক’ থৈ দিয়া আছে। বহুত মানুহ। “অ’ বকুল আহিছ, মৃণালহঁত তাৰ ৰুমতে আছে যা” বুলি মৃণালৰ দেউতাকে তাক ওপৰ মহলালৈ যাবলৈ ক’লে। মৃণালৰ ৰুমত বহুকেইজন বন্ধু বহি আছে। সি দেখি আচৰিত হ’ল, সকলোৰে হাতে হাতে ডাঙৰ ম’বাইল। সিহঁতে চিঞৰি চিঞৰি গেম খেলাত ব্যস্ত। মৃণালে বকুলক মাতিলে, “অ’ বকুল আহ।” বকুলে বৰ অকলশৰীয়া অনুভৱ কৰিলে। অজয় আৰু জয়ন্তয়ো তাক পাত্তা দিয়া নাই। বকুলে হাতত থকা পলিথিনটোৰ পৰা ছবিখন উলিয়াই মৃণালক দিব খোজোঁতেই সি চিনি নোপোৱা মৃণালৰ বন্ধু এজনে ক’লে, “ঐ চা, সি এইখন কি আনিছে?” মৃণালে “ঐ বকুল, তই কি আনিছ সেইখন” বুলি সোধাত বকুলে ক’ল, “মৃণাল, তোৰ জন্মদিন কাৰণে মই ছবি এখন আঁকি তোক উপহাৰ দিবলৈ আনিছোঁ, ল মৃণাল, শুভ জন্মদিন”—এইবুলি দিব খোজোঁতেই মৃণালে বকুলৰ হাতৰ পৰা ছবিখন টানি নি এইবিলাক কি গিফ্‌ট আনিছ বুলি বিছনাৰ তললৈ ছবিখন দলিয়াই দিলে। বাকীকেইজনে হাঁহি দিলে। এজনে “ই কোন অ’” বুলি সুধিলে। “ঐ বুৰ্বক, বাৰ্থডে গিফ্‌ট আৰু দিব নাপালি” বুলি অজয়ে জোকালে। মৃণালে বকুলক “তোৰ গিফ্‌ট দিবলৈ পইচা নাই নেকি” ইত্যাদি ক’লে। বকুলৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গ’ল। সি বিছনাৰ তলৰ পৰা ছবিখন উলিয়াই আনি ৰুমটোৰ পৰা ওলাই আহি গেট খুলি বাহিৰলৈ ওলাই আহিল। সি আহোঁতে ৰাস্তাত ভাবি আহিল, মাকে তাক কিয় মৃণালৰ জন্মদিনলৈ আহিবলৈ দিবলৈ ভয় কৰিছিল। “বকুল,” মাকৰ মাতত সি চঁক খাই উঠিল। সি মোটোকা খাই যোৱা ছবিখন মাকলৈ আগ বঢ়াই দি মাকক সাবটি ধৰি হুক্‌হুকাই কান্দি দিলে। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (ডিচেম্বৰ, ২০২৩)

প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (পঞ্চম গ), অভিজ্ঞান দীপক বৰগয়াৰী (পঞ্চম গ), আবিৰ হুছেইন (পঞ্চম গ), নীলভ তালুকদাৰ (পঞ্চম গ), চতুৰ্থী শিৰম (পঞ্চম খ), জাহ্নু বিকাশ শৰ্মা (পঞ্চম গ), দিশান্ত জি. কুমাৰ (পঞ্চম গ), পৰিণীতা দাস (পঞ্চম ঘ), নিষাদ চয়ন ওজা (পঞ্চম খ), পল ভৰালী (পঞ্চম গ), মধুৰ মনীষ বৰপূজাৰী (পঞ্চম গ), অৰ্ণৱ আকাশ মহন্ত (পঞ্চম ঘ), উদ্দীপন শৰ্মা (চতুৰ্থ গ), ৰাগিনী কাশ্যপ (পঞ্চম ঘ), ৰিদিপ কুমাৰ (পঞ্চম গ), আবিৰ হুছেইন (পঞ্চম গ), তন্ময়ৰাজ চৌধুৰী (পঞ্চম গ), বাস্তৱ দাস (ষষ্ঠ ক), মৌচম তালুকদাৰ (পঞ্চম ক)। ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ উত্তৰ (নৱেম্বৰ)

১। subscriber identity module ২। বেডমিণ্টন ৩। কমলানন্দ ভট্টাচাৰ্য্য
৪। ২০২৩ বৰ্ষৰ বুকাৰ বঁটা লাভ কৰিছে উপন্যাসখনে ৫। কিশোৰ কুমাৰ ❖

## কুইজৰ উত্তৰসমূহ

১। তুৰস্ক আৰু ছিৰিয়াৰ ভূমিকম্পত উদ্ধাৰ আৰু সাহায্য অভিযান ২। বেংগালুৰু ৩। ২০২৩ চনৰ ২৩ আগষ্টত চন্দ্ৰযান-৩ৰ চন্দ্ৰপৃষ্ঠত সফল অৱতৰণৰ দিনটো স্মৰণীয় কৰি ৰখাৰ বাবে ৪। ৰামন মেগছেছে বঁটা ৫। ড° প্ৰণৱজ্যোতি ডেকাৰ শ্ৰেষ্ঠ গল্প (সাহিত্য অকাডেমী বঁটা বিজয়ী গ্ৰন্থ) ৬। ৰাহিদা ৰেহমান ৭। সংবিধান সদন ৮। ভাৰতৰ মহাকাশ গৱেষণা সংস্থাই সূৰ্য্য অভিমুখে চলোৱা অভিযানৰ মহাকাশযান ৯। উচ্চতম ন্যায়ালয়ৰ প্ৰথম মহিলা ন্যায়াধীশ ১০। চতুৰ্থ ১১। উমা ছেত্ৰী। ভাৰতীয় ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথম অসমীয়া ১২। ৰথীন্দ্ৰ নাথ গোস্বামী ১৩। ড° বীৰেন্দ্ৰ নাথ দত্ত ১৪। মুনীন বৰকটকী সাহিত্য বঁটা ১৫। বুকাৰ বঁটা লাভ কৰাৰ বাবে। তেওঁ হৈছে পল লিন্স। ❖

# পতাকা

■ সমাদৃতা শৰ্মা
দশম শ্ৰেণী



ৰেল আলিটোৰ কাষতে তাইৰ ঘৰ, হয়তো ১০ নহ'লে ১৫ হাত দূৰত। পেলনীয়া মৰাপাটৰ বস্তা, প্লাষ্টিক, ফটা-ছিটা এখন ত্ৰিপাল—এইবোৰেৰেই সজোৱা তাইৰ ঘৰ। ক'ৰ পৰা কেনেকৈ আহি তাই তাতে থাকিবলৈ ল'লে তাইৰ নিজৰে মনত নাই। মাথোঁ তাইৰ মনত আছে মাকৰ স'তে বহু দূৰৰ পৰা ৰেলেৰে তাই ইয়ালৈ আহিছিল। কিমাননো বয়স আছিল তেতিয়া তাইৰ ! পাঁচ নে ছয় নে সাত। গুৱাহাটী চহৰৰ মাজেৰে যোৱা ৰেলআলিটোৰ কাষতেই তাই ইমানদিনে ঘৰ সাজি বাস কৰিছে। কেতিয়াবা আঠগাঁও, কেতিয়াবা মাছখোৱা আৰু এতিয়া বামুণীমৈদাম ৰেলআলিৰ কাষত তাইৰ ঘৰ। এতিয়া হয়তো তাইৰ বয়স ২২ বছৰমান হ'ব, দুবছৰমান আগতে মাকো হঠাৎ নোহোৱা হ'ল। তাইৰ গিৰীয়েকে হাজিৰা কৰে। চলন্ত ৰেলৰ ডবাৰ মজিয়া সাৰি-মুচি তায়ো দুপইচা উপাৰ্জন কৰে। দুয়োৰে এটা সপোন আছে, ৰেলআলিৰ কাষতে সিহঁতে এখন পাচলিৰ দোকান দিব। ডাঙৰ ডাঠ প্লাষ্টিকৰ শ্বীট কিনি আনি ঘৰটো বনাব।

চহৰলৈ এইকেইদিন ভোটৰ সভা আহিছে। ইখনৰ পাছত সিখন ডাঙৰ সভা বহিছে চানমাৰি পথাৰত। ডাঙৰ ডাঙৰ ফেষ্টুন-বেনাৰেৰে সভাস্থলী জকমকীয়া হৈ পৰিছে। তাই ভাবিলে, সভাৰ শেষত যদি এখন ডাঙৰ ফেষ্টুন তাই খুলি আনিব পাৰিলেহেঁতেন ! তাইৰ ঘৰটোৰ ওপৰতে সেইখন বান্ধি বৰষুণৰ পৰা বাচিব পাৰিলেহেঁতেন। আজি ৰাতিপুৱাও তাই দেখিছে এখন ৰঙা বিশাল পতাকা খেলপথাৰত আঁৰি থোৱা আছে। মানে আজিও এখন সভা হ'ব, সভাৰ শেষত এন্ধাৰ হ'লেই ৰঙা পতাকাখন লৈ আহিবলৈ তাই থিৰাং কৰিলে। আজিৰ সভাত তায়ো উপস্থিত থাকিব। নলাৰ পৰা বুটলি অনা পেলনীয়া পানী-বটলটো ভৰাই থোৱা মোনাটো ফুটপাথৰ দাঁতিতে থৈ সভা শুনিবলৈ তায়ো খেলপথাৰলৈ গ'ল। খেলপথাৰৰ একোণত মানুহৰ পৰা অলপ দূৰত তাই বহিলে। মঞ্চত এজন মানুহে বহুত ভাল ভাল কথা কৈ আছিল। কথাবোৰ তাই ভালকৈ নুবুজিলেও এইটো কথা ভালদৰে বুজি পাইছে যে মানুহজনে সিহঁতৰ দৰে মানুহৰ ভালৰ বাবে কথা কৈছে, খাবলৈ নোপোৱা মানুহক খাবলৈ দিব। ঘৰ নোহোৱা মানুহক ঘৰ দিব। মনটো ভাল লাগি গ'ল তাইৰ। কিন্তু ভোট দিয়া মানে কি নাজানে তাই। সভা শেষ হওঁতে সাঁজ লাগি আন্ধাৰ হৈছিল। সভা এৰি মানুহবোৰ যোৱাৰ পাছত ৰঙা পতাকাখন খুলি জাপি-কুছি তাইৰ পেলনীয়া পানী-বটল ভৰোৱা মোনাখনত ভৰাই লৈ গুচি আহিল। ঘৰৰ চালখন আজিয়ে ঠিক হ'ব লাগিব, তাই মনতে ভাবিলে। তাই ঘৰ আহি পোৱাৰ আগতে গিৰীয়েক আহি ঘৰ পাইছিলেই। কেৰাহীখনত কিবাকিবি সিজাই আছিল সি। তাই ৰঙা পতাকাখন তাৰ সন্মুখত মেলি দিলে। তাক ক'লে, "এইখন আজিয়েই চালত দিব লাগিব, ৰাতিলৈ বৰষুণ আহিব পাৰে।"

"ক'ত পালি?"

"মিটিঙৰ পৰা লৈ আহিছোঁ।"

"কোনোবাই কিবা ক'ব নেকি?"

"কোনে কি ক'ব, এইখনতো পেলাই দিছে।"

"চাবি আকৌ ৰঙা দলৰ পতাকা দেখি নীলা দলে আমাক নামাৰিলেই ৰক্ষা।" ৰেলৰ যাত্ৰীসকলৰ কোৱা-কুইৰ পৰা সিও বুজি পায় যে দলবোৰৰ মাজত বহুত কাজিয়া লাগে।

সিজোৱা বেঙেনা আৰু নিমখেৰে দুয়ো ভাতমুঠি খাই ল'লে। বাঁহৰ কামিত খুঁচি খুঁচি পতাকাখন প্লাষ্টিকৰ বস্তাৰে সজা পঁজাটোৰ চালত আঁৰি দিওঁতে ৰাতি দোভাগেই হৈছিলগৈ। কাষৰ পঁজাৰ মানুহহালে তাকে দেখি সিহঁতকেই গুৱাল গালি পাৰি আছিল। সিহঁতে ভ্ৰূক্ষেপ নকৰিলে। ৰাতিপুৱাৰ ৰঙা ৰ'দত ৰঙা পতাকাৰে সজা সিহঁতৰ পঁজাৰ চালখন টিকটিকীয়াকৈ উজ্জ্বল হৈ জিলিকি আছিল দূৰৈৰ পৰা দেখাকৈ। গিৰীয়েক পুৱাই ৰেলত উঠি কামলৈ গ'ল। তাই ঘৰতে সোমাই আছে আজি। চহৰৰ কোনো কোনো ঠাইত আজি বোলে মাৰপিটৰ ঘটনা হৈছে। ৰঙা দলৰ শোভাযাত্ৰালৈ নীলা দলে শিল দলিয়াইছে।

বিয়লি তিনিমান বজাত গাড়ী এখনত উঠি নীলা ৰঙৰ পতাকা লৈ এগাল ল'ৰা সিহঁতৰ তালৈ আহিল। তাইৰ ৰঙা পতাকাৰে সজা চালৰ পঁজাটো লাঠীৰে কোবাই ভাঙি থৈ গ'ল।

প্লাষ্টিক বস্তাৰ দ'মটোৰ কাষত বহি গিৰীয়েক অহালৈ বৈ আছে তাই। আকাশলৈ চালে, ক'লা মেঘ আছে নেকি? বৰষুণ আহিলে আজি বিপদ হ'ব সিহঁতৰ, বৰষুণত তিতিব লাগিব ৰাতিটো। ঠাইখিনি এৰি যাবও নোৱাৰে। আন কোনোবাই দখল কৰিব ৰাতিয়েই। ৰাতি গিৰীয়েকক তাই ক'লে, "অহাবাৰ নীলা দলৰ পতাকাহে বিচাৰিব লাগিব।" ❖

# বাঘজানৰ জুইত জাহ গ'ল সপোন

■ **বিৰিখ শৰ্মাচাৰ্য্য**
ষষ্ঠ শ্ৰেণী

বাঘজান গাঁৱৰ সুশান্ত আৰু ঈশান্ত দুয়ো সিহঁতৰ দেউতাকহঁতৰ দৰেই নলে-গলে লগা বন্ধু। দুয়ো ওচৰৰে প্ৰাথমিক বিদ্যালয়ৰ তৃতীয় শ্ৰেণীৰ ছাত্ৰ। সিহঁতৰ আৰু এজন বন্ধু আছিল, সি হ'ল ধুনু। ধুনু মানে ধুনীয়া এটা ছাগলী পোৱালি। সিহঁত য'লৈকে যায়, ধুনুও সিহঁতৰ লগে লগে তালৈকেই যায়। এইকেইদিন অৱশ্যে সিহঁত ক'ৰোনা মহামাৰীৰ কাৰণে ঘৰতে থাকিবলগীয়া হৈছে।

সেইদিনা দুপৰীয়া ভাত-পানী খাই উঠি ঈশান্ত বিছনাত পৰিল। তেতিয়াই সি এটা সপোন দেখিলে— "দেশত ক'ৰোনা মহামাৰী শাম কাটিছে। স্কুলবোৰ খুলিছে। সিও সুশান্তৰ লগত বিদ্যালয়লৈ গৈছে। ইংৰাজীৰ বাইদেৱে নতুন পাঠ এটা পঢ়ুৱাবলৈ ধৰিছে।" তেনেতে বাহিৰত কাৰোবাৰ চিঞৰ-বাখৰ শুনা যেন পালে। মাকে তাক প্ৰায় চোঁচৰাই বিছনাৰ পৰা নমাই দি ক'লে—"পোনা দৌৰ।" সি একো টলকিব নোৱাৰি মানুহবিলাকৰ লগত কেৱল দৌৰিয়েই থাকিল। দৌৰি দৌৰি সিহঁতৰ স্কুলখন পালেগৈ। তাতে সি সুশান্তকো লগ পালে। ইফালে জুইৰ লেলিহান শিখাই আকাশ ছানি ধৰিছে। সিহঁতৰ আকাশ, ঘৰ, পথাৰ...। আক-তাক সুধি গম পালে যে অইলৰ পাইপ বিস্ফোৰিত হৈ জুই জ্বলিছে। চাৰিওফালে কেৱল হাঁহাকাৰ। সিহঁতৰ ধুনুলৈ বৰকৈ মনত পৰিছে। সি বা ক'ত আছে, কি বা কৰিছে?

পাছদিনা সিহঁতে মাকহঁতৰ লগত নিজৰ ঘৰখন চাবলৈ গৈ হতভম্ব হৈ পৰিল। কাৰণ দুয়োটাৰে কিতাপ-পত্ৰবোৰ পুৰি ছাই হৈ গৈছে। এইবাৰ সিহঁতে ধুনুক চিঞৰি মাতিলে। কিন্তু ক'তো তাৰ মাত-বোল নাই। ধুনুক বিচাৰি গৈ দেখিলে যে বাৰীৰ এচুকত ধুনুও ছাই হৈ পৰি আছে। এই দৃশ্য দেখি সিহঁত কান্দোনত ভাগি পৰিল। ❖

# আটলাণ্টিক চনদ

■ কান্তাশ্ৰী গোস্বামী

আটলাণ্টিক (Atlantic Charter) চনদ মূলতঃ দ্বিতীয় বিশ্বযুদ্ধৰ (১৯৩৯-১৯৪৫ চন) প্ৰথম ভাগত মিত্ৰশক্তিৰ দুখন প্ৰধান দেশ আমেৰিকা আৰু ইংলণ্ডৰ ৰাষ্ট্ৰপ্ৰধান ক্ৰমে ফ্ৰেংকলিন ডি. ৰুছভেল্ট আৰু উইনষ্টন চাৰ্চিলৰ মাজত সম্পাদিত এক চুক্তি। এই চুক্তিয়ে যুদ্ধৰ পাছৰ সময়ত বিশ্ব পৰিক্ৰমাৰ নীতি আৰু লক্ষ্য নিৰ্বাচন কৰিছিল। যদিও আপাতঃ দৃষ্টিত এই চুক্তিখন মাত্ৰ দুখন দেশৰ মাজত সম্পাদিত হৈছিল কিন্তু ইয়াৰ প্ৰভাৱ আছিল সুদূৰপ্ৰসাৰী। এই চুক্তিয়েই ৰাষ্ট্ৰসংঘ স্থাপনৰ বাট মুকলি কৰি দিছিল। লগতে সেই সময়ত শক্তিশালী দেশবোৰৰ অধীনত থকা ভাৰতবৰ্ষকে ধৰি অন্যান্য উপনিৱেশসমূহৰ স্বাধীনতাৰ দুৱাৰ মুকলি কৰি দিছিল। প্ৰকৃতাৰ্থত আটলাণ্টিক চনদ এক ঐতিহাসিক নথি, যিখনৰ প্ৰভাৱ বিশ্বৰ ৰাজনীতিত এতিয়াও বিদ্যমান।

এই চনদৰ জৰিয়তে আমেৰিকাই বিশ্বযুদ্ধত বৃটেইনক সমৰ্থন জনায় আৰু দুয়োখন দেশৰে পাৰস্পৰিক নীতিসমূহৰ ক্ষেত্ৰত সহমত প্ৰকাশ কৰে আৰু যুদ্ধত বিৰোধী শক্তি জাৰ্মানী পৰাস্ত হ'লে যুদ্ধোত্তৰ বিশ্বত শান্তি প্ৰতিষ্ঠা কৰাৰ আশা কৰা হয়।

এই চনদৰ প্ৰধান আঠটা বিষয়ৰ মূল কথাখিনি এনে ধৰণৰ—

১। মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু বৃটেইনে কোনো ধৰণৰ ভৌগোলিক সম্প্ৰসাৰণ নিবিচাৰে।

২। সংশ্লিষ্ট জনসাধাৰণৰ ইচ্ছানুযায়ীহে ভৌগোলিক সালসলনি হ'ব।

৩। সকলো লোকৰে চৰকাৰ নিৰ্ধাৰণৰ অধিকাৰ আছে।

৪। বাণিজ্যিক বাধা যিমান পাৰি হ্ৰাস কৰিব লাগে।

৫। সামাজিক কল্যাণৰ বাবে অৰ্থনৈতিক সহযোগিতা আৰু উন্নয়ন হ'ব লাগে।

৬। এই চনদৰ অংশগ্ৰহণকাৰীসকলে অভাৱ আৰু ভয়বিহীন এখন বিশ্বৰ বাবে কাম কৰিব।

৭। সাগৰীয় পথ ব্যৱহাৰ কৰাৰ ক্ষেত্ৰত কোনো দেশে বাধাৰ সৃষ্টি কৰিব নোৱাৰিব।

৮। আক্ৰমণকাৰী দেশসমূহৰ নিৰস্ত্ৰীকৰণ আৰু যুদ্ধৰ পাছত সকলো দেশৰেই সাধাৰণ নিৰস্ত্ৰীকৰণ।

এই ঐতিহাসিক চুক্তিখন স্বাক্ষৰিত হৈছিল নিউফাউণ্ডলেণ্ডত ১৯৪১ চনৰ ৯ৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হোৱা আটলাণ্টিক সন্মিলনত। এই চনদৰ পটভূমি হ'ল একে বৰ্ষৰে (১৯৪১ চনৰ) জুন মাহত মিত্ৰশক্তিৰ দেশসমূহৰ চেইণ্ট জেইমছ পেলেছৰ ঘোষণাপত্ৰ। এই ঘোষণাপত্ৰত মিত্ৰশক্তিয়ে যুদ্ধোত্তৰ বিশ্বৰ নীতি আৰু লক্ষ্য প্ৰকাশ কৰিছিল। অৱশ্যে ইয়াৰ ঠিক এমাহ পাছত সম্পাদিত এংলো-ছোভিয়েট বুজাবুজি চুক্তিয়েও আটলাণ্টিক চনদক প্ৰভাৱিত কৰিছিল।

যিহেতু চনদত সন্নিৱিষ্ট নীতিসমূহ দুই মহাশক্তিয়ে যুটীয়া বিবৃতি হিচাপেহে ঘোষণা কৰিছিল, সেয়ে আটলাণ্টিক চনদ বুলি কোনো বিধিসন্মত নথি নাই। ১৯৪১ চনৰ ১৪ আগষ্টত যেতিয়া প্ৰথম এই চনদখন ৰাজহুৱা কৰা হৈছিল, তেতিয়া এইখনক কোৱা হৈছিল 'ৰাষ্ট্ৰপতি ৰুছভেল্ট আৰু প্ৰধানমন্ত্ৰী চাৰ্চিলৰ যৌথ ঘোষণাপত্ৰ' অথবা 'যৌথ ঘোষণাপত্ৰ'। 'ডেইলি হেৰাল্ড' নামৰ বাতৰিকাকতখনে প্ৰথমে এই নথিক আটলাণ্টিক চনদ বুলি নামকৰণ কৰে। বৃটিছ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চিলেও একোটা নামেৰে বিষয়টো ২৪ আগষ্টত বৃটিছ সংসদক অৱগত কৰে আৰু এনেদৰেই ইয়াক সকলোৱে গ্ৰহণ কৰে। এই চনদৰ কোনো স্বাক্ষৰিত লিপি পাবলৈ নাই। চনদখনৰ কেইবাটাও আৰ্হি প্ৰস্তুত কৰা হৈছিল আৰু দুয়োপক্ষই সন্মতি দিয়া চূড়ান্ত প্ৰতিলিপিটো লণ্ডন আৰু ৱাশ্বিংটনলৈ পঠিয়াই দিয়া হৈছিল। ৰাষ্ট্ৰপতি ৰুছভেল্টে চনদখনৰ মূল বিষয়সমূহ ২৪ আগষ্টত সংসদত দাখিল কৰিছিল। মিত্ৰ শক্তিৰ অন্তৰ্গত দেশসমূহৰ সেই বছৰৰে

ছেপ্টেম্বৰ মাহত অনুষ্ঠিত বৈঠকত বেলজিয়ামৰ নিৰ্বাচিত চৰকাৰ, ছেকেশ্ল'ভিয়া, গ্ৰীছ, লাক্সেমবাৰ্গ, নেদাৰলেণ্ড, নৰৱে, পোলেণ্ড, যুগোশ্ল'ভিয়া, ছোভিয়েট ইউনিয়ন আৰু মিত্ৰশক্তিৰ ফ্ৰান্সৰ প্ৰতিনিধিয়ে আটলাণ্টিক চুক্তিৰ উমৈহতীয়া নীতিসমূহ মানি লৈ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ১৯৪২ চনত ইয়াতকৈও বেছিসংখ্যক দেশে এখন উমৈহতীয়া ঘোষণা পত্ৰৰ জৰিয়তে আটলাণ্টিক চনদক সমৰ্থন জনায়। এই ঐতিহাসিক চুক্তিখন কাৰ্য্যকৰী কৰাৰ প্ৰথম পদক্ষেপ হিচাপে বৃটেইনে পৰাজিত জাৰ্মানীৰ ওপৰত সামৰিক তথা অৰ্থনৈতিক ক্ষেত্ৰত কিছু শিথিল নীতি গ্ৰহণ কৰিছিল। পৰাজিত দেশসমূহৰ ওপৰত কোনো অৰ্থনৈতিক বৈষম্য আৰোপিত নহওক, এই বিষয়ত এটা সহমত সৃষ্টি হৈছিল। আটলাণ্টিক চনদৰ ৩ নং দফাই প্ৰদান কৰা চৰকাৰ নিৰ্ধাৰণৰ অধিকাৰে প্ৰধানকৈ সমস্যাত পেলাইছিল ইংলণ্ড, ফ্ৰান্স, ছোভিয়েট ইউনিয়ন আৰু নেদাৰলেণ্ডৰ দৰে মিত্ৰশক্তিৰ দেশবোৰক, যিবোৰ দেশৰ আফ্ৰিকা আৰু এছিয়া মহাদেশত কেইবাখনো উপনিৰেশ আছিল। যদিও প্ৰথম অৱস্থাত ৰাষ্ট্ৰপতি ৰুছভেল্ট আৰু প্ৰধানমন্ত্ৰী চাৰ্চিল চুক্তিখন আফ্ৰিকা আৰু এছিয়া মহাদেশত প্ৰযোজ্য নহয় বুলি নীতিগতভাৱে সন্মত হৈছিল, কিন্তু পাছলৈ উপনিৰেশসমূহে স্বনিয়ন্ত্ৰণৰ অধিকাৰৰ বাবে দাবী প্ৰবল কৰি তুলিছিল। মহাত্মা গান্ধীয়ে ১৯৪২ চনত ৰুছভেল্টলৈ চিঠি লিখি জনাইছিল যে যেতিয়ালৈকে বৃটেইনে ভাৰতবৰ্ষ আৰু আফ্ৰিকীয় দেশসমূহক শোষণ কৰি থাকিব তেতিয়ালৈকে এই চনদত সন্নিৱিষ্ট ব্যক্তি স্বাধীনতা আৰু গণতন্ত্ৰৰ বাবে এখন নিৰাপদ বিশ্বৰ প্ৰতিশ্ৰুতি অসাৰ হৈ থাকিব। লাহে লাহে বিশ্বযুদ্ধৰ পাছত এই উপনিৰেশসমূহৰ আত্মনিয়ন্ত্ৰণৰ অধিকাৰ এই চনদেই আওপকীয়াকৈ নিশ্চিত কৰিছিল। ইয়াৰ উপৰি উত্তৰ আটলাণ্টিক মৈত্ৰী সংগঠন (North Atlantic Treaty Organisation, NATO), ব্যৱসায় আৰু মাচুলৰ সাধাৰণ চুক্তি (General Agreement on Tarriffs and Trade, GATT), ৰাষ্ট্ৰসংঘ (United Nations Organisation) আদি সংস্থা প্ৰতিষ্ঠাৰ বাটকটীয়া হৈছে আটলাণ্টিক চনদ। ২০২১ চনত এই চনদখন নতুন আটলাণ্টিক চনদ (New Atlantic Charter) হিচাপে নামকৰণ কৰি আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বাইডেন আৰু বৃটিছ প্ৰধানমন্ত্ৰী ব'ৰিছ জনচনে নবীকৰণ কৰে। ❖

## পুৰণি কীৰ্তিচিহ্ন, স্থাপত্য, ভাস্কৰ্য্য ইত্যাদি

# শ্ৰীসূৰ্য্য পাহাৰ

■ গায়ত্ৰী শইকীয়া

হিন্দু, জৈন আৰু বৌদ্ধ ধৰ্মৰ বিভিন্ন শৈলস্তূপ আদিৰে সমৃদ্ধ শ্ৰীসূৰ্য্য পাহাৰ গোৱালপাৰা চহৰৰ পৰা প্ৰায় ১৩ কিল'মিটাৰ আঁতৰত অৱস্থিত। 'আৰ্কিঅ'লজিকেল ছাৰ্ভে অফ ইণ্ডিয়াই (Archaeological Survey of India) শ্ৰীসূৰ্য্য পাহাৰত চলোৱা খনন কাৰ্য্যত আৱিষ্কৃত হোৱা প্ৰাচীন বৌদ্ধ বিহাৰ অষ্টম-নৱম শতাব্দীৰ বুলি বৈজ্ঞানিকসকলে মত প্ৰকাশ কৰিছে। অতীতত এই পাহাৰত সূৰ্য্য দেৱতাক আৰাধনা কৰা হৈছিল। পুৰাতাত্ত্বিকস্থলী হিচাপে বিবেচিত এই পাহাৰ আৰু কাষৰীয়া অঞ্চলত অৱস্থিত ৯৯৯৯টা শিৱলিংগ ইয়াৰ আন এক বিশেষত্ব। ইয়াত উদ্ধাৰ হোৱা প্ৰত্নতাত্ত্বিক ধ্বংসাৱশেষ আৰু ভাস্কৰ্য্যবোৰে পুৰণি অসমৰ বুৰঞ্জী, কাল, সংস্কৃতি আৰু ধৰ্মীয় দিশ সম্পৰ্কে আলোকপাত কৰে। শ্ৰীসূৰ্য্য পাহাৰক ভাৰতৰ পশ্চিম অঞ্চলৰ ইলোৰাৰ লগত তুলনা কৰা হয়। পঞ্জিকাৰ গণনা সম্পৰ্কীয় চক্ৰ আকাৰৰ চিত্ৰৰ দৰে নানা ৰেখাৰে অংকিত এটা শিল এই পাহাৰত আছে। এই শিলটোক সূৰ্য্য দেৱতাৰ প্ৰতীক বুলি ধৰা হয়। এই পাহাৰত অসংখ্য



নিৰ্মাণশৈলী পোৱা যায়। ইয়াত খোদিত থকা মূৰ্তিবোৰৰ দুটা মূৰ্তি থিয় অৱস্থাত ধ্যানমগ্ন হৈ আছে আৰু ইয়াৰ হাত দুখন বিশেষ ভংগিমাত আঁঠুৰ তললৈকে ওলমি আছে। আন এটা মূৰ্তি পাহাৰৰ ওপৰত আছে। ইয়াক আদিনাথ বুলি জনা যায়। কালিকাপুৰাণত উল্লেখ থকা অনুসৰি, আদিতে অসমৰ দুই ঠাইত সূৰ্য্য দেৱতাক আৰাধনা কৰা হৈছিল আৰু এই শ্ৰীসূৰ্য্য পাহাৰেই প্ৰথমটো বুলি চিনাক্তকৰণ কৰা হৈছে। সূৰ্য্য দেৱতাক উপাসনা কৰাৰ উদ্দেশ্যে শিলত খোদিত কৰা ফলক এখন এতিয়াও এই পাহাৰৰ মন্দিৰটোত আছে বুলি গৱেষকসকলে মত পোষণ কৰে। আনহাতে পুৰাতাত্ত্বিক গৱেষণাই আন এটা কথা স্পষ্ট কৰে যে, এই শিলত কাটি উলিওৱা ফলকখনৰ ভিতৰৰ অংশ প্ৰজাপতি আৰু বাহিৰৰ অংশ পদুম ফুলৰ ১২টা পাহিৰ দৰে। সেয়া সূৰ্য্যৰ বাৰটা বিভিন্ন নামেৰে চিহ্নিত। সেই নামবোৰ ক্ৰমে ধাৰ্তি, মিত্ৰ, আৰ্য্যমান, ৰুদ্ৰ, বৰুণ, সূৰ্য্য, ভ'গ, বিভাষণ, পুষণ, স্বাবিত্ৰী, বাস্ত্ৰী আৰু বিষ্ণু। শ্ৰীসূৰ্য্য পাহাৰত কাটি উলিওৱা শিৱলিংগ, দ্বাদশভুজা দুৰ্গা, বৌদ্ধস্তূপসমূহ, জৈন ধৰ্মৰ আদিনাথৰ মূৰ্তি, মহাবীৰৰ মূৰ্তি আৰু মহাদেৱ পাহাৰত থকা প্ৰাচীন স্মৃতিচিহ্নসমূহত ঐতিহাসিক সমল বিচাৰি পোৱা যায়।

শিৱলিংগৰ উপৰি দ্বাদশভুজা দুৰ্গা মূৰ্তি, গণেশ, সূৰ্য্য, বৌদ্ধ মূৰ্তি আৰু চন্দ্ৰ আদি দেৱতাৰ বিগ্ৰহ আৰু মূৰ্তি দেখিবলৈ পোৱা যায়। এই পাহাৰত সাতটা চূড়া আছে, যাৰ বাবে ইয়াৰ আন এটা নাম সাতালী পৰ্বত। এই অঞ্চলৰ আটাইতকৈ উল্লেখযোগ্য আন এক ভাস্কৰ্য্য হ'ল আদিত্য চক্ৰ। শিলত খোদিত কৰা এই চক্ৰৰ সোঁমাজত কাশ্যপ আৰু তাৰ চাৰিওফালে ১২ জন আদিত্য বহি আছে। উৰিষ্যাৰ নৱগ্ৰহ চক্ৰৰ লগত আদিত্য চক্ৰৰ মিল দেখা পোৱা যায়।

শ্ৰীসূৰ্য্য পাহাৰত থকা প্ৰায় চাৰিফুটমান ওখ তিনিটা স্তূপৰ পৰা দুশ গজমান দক্ষিণে পাহাৰৰ কাষত প্ৰকাণ্ড শিলৰ গুহা এটা আছে। সেই গুহাৰ ভিতৰত থকা শিলৰ গাত কেইটামান মূৰ্তি কটা আছে। এটা মূৰ্তিৰ লগত ধৰ্মচক্ৰ সংযোজিত থকা বাবে সেয়া বুদ্ধমূৰ্তি বুলি সহজে চিনাক্ত কৰিব পাৰি। এটা সময়ত বৌদ্ধসকলে সূৰ্য্য পূজা কৰিছিল বাবে সকলো বৌদ্ধ মন্দিৰতে সূৰ্য্য পূজাৰ পৰম্পৰা প্ৰচলিত আছিল। সূৰ্য্যৰ কিৰণক বৌদ্ধসকলে বুদ্ধৰ অলৌকিক আশীৰ্বাদ, জ্ঞান আৰু কৰুণা বুলি বিশ্বাস কৰি পূজা কৰিছিল। বৌদ্ধ ধৰ্মত পানীক সকলোতকৈ পৱিত্ৰ অৰ্ঘ্য বুলি বিবেচনা কৰা হয়। বৌদ্ধ ক্ষেত্ৰ তথা সূৰ্য্য আৰাধনাৰ স্থান হোৱাৰ বাবে এই পাহাৰৰ নাম শ্ৰীসূৰ্য্য পাহাৰ হয়। ইয়াত থকা বৌদ্ধ ধৰ্মৰ স্তূপবোৰ বিভিন্ন আকৃতিৰ আৰু সেইবোৰক বৌদ্ধ ধৰ্মৰ হীনযান আৰু মহাযান শাখাৰ বুলি অনুমান কৰিব পাৰি। এই পাহাৰত জৈন ধৰ্মৰ মূৰ্তি, শিলালিপি আৰু ভাস্কৰ্য্যৰ

ব্ৰহ্মপুত্ৰ উপত্যকাৰ অন্তৰ্গত গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য্য পাহাৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ইতিহাসসমৃদ্ধ সম্পদেৰে পৰিপূৰ্ণ এখন প্ৰত্নতাত্ত্বিক স্থান। ইয়াৰ সুদৃশ্য নিজৰাই পাহাৰখনৰ নৈসৰ্গিক দৃশ্য আৰু অধিক মনোৰম কৰি তুলিছে। গোৱালপাৰা আৰু শ্ৰীসূৰ্য্য পাহাৰৰ সমীপৱৰ্তী মৰনৈতো বহু ভাস্কৰ্য্য উদ্ধাৰ হৈছে। বৰ্তমানৰ এই সূৰ্য্য পাহাৰক বৌদ্ধ তীৰ্থ তথা বৌদ্ধ ধৰ্মৰ পৱিত্ৰ স্থান বুলিও গণ্য কৰা হয়। ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপ বিভাগৰ খনন কাৰ্য্যত উদ্ধাৰ হোৱা বহুতো পৌৰাণিক সম্পদ শ্ৰীসূৰ্য্য পাহাৰত থকা সংগ্ৰহালয়ত প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। ❖

# চুড'কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড'কু ২০০


| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 7 | 3 | 1 | 2 | 6 | 5 | 8 | 9 | 4 |
| 6 | 4 | 5 | 9 | 8 | 3 | 1 | 7 | 2 |
| 8 | 2 | 9 | 4 | 7 | 1 | 5 | 3 | 6 |
| 4 | 1 | 7 | 6 | 3 | 9 | 2 | 5 | 8 |
| 2 | 6 | 3 | 8 | 5 | 4 | 7 | 1 | 9 |
| 5 | 9 | 8 | 1 | 2 | 7 | 4 | 6 | 3 |
| 3 | 5 | 4 | 7 | 9 | 2 | 6 | 8 | 1 |
| 9 | 8 | 2 | 5 | 1 | 6 | 3 | 4 | 7 |
| 1 | 7 | 6 | 3 | 4 | 8 | 9 | 2 | 5 |

## চুড'কু ২০১

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 3 | | | 7 | | 6 | |
| | | 7 | 8 | | | 2 | | |
| | | | | | | | 3 | |
| | | | | 5 | | | | 1 |
| | | 5 | 4 | | 8 | 3 | 7 | 9 |
| | 3 | | 2 | 7 | 9 | 6 | 4 | |
| 5 | | | | | | | | 3 |
| | 7 | 6 | 3 | 9 | 4 | | | |
| | | 4 | | | 5 | | 8 | |

## তোমালোকে জানানে?

# গ্ৰীণ হাউছ এফেক্ট




পৃথিৱীপৃষ্ঠৰ পৰা প্ৰতিফলিত হোৱা সূৰ্য্যৰ ৰশ্মি বায়ুমণ্ডলৰ অত্যধিক মাত্ৰাত থকা কাৰ্বন ডাইঅক্সাইডে শোষণ কৰাৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ পৰিঘটনাকে গ্ৰীণ হাউছ এফেক্ট বা সেউজ গৃহ প্ৰভাৱ (green house effect) বোলা হয়।

শীতপ্ৰধান অঞ্চলত যিবোৰ গছ-গছনিয়ে শীত সহ্য কৰিব নোৱাৰে তেনেবোৰ গছ-গছনিক কাচৰ ঘৰত, অৰ্থাৎ সেউজ গৃহ বা গ্ৰীণ হাউছত অপেক্ষাকৃতভাৱে উষ্ণ পৰিৱেশত ৰখা হয়। কাচৰ মাজেৰে পাৰ হৈ অহা সূৰ্য্য ৰশ্মি প্ৰতিফলিত হওঁতে সূৰ্য্যৰ ৰশ্মিৰ কিছু অংশ কাচে শোষণ কৰি বাকী অংশ পুনৰ সেউজ গৃহৰ ভিতৰলৈ প্ৰতিফলিত কৰাৰ ফলত ভিতৰৰ উষ্ণতা বৃদ্ধি পায়। ঔদ্যোগীকৰণ, বন-বননি ধ্বংস আদিৰ ফলত বায়ুমণ্ডলত সৃষ্টি হোৱা ক্ৰমবৰ্ধমান কাৰ্বন ডাইঅক্সাইডৰ পৰিমাণে সেউজ গৃহৰ কাচৰ দৰে কাম কৰি বায়ুমণ্ডলৰ উষ্ণতা বঢ়াইছে। এয়ে গ্ৰীণ হাউছ এফেক্ট। ❖

উৎস : শান্তনু কৌশিক বৰুৱাৰ 'জ্ঞানাঞ্জন'।

# অসমীয়া ফকৰা-যোজনা

## কলতে ঢোকা ৰওক, ঢোকাতে কল ৰওক



কলগছ এজোপাত যেতিয়া কল লাগে, তেতিয়া কলৰ ভৰত গছজোপা কেতিয়াবা হালি পৰাৰ উপক্ৰম হয়, তেনে সময়ত কলজোপা যাতে ভাগি নপৰে তাৰ বাবে কলজোপাত ঢোকা এডাল দিয়া হয়। ঢোকা দিলে কলজোপা আৰু ঢোকা উভয়ে নপৰাকৈ থিয় হৈ থাকে। ঢোকাডাল মাটিত পুতি দিয়া নহয়। কলজোপাৰ হেঁচাতে ঢোকাডাল থিয় দি থাকে। এই যোজনাফাকিৰ অৰ্থ হ'ল সমিলমিলেৰে কাম কৰিলে দুয়ো পক্ষৰে লাভ হয়।

**প্ৰায়োগিক বাক্য : হেৰৌ তেনেকৈ আঁকোৰগোঁজ হৈ থাকিলে কাম কেনেকৈ সিজিব? অলপমান বুজা-পৰা কৰিবলৈ শিকচোন—কলতে ঢোকা ৰওক, ঢোকাতে কল ৰওক।** ❖

## কমাৰৰ চিকুণ অস্ত্ৰ, ধোবাৰ চিকুণ বস্ত্ৰ

কমাৰে লোৰ বিভিন্ন সামগ্ৰী গঢ় দিয়ে, অস্ত্ৰও গঢ়ে। অস্ত্ৰ বা সামগ্ৰী নিৰ্মাণৰ মান চাই কমাৰৰ দক্ষতা নিৰূপণ কৰিব পাৰি। আনহাতে ধোবাই ধোৱা কাপোৰ চায়ো ধোবাৰ নিপুণতাৰ বিষয়ে জানিব পাৰি। অৰ্থাৎ কৰ্মৰ ফলাফল চাইহে কোনো মানুহৰ যোগ্যতা আৰু দক্ষতা বুজিব পাৰি।



**প্ৰায়োগিক বাক্য : তই আৰু এইবোৰ কামত দক্ষতা নাই বুলি ক'লে আমি মানি ল'মনে— হাতৰ কামেই তোৰ পৰিচয়—কথাতে কয় নহয়, 'কমাৰৰ চিকুণ অস্ত্ৰ, ধোবাৰ চিকুণ বস্ত্ৰ'।** ❖

# শিল্পী দিৱস

অসমীয়া সংস্কৃতিলৈ অনৰদ্য অৱদান আগ বঢ়াই থৈ যোৱা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ সশ্ৰদ্ধ সোঁৱৰণত 'শিল্পী দিৱস' পালন কৰা হয়। শিল্পী দিৱস হৈছে ৰূপকোঁৱৰৰ মৃত্যু দিন। অসমৰ এগৰাকী প্ৰসিদ্ধ গীতিকাৰ, নাট্যকাৰ, লেখক তথা অসমীয়া চলচ্চিত্ৰৰ প্ৰথমগৰাকী নিৰ্মাতা হিচাপে তেওঁৰ প্ৰতিভা সৰ্বজনবিদিত। ১৯০৩ চনৰ ১৭ জুনত উজনি অসমৰ ডিব্ৰুগড় জিলাৰ মদাৰখাট মৌজাৰ তামোলবাৰী চাহ বাগিচাত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম হৈছিল। অসামান্য প্ৰতিভাৰ অধিকাৰী জ্যোতিপ্ৰসাদে শোণিত কুঁৱৰী, লভিতা, কাৰেঙৰ লিগিৰী, ৰূপালীম, নিমাতী কইনা আদি নাট ৰচনা কৰাৰ লগতে প্ৰায় তিনিশমান গীত ৰচনা কৰি নিজে সুৰ দিছিল। এই গীতবোৰক 'জ্যোতিসংগীত' বুলি কোৱা হয়। আনহাতে জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰায় একক প্ৰচেষ্টাতে অসমীয়া চলচ্চিত্ৰৰ যাত্ৰাৰম্ভ হয়। ১৯৩৫ চনত তেওঁ 'জয়মতী' চলচ্চিত্ৰ আৰু ১৯৩৯ চনত 'ইন্দ্ৰমালতী' চলচ্চিত্ৰ নিৰ্মাণৰ জৰিয়তে অসমীয়া সাংস্কৃতিক জগতখনলৈ গুৰুত্বপূৰ্ণ অৱদান আগ বঢ়াই গৈছে। শিশু কবিতা, গল্প, কবিতা আদিতো তেওঁৰ প্ৰতিভাৰ স্বাক্ষৰ পোৱা যায়। ১৯৫১ চনৰ ১৭ জানুৱাৰীত আগৰৱালাদেৱৰ দেহাৱসান ঘটিছিল। তেওঁৰ স্মৃতিত ১৯৫৩ চনৰ ১৭ জানুৱাৰী তাৰিখে এক অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। প্ৰথম অৱস্থাত এই দিৱসটোক 'জ্যোতি দিৱস' হিচাপে পালন কৰা হৈছিল। পৰৱৰ্তী সময়ত ইয়াক 'শিল্পী দিৱস' হিচাপে নামকৰণ কৰা হয়। প্ৰথমবাৰৰ বাবে এই দিৱস গুৱাহাটী আৰু বৰপেটাত পালন কৰা হৈছিল। এই কাৰ্য্যসূচীত আগভাগ লৈছিল ড° ভূপেন হাজৰিকা আৰু হেমাংগ বিশ্বাসে। বৰ্তমান সময়ত ৰাজ্যজুৰি বিভিন্ন কাৰ্য্যসূচীৰে শিল্পী দিৱস উদ্‌যাপন কৰা হয়। ❖

# টি আৰ পি কি?




টেলিভিছনৰ বিভিন্ন অনুষ্ঠানৰ লগত জড়িত এটা শব্দ হ'ল টিআৰপি। টেলিভিছন ৰেটিং পইণ্ট (Television Rating Point) শব্দকেইটাৰ অদ্যাক্ষৰেৰে সংক্ষেপে টিআৰপি (TRP) বুলি লিখা আৰু কোৱা হয়। ক্ৰিকেট খেলত যেনেদৰে পইণ্ট পদ্ধতিৰে একোখন দেশ বা খেলুৱৈৰ স্থান নিৰ্ণয় কৰা হয়, তেনেদৰে টিআৰপিৰ জৰিয়তে একোটা টিভি কেন্দ্ৰই সম্প্ৰচাৰ কৰা বিভিন্ন কাৰ্য্যসূচীৰ জনপ্ৰিয়তা পইণ্ট হিচাপত নিৰ্ণয় কৰি ৰাজ্য বা

দেশৰ সমূহ টিভি কেন্দ্ৰৰ মাজত নিৰ্দিষ্ট কেন্দ্ৰটোৰ স্থান নিৰূপণ কৰা হয়। ইয়াৰ দ্বাৰা কেন্দ্ৰটোৰ কাৰ্য্যসূচীসমূহৰ গ্ৰহণযোগ্যতা জানিব পৰা যায়। তদুপৰি বিজ্ঞাপনদাতাৰ বাবেও টিআৰপিৰ বিশেষ মূল্য আছে। মানসম্পন্ন টিআৰপি নথকা টিভি কেন্দ্ৰক সাধাৰণতে বিজ্ঞাপনদাতাই বিশেষ গুৰুত্ব দিব নোখোজে।

টিআৰপি নিৰ্ণয়ৰ বাবে কিছুমান স্থানত কৰ্তৃপক্ষই তথ্য সংগ্ৰহকাৰী যন্ত্ৰ স্থাপন কৰে। ইয়াক টিআৰপি মেচিন বুলিয়েই জনা যায়। কিছুমান পৰিয়ালক নমুনা হিচাপে লৈ তেওঁলোকৰ টিভি ছেট টিআৰপি মেচিনৰ লগতে সংলগ্ন কৰা হয়। টিআৰপি মেচিনে সেই পৰিয়ালসমূহে প্ৰতি মুহূৰ্তত উপভোগ কৰা টিভি কাৰ্য্যসূচীসমূহ ৰেকৰ্ড কৰি ৰাখে। তেনে একোটা নমুনা পৰিয়ালে সপ্তাহৰ কিমান সময় কোনো এটা টিভি কেন্দ্ৰৰ কি কি কাৰ্য্যসূচী উপভোগ কৰে তাৰ ওপৰত ভিত্তি কৰি নম্বৰ বা পইণ্ট দিয়ে টিআৰপি নিৰ্ণায়ক কৰ্তৃপক্ষই। ইয়াৰ মুঠ নম্বৰেই একোটা টিভি কেন্দ্ৰৰ এসপ্তাহৰ মুঠ টিআৰপি। ❖

## গ্ৰীটিংছ কাৰ্ডৰ পৰম্পৰা




'গ্ৰীটিংছ কাৰ্ড'—এই শব্দটোৰ সৈতে আমি সকলোৰে পৰিচিত। গ্ৰীটিংছ কাৰ্ড বুলি ক'লে শুভেচ্ছা, অভিনন্দন, অভিবাদন আদি জনাই প্ৰেৰণ কৰা শুভেচ্ছা পত্ৰকে আমি বুজোঁ। ফেচবুক, ৱাটছ্এপ, টুইটাৰ আদি সামাজিক মাধ্যমসমূহ জনপ্ৰিয় হৈ উঠাৰ পূৰ্বে গ্ৰীটিংছ কাৰ্ড হৈ পৰিছিল আপোনজনক নৱবৰ্ষৰ শুভেচ্ছা জনোৱাৰ অপৰিহাৰ্য্য মাধ্যম। বৰ্তমান সময়ত ইয়াৰ জনপ্ৰিয়তা কিছু পৰিমাণে কমিছে যদিও ইয়াৰ গুৰুত্ব তথা ব্যৱহাৰ কমা নাই।

আধুনিক গ্ৰীটিংছ কাৰ্ডৰ প্ৰচলনৰ পূৰ্বে বিভিন্ন ঠাইত বিভিন্ন ধৰণে শুভেচ্ছামূলক উপহাৰ, ফুলৰ থোপা, সুগন্ধি তেল সনা কাপোৰ, ৰঙীন কাঠ আদি দিয়াৰ পৰম্পৰা আছিল। আধুনিক গ্ৰীটিংছ কাৰ্ডৰ জন্মদাতা বুলি ইংলণ্ডৰ যোছেফ চি হৰ্চলি (Joseph C Horchley) নামৰ লোকজনক কোৱা হয়। ১৮৪৩ চনত যোছেফে তেওঁৰ প্ৰিয়বন্ধু ছাৰ হেনৰী ক'ললৈ বৰদিনৰ শুভেচ্ছা জনাই দিয়া কাৰ্ডখনকে প্ৰথম আধুনিক গ্ৰীটিংছ কাৰ্ড বুলি কোৱা হয়। প্ৰথম মহাসমৰৰ সময়ৰ পৰা গ্ৰীটিংছ কাৰ্ডৰ ব্যৱহাৰ দ্ৰুতগতিত আৰম্ভ হয়। সেই সময়ত সৈনিকসকলে ঘৰৰ পৰা দূৰৈত যুদ্ধত ব্যস্ত থাকিবলগীয়া হৈছিল। সেয়েহে বৰদিন অথবা নতুন বছৰৰ আৰম্ভণিত সৈনিকসকলে পৰিয়াল তথা আত্মীয়-স্বজনক সুঁৱৰি শুভেচ্ছা পত্ৰ প্ৰেৰণ কৰিছিল। দ্বিতীয় মহাসমৰে এই পৰম্পৰা অধিক জনপ্ৰিয় কৰি তোলে। ফলত সমগ্ৰ বিশ্বতে গ্ৰীটিংছ কাৰ্ড বহুলভাৱে ব্যৱহৃত হয়। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শুৱলা ভাষা

আমি সততে ভুল কৰি থকা কেইটিমান শব্দৰ শুদ্ধৰূপ এনে ধৰণৰ—

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| বিদেহী | বিদেহ | মানুহজনৰ বিদেহ আত্মাৰ সদ্‌গতি কামনা কৰিলোঁ। |
| অত্যাধিক | অত্যধিক | অত্যধিক মূল্যবৃদ্ধিৰ বাবে সাধাৰণ ৰাইজৰ বহু সমস্যা হৈছে। |
| একেধাৰে | একাধাৰে | তেওঁ একাধাৰে সাহিত্যিক, সাংবাদিক, গীতিকাৰ আৰু চিত্ৰকৰ। |
| লগালগ | লগে লগে | বেল বজাৰ লগে লগে ছাত্ৰ-ছাত্ৰীবোৰ শ্ৰেণীকোঠাৰ পৰা ওলাই আহিল। |
| অন্নশন | অনশন | প্ৰতিবাদী সংগঠনটোৱে আমৰণ অনশন কাৰ্য্যসূচী গ্ৰহণ কৰিছে। |
| যোনে | যিজনে/যিয়ে | যিয়ে ভালদৰে পঢ়া-শুনা কৰে, তেৱেঁই ভাল ফল লাভ কৰে। ❖ |

## গণৰাজ্য দিৱস

ভাৰতৰ জনগণৰ বাবে প্ৰতি বছৰৰ ২৬ জানুৱাৰীৰ দিনটোৰ বিশেষ গুৰুত্ব আছে। ১৯৫০ চনৰ এই দিনটোতে ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫ (Government of India Act, 1935) সলনি ভাৰতৰ সংবিধানখন গৃহীত হৈছিল। এই সংবিধানখন ভাৰত ৰাষ্ট্ৰ পৰিচালনাৰ নথিৰূপে পৰিগণিত হৈছিল। ড° ভীমৰাও ৰামজী আম্বেদকাৰ ভাৰতৰ সংবিধানৰ খচৰা সমিতিৰ অধ্যক্ষ আছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতবৰ্ষক পূৰ্ণাংগ গণৰাজ্য হিচাপে ঘোষণা কৰা হয়। লক্ষ্যণীয় যে এই দিৱস ২৬ জানুৱাৰীত পালন কৰাৰ আন এক কাৰণ হৈছে যে ১৯৩০ চনৰ এই দিনটোতে ভাৰতীয় জাতীয় কংগ্ৰেছে দেশখনক সম্পূৰ্ণ স্বাধীন বুলি ঘোষণা কৰিছিল। পূৰ্ণ স্বৰাজ ঘোষণা কৰা তাৰিখ ১৯৩০ চনৰ ২৬ জানুৱাৰী দিনটো অতি গুৰুত্বপূৰ্ণ বুলি গণ্য কৰা হৈছিল আৰু সেয়েহে ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধানখন কাৰ্য্যকৰী কৰা হয়। ভাৰতীয় সংবিধান বিশ্বৰ সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ ভিতৰত দীৰ্ঘতম লিখিত সংবিধান। এই সংবিধানত মুঠ ২৫টা অধ্যায়, ৪৭০টা অনুচ্ছেদ আৰু ১২টা অনুসূচী আছে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## অসমৰ নদ-নদী

**ধনশিৰি নদী (ইংৰাজী : Dhansiri River) :** ধনশিৰি নদীখন নাগালেণ্ডৰ লাইছাং শৃংগৰ পৰা উৎপত্তি হৈছে। এই নদীখন নাগালেণ্ডৰ পৰা নামি অসমৰ উত্তৰ কাছাৰ, কাৰ্বি আংলং আৰু গোলাঘাট জিলাৰ মাজেৰে বৈ গৈছে। ইয়াৰ মুঠ দৈৰ্ঘ্য ৩৫২ কিল'মিটাৰ। এই নৈৰ অৱবাহিকাৰ মুঠ কালি হৈছে ১২২০ বৰ্গ কিল'মিটাৰ। ধনশিৰিৰ আনটো নাম ডিমা। বড়ো ভাষাত ডি মানে ডাঙৰ আৰু বিশাল, গতিকে ধনশিৰি নৈৰ অৰ্থ বৰ নৈ। দৈয়াং নৈখন ইয়াৰ প্ৰধান উপনৈ। তদুপৰি বৰ্তমান ভোগদৈ আৰু কাকডোঙাৰ পানী গেলাবিলেদি বৈ আহি ধনশিৰিৰ একেবাৰে নামনিত পৰিছে, সেইবাবে এইকেইখন নৈ বৰ্তমান ধনশিৰিৰে উপনৈ স্বৰূপ হৈ পৰিছে। ধনশিৰি নদীৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত বিভিন্ন জীৱ-জন্তু পোৱা যায়। ইয়াৰ একাষে ধনশিৰি সংৰক্ষিত বনাঞ্চল আৰু আনটো কাষত ইণ্টাংকি ৰাষ্ট্ৰীয় উদ্যান (Intanki National Park)। ❖



**ভোগদৈ নৈ (ইংৰাজী : Bhogdoi River) :** ভোগদৈ নৈখনৰ পুৰণি নাম দিচৈ নৈ। নৈখন নগা পাহাৰত উৎপত্তি হৈ যোৰহাট নগৰৰ মাজেদি বৈ এসময়ত ব্ৰহ্মপুত্ৰত পৰিছিল যদিও বৰ্তমান নৈখন পশ্চিমৰ কাকডোঙাৰ লগ লাগি গেলাবিল নৈয়েদি গৈ ধনশিৰি নৈতহে পৰিছে। দিচৈ বা ভোগদৈৰ আগলি অংশটো নাগালেণ্ডৰ মেকংচাং অঞ্চলৰ লং চামটাঙৰ ওচৰত ওলাইছে। তাৰ পৰা ছুইং নৈ নামেৰে প্ৰথমে দক্ষিণ-পশ্চিমমুৱা হৈ পৰ্বতৰ মাজেদি ২৫ কিল'মিটাৰ পথ বৈ আহি এটা চুলিত মৰা কাঁটাৰ দৰে ভাঁজ লৈ উত্তৰ-পূবমুৱা হৈ নাম লয় চুৰং। এইদৰে নৈখনে ১২ কিল'মিটাৰ আহি দিচৈ সংৰক্ষিত বনাঞ্চলৰ দক্ষিণত অসমৰ যোৰহাট জিলাৰ সীমাৰ ভিতৰত সোমায়। এই আন্তঃৰাজ্যিক সীমাতে উক্ত সীমাইদি উত্তৰ-পশ্চিমৰ পৰা অহা পুকালো ঘোকি নামৰ জান এখন চুৰং নৈত পৰিছে। ইয়াৰ পৰাই নৈখনক দিচৈ নামেৰেও জনা যায়। এই ঠাইৰ পৰা দিচৈ বা চুৰং নৈখন উত্তৰ-পূবমুৱা হৈ অসম, নাগালেণ্ডৰ মাজৰ সীমাৰূপে প্ৰায় ২৪ কিল'মিটাৰ পথ বৈ আহিছে। এই পাহাৰীয়া পথছোৱাত ভালেমান জান-জুৰি ভোগদৈত পৰিছে। ভোগদৈ নৈৰ অৱবাহিকাৰ কালি ৯৪২ বৰ্গ কিল'মিটাৰ। খৰালি নৈখন তেনেই তৰাং হৈ পৰে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী |
|---|---|
| বীমা | insurance |
| ডাক বীমা | postal insurance |
| একত্ৰীকৰণ | integration |
| অন্য কথাৰ মাজতে | inter alia |
| আগভেটি ধৰা | intercept |
| সুদ, আগ্ৰহ | interest |
| চক্ৰবৃদ্ধি সুত | compound interest |
| সৰল সুত | simple interest |
| পৰিকল্পনা কৰা, প্ৰবল, তীব্ৰ | intense |
| হস্তক্ষেপ কৰা | interfere |
| ব্যাখ্যা | explanation |
| দোভাষী | interpreter |
| ব্যাঘাত, হস্তক্ষেপ | interruption |
| ব্যৱধান, অন্তৰাল | interval |

| অসমীয়া | ইংৰাজী |
|---|---|
| হস্তক্ষেপ, অন্তৰায় | intervention |
| ঘনিষ্ঠতা | intimacy |
| ভাবুকি | intimidation |
| ৰদ হোৱা | invalid |
| উদ্ভাৱন | invention |
| বস্তুৰ সম্পূৰ্ণ তালিকা | inventory |
| অনুসন্ধান কৰা | investigate |
| বিনিয়োগ | investment |
| মূল্যসহ বিভিন্ন বস্তুৰ সূচী | invoice |
| দায়িত্বহীন | irresponsible |
| অপ্ৰতিৰোধ্য | irresistable |
| নিৰ্বিশেষে, গ্ৰাহ্য নকৰা | irrespective of |
| জলসিঞ্চন | irrigation |
| পদ, বস্তু | item |
| কাৰাগাৰ, ফাটেক | jail |
| অলংকাৰ, ৰত্ন | jewellery ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*


## Stories from World Classics

# Heidi

■ **Nisha Devi**

*(Continued from December Issue, 2023)*

In desperation Fraulein shares the news about the ghost to Clara and Heidi. Clara is terrified and wants her father to come home. Herr Sesemann returns home to check on the situation. He asks one of the servants to ask the doctor to come to the house at 9.00 p.m. that evenning.




The doctor arrives and Herr Sesemann tells him about the mystery of the ghost. The doctor plans to stay for the night at Sesemann's house. At precisely one o'clock the doctor hears a noise. The men arm temselves with a light and a revolver and go to the front door. The moonlight from the open door lands on a white figure standing in the doorway. It is Heidi in a white nightgown, sad and frightened. The doctor escorts her back to her room and talks with her. He discovers that Heidi is very sad and this is causing her to sleep-walk. The doctor shares his thoughts with Herr Sesemann and recommends that Heidi should return to the mountain to be with Grandfather. Herr Sesemann decides to send Heidi to her Grandfather. He wakes Clara up and sits with her. Her Sesemann explains that Heidi is in a very anxious state which has caused her to sleep walk. Clara wants Heidi to stay but her father makes her understand Heidi's situation.

Sesemann tells Heidi that she is going home after breakfast. She heads upstairs to say goodbye to Clara and gather her things. Clara shows Heidi what she has packed for her in the trunk. The girls say their farewells. Heidi thanks Sesemann and asks him to thank the doctor as well. Soon Heidi with one of the Sesemann's servants are on the railway carriage. They arrive in Mayanfield and the servant seeks a safe journey to Dorfli for Heidi. A man from the Dorfli village offers to take Heidi and her belongings to the village. The servant gives Heidi an important parcel from Herr Sesemann and a letter for Grandfather.

The miller and Heidi talk about Grandfather on their ride. Heidi stops at grandmother's place on the way to Grandfather's hut to surprise grandmother and Brigitta. Heidi then says goodbye to them and heads to Grandfather's hut. She takes in the beautiful scenery, trees, flowers and all as she goes thinking how grateful she is to God. Heidi's arrival surprises Grandfather and he cannot stop his tears of happiness. ❖

# Angel Falls

**■ Pallavi Dutta**

'Angel Falls' refers to a geographical feature, which is the world's highest uninterrupted waterfall. Angel Falls is located in the Canaima National Park in the Gran Sabana region of Venezuela in South America. The falls are named after Jimmy Angel, a US aviator, who was the first to fly over the falls in 1933.

Angel Falls has a total height of 3,212 feet (979 metres) and a continuous drop of 2,648 feet (807 metres). This makes it the highest waterfall in the world. The falls are fed by the waters of the Churún River, which is a tributary of the Carrao River. The Canaima National Park, where these falls are located, is a UNESCO World Heritage Site. The park is known for its dramatic landscapes, including table mountains (tepui), dense forests and savannahs.

Angel Falls is a popular destination for nature enthusiasts and adventure seekers. However the falls are located in a remote area and reaching them involves a journey by river and a challenging hike. The spectacular views and the sheer height of the falls make it a remarkable and iconic natural wonder. ❖

# Constellations

A constellation is a group of stars that, when viewed from Earth, form a recognizable pattern or design. These patterns often represent mythological characters, animals or objects. Constellations have been identified and named by various cultures throughout the history and they serve as a way for people to navigate the night sky and tell stories.Different cultures have their own constellations and associated myths or stories. For example, Orion is a well-known constellation in Greek mythology, representing a hunter.

Constellations are essentially arbitrary groupings of stars that appear to form a particular shape or figure as seen from Earth. The stars in a constellation might be at vastly different distances from Earth, but they appear close together in the sky due to their alignment.Constellations are not physical groupings of stars in space. The stars in a constellation may be light-years apart from each other, and their apparent proximity is a result of their alignment as seen from Earth. In the past, constellations were important for navigation, with sailors and travellers using them as celestial landmarks. Today, modern navigation relies on more precise methods, but constellations still have cultural and educational significance.

The International Astronomical Union (IAU) officially recognizes 88 constellations, dividing the entire celestial sphere into designated areas.Some well-known constellations include the Big Dipper (part of Great Bear), Orion, Cassiopeia and the Southern Cross. These constellations are often visible in different parts of the world at different times of the year, depending on the observer's location and the Earth's position in its orbit around the Sun. ❖

# ছুপাৰছনিক বিমান

■ অংগনা বৰা

শব্দই সাধাৰণতে সাগৰপৃষ্ঠত ২০° ছেলছিয়াছ উষ্ণতাত প্ৰায় ১২২৫ কিমি. প্ৰতি ঘণ্টা বেগেৰে গতি কৰে। শব্দতকৈও বেগী বস্তুবোৰকে 'ছুপাৰছনিক' (supersonic) আখ্যা দিয়া হয়। ছুপাৰছনিক বিমান হৈছে শব্দৰ গতিতকৈ অধিক বেগেৰে যাত্ৰা কৰিব পৰাকৈ নিৰ্মাণ কৰা বিমান। এনে ধৰণৰ বিমানৰ বেগক 'মেক' এককেৰে বুজোৱা হয়। মেক হ'ল কোনো বস্তুৰ বেগ আৰু শব্দৰ বেগৰ মাজৰ অনুপাত।

২০ শতিকাৰ আৰম্ভণিৰ পৰাই ছুপাৰছনিক বিমানৰ বিকাশ ঘটিছিল। ১৯৪৭ চনত আমেৰিকাৰ বেল X-1 বিমানখনে পোনপ্ৰথমবাৰৰ বাবে শব্দৰ বেগেৰে যাত্ৰা কৰি অভিলেখ গঢ়ে। ইংলণ্ড আৰু ফ্ৰান্সত নিৰ্মাণ কৰা 'কনকৰ্ড' (concorde) নামৰ যাত্ৰীবাহী ছুপাৰছনিক বিমানখনে ১৯৭৬ চনৰ পৰা ২০০৩লৈকে ইউৰোপ আৰু আমেৰিকাৰ মাজত বাণিজ্যিকভাৱে চলাচল কৰিছিল। এই বিমানখনে শব্দতকৈ দুগুণ বেগত গতি কৰিছিল। ছুপাৰছনিক বিমান নিৰ্মাণত উন্নত বায়ুগতি বিদ্যা (aerodynamics) আৰু প্ৰক্ষেপণ (projecite) প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। সাধাৰণ বিমানৰ তুলনাত ছুপাৰছনিক বিমানৰ সন্মুখৰভাগ অধিক জোঙা আৰু সংকীৰ্ণ হয়। ফলত বায়ুমণ্ডলৰ ঘৰ্ষণ সহজে অতিক্ৰম কৰিব পাৰে। এনে বিমানৰ পাখি দুখনো সুকীয়া ধৰণৰ, যিয়ে বিমানখন উৰাৰ সময়ত স্থিৰতা প্ৰদান কৰে। ছুপাৰছনিক বিমানত ৰকেট প্ৰযুক্তিৰে নিৰ্মিত জেট ইঞ্জিন ব্যৱহাৰ কৰা হয়। ইয়াৰ প্ৰক্ষেপণ ক্ষমতা অধিক। ফলত বিমানখনে উৰিবৰ বাবে অধিক গতিশক্তি লাভ কৰে।

কোনো বস্তুৱে শব্দতকৈ অধিক বেগেৰে যাত্ৰা কৰোঁতে আৰম্ভণিতে এক ডাঙৰ শব্দৰ সৃষ্টি হয়। ইয়াকে 'ছুপাৰছনিক বুম' (supersonic boom) আখ্যা দিয়া হয়। এই শব্দৰ তীব্ৰতা ইমান বেছি যে ই কাষতে থকা ঘৰৰ কাচ ভাঙি পেলাব পাৰে, দেৱালতো ফাট মেলে। বৰ্তমানে ছুপাৰছনিক বিমানসমূহক উন্নত প্ৰযুক্তিৰে মসৃণ আকৃতিযুক্ত কৰি তোলা হৈছে যাতে ছুপাৰছনিক বুমৰ তীব্ৰতা হ্ৰাস হয়। তদুপৰি ছুপাৰছনিক বিমানত উন্নত ধৰণৰ প্ৰযুক্তি আৰু চেন্সৰ (sensor) ব্যৱহাৰ কৰা হয়। বিমান চালকক সুকলমে অধিক বেগেৰে বিমানখন চলাই নিবলৈ সহায় কৰে। এই বিমান চালকসকলো অধিক দক্ষ, কাৰ্য্যক্ষম তথা অভিজ্ঞতাসম্পন্ন হোৱাটো বাঞ্ছনীয়।

সাধাৰণ বিমানতকৈ ছুপাৰছনিক বিমান অধিক বেগী হোৱাৰ বাবে কম সময়ত অধিক দূৰত্ব অতিক্ৰম কৰিব পাৰে। কিন্তু এনে বিমানত যথেষ্ট পৰিমাণে ইন্ধনৰ প্ৰয়োজন হয়। অধিক পৰিমাণৰ ইন্ধন কঢ়িয়াই নিবলগীয়া হোৱা বাবে এনে বিমানৰ দুৰ্ঘটনা হোৱাৰ সম্ভাৱনা বেছি। ২০০০ চনত প্ৰথম বাণিজ্যিক ছুপাৰছনিক বিমান 'কনকৰ্ড' অৱতৰণৰ সময়ত দুৰ্ঘটনাত পতিত হোৱাৰ পাছত ২০০৩ চনৰ পৰা বৰ্তমানলৈকে কনকৰ্ড বিমানৰ চলাচল সাময়িকভাৱে বন্ধ কৰি দিয়া হৈছে। অৱশ্যে আমেৰিকাত ব্যৱসায়িক ভিত্তিত পুনৰ ছুপাৰছনিক বিমান চলাচল কৰাবলৈ কুচকাৱাজ আৰম্ভ হৈছে। নতুন প্ৰজন্মৰ এই ছুপাৰছনিক বিমানসমূহ শীঘ্ৰে কাৰ্য্যক্ষম হৈ উঠিব বুলি ধাৰণা কৰা হৈছে।

বিশ্বৰ বিভিন্ন দেশ, যেনে—আমেৰিকা, ফ্ৰান্স, ৰাছিয়া, চীন আদিত সামৰিক ক্ষেত্ৰত ব্যৱহাৰ কৰিবলৈ ছুপাৰছনিক যুঁজাৰু বিমান নিৰ্মাণ কৰা হৈছে। ভাৰতৰ হিন্দুস্তান এৰ'নটিক্স লিমিটেডে (HAL) নিৰ্মাণ কৰি উলিওৱা তেজস (Teejas) যুঁজাৰু বিমানখন ছুপাৰছনিক বৰ্গৰ অন্তৰ্গত। ভাৰত চৰকাৰে যাত্ৰীবাহী ছুপাৰছনিক বিমান নিৰ্মাণৰ বাবেও ২০১৮ চনত ফ্ৰান্সৰ বিমান নিৰ্মাণকাৰী কোম্পানী এয়াৰবাছৰ (Airbus) সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। 'কনকৰ্ড ২.০' নামেৰে পৰিচিত এই প্ৰকল্পটো সফল হ'লে ই ভাৰতৰ বাবে এক বৈপ্লৱিক পৰিবৰ্তনৰ সূচনা কৰিব। ❖

## কুইজ

■ **দীপাংকৰ কৌশিক**

বিগত বৰ্ষটোৰ ঘটনাৰাজিৰ আধাৰত সজোৱা হৈছে এইবাৰৰ ক্সকুইজক্স শিতান

১। ২০২৩ চনত ভাৰতে কি বিশেষ কামৰ বাবে 'অপাৰেছন দোস্ত' আৰম্ভ কৰিছিল?

২। ভাৰতৰ প্ৰথমটো থ্ৰি-ডি প্ৰিণ্টেড ডাকঘৰ যোৱাটো বৰ্ষত কোন ঠাইত মুকলি কৰা হৈছিল?

৩। ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে যোৱা বছৰৰ ২৩ আগষ্ট দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱসৰূপে ঘোষণা কৰে। ইয়াৰ কাৰণটো কি?

৪। ডা° ৰবি কান্নানে ২০২৩ বৰ্ষত আন তিনিগৰাকী ব্যক্তিৰ সৈতে কোনটো বিশিষ্ট বঁটা লাভ কৰিছিল?

৫। ১৯৫৫ চনৰ বাবে যদি 'বনফুল' হয়, ২০২২ বৰ্ষৰ বাবে যদি 'ভুল সত্য' হয়, তেনেহ'লে ২০২৩ বৰ্ষৰ বাবে কি হ'ব?

৬। আমাৰ দেশৰ চলচ্চিত্ৰ ক্ষেত্ৰৰ সৰ্বোচ্চ সন্মান দাদা চাহেব ফাল্কে বঁটা ২০২৩ বৰ্ষত কোনগৰাকী বৰ্ষীয়ান অভিনেত্ৰীক প্ৰদান কৰা হয়?

৭। ২০২৩ বৰ্ষতে আমাৰ দেশে লাভ কৰিলে নতুন সংসদ ভৱন। পুৰণি সংসদ ভৱনকো দিয়া হয় এটা নতুন নাম। নামটো কি?

৮। আদিত্য এল ৱান নামটো ২০২৩ বৰ্ষত কিয় চৰ্চালৈ আহিছিল?

৯। ২৩ নৱেম্বৰত মৃত্যু হৈছিল এম ফাতিমা বিবিৰ। তেওঁ কি ক্ষেত্ৰত প্ৰথম ভাৰতীয় মহিলা?

১০। ২০২৩ বৰ্ষত চীনৰ হাংঝৌত অনুষ্ঠিত এছিয়ান গেমছত ভাৰতে পদক তালিকাত কি স্থান দখল কৰিছিল?

১১। গোলাঘাটৰ বোকাখাতৰ কান্ধুলিমাৰী গাঁৱৰ কোনগৰাকী খেলুৱৈয়ে ২০২৩ বৰ্ষত অসমক গৌৰৱান্বিত কৰে?

১২। পোৱালমণি আৰু চিচিঙৰ দুঃসাহসিক অভিযান— এইখন উপন্যাসৰ বাবে ২০২৩ বৰ্ষত কোনগৰাকী অসমীয়াই শিশু সাহিত্য অকাডেমি বঁটা লাভ কৰে?

১৩। ২০০৩ চনত উত্তৰ লক্ষীমপুৰত আৰু ২০০৪ চনত হোজাইত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিৱেশনত সভাপতিত্ব কৰা ব্যক্তিগৰাকীৰ ২৩ অক্ট'বৰত দেহাৱসান ঘটে। ব্যক্তিগৰাকী কোন?

১৪। 'জাল কটা জুই'—এইখন গ্ৰন্থৰ বাবে ২০২৩ বৰ্ষত ডা° নয়নজ্যোতি শৰ্মাই কোনটো বঁটা লাভ কৰে?

**চিত্ৰ সংকেত**

১৫। ২০২৩ বৰ্ষত ব্যক্তিগৰাকী কি কাৰণত চৰ্চালৈ আহিছিল ? ❖



## তোমালোকৰ বাবে প্ৰশ্ন, জানুৱাৰী, ২০২৪

১। জানুৱাৰী মাহৰ নামটো কোনজন ৰোমান দেৱতাৰ নামেৰে ৰখা হৈছে?

২। বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত চেঞ্চুৰী অৰ্জন কৰা প্ৰথমজন ক্ৰিকেটাৰ কোন বাৰু?

৩। অসমীয়া সাহিত্যত 'শেৱালি কবি' বুলি কাক কোৱা হয়?

৪। ২০২৩ বৰ্ষৰ অসম প্ৰকাশন পৰিষদ সাহিত্য বঁটা কোনে লাভ কৰিছে?

৫। কোনজন বিখ্যাত ভাৰতীয় গায়কৰ প্ৰকৃত নাম আছিল প্ৰবোধ চন্দ্ৰ দে' ? ❖

# মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. যদি SCHOOLক TDIPPM হিচাপে লিখা হয়, তেন্তে STUDENTক লিখা হ'ব—

   a) TVUFEUO b) TUVFEUO c) TVUFEOU d) TUVEFOU

2. যদি MOTORক OMTRO হিচাপে লিখা হয়, তেন্তে BLACKক লিখা হ'ব—

   a) BLACK b) KCABL c) LBAKC d) LBACK

3. যদি COUNTRYক BNTMSQX হিচাপে লিখা হয়, তেন্তে DISTRICTক লিখা হ'ব—

   a) CJTUSHDS b) CGRSQHRS c) CISUSJBS d) CHRSQUHBS

4. যদি ARGSUক SUGAR হিচাপে লিখা হয়, তেন্তে TEASTক লিখা হ'ব—

   a) STEAL b) FEAST c) BFDEQ d) BFDEU

5. যদি SEVENক PBSBK হিচাপে লিখা হয়, তেন্তে EIGHTক লিখা হ'ব—

   a) CGEFR b) DHFGS c) BFDEQ d) BFDEU

**নিৰ্দেশনা :**

তলৰ প্ৰশ্ন 6 ৰপৰা 10লৈ প্ৰতিটোতে এটা দীঘল শব্দ দিয়া আছে। এই শব্দটোত থকা বৰ্ণবোৰৰ সহায়ত নতুন শব্দ গঠন কৰিব পাৰি। থূপটোত থকা কোনটো শব্দ মূল শব্দটোত থকা বৰ্ণৰে গঠন কৰিব নোৱাৰি বাছি উলিওৱা।

6. ACCOMMODATION –

   a) COMMO b) COMMODE c) COMMIT d) COMMAND

7. APPROXIMATION –

   a) AXIOM b) PROXIMITY c) PROMOTION d) MATRIX

8. DICTIONARY –

   a) NOTICE b) RATION c) ADORN d) DORIC

9. MATCHING –

   a) THING b) ACTING c) CHIN d) GAME

10. EXAMINATION –

a) TAXI b) NOMINATE c) MAINTAIN d) MAXIMUM

11. যদি 123456য়ে PENCIL আৰু 17128য়ে PAPER বুজায়, তেন্তে 4671 সংখ্যাটোৱে কি বুজাব?

a) PIPE b) CLAP c) LINE d) RIPE

12. যদি 753124য়ে BRIDGE আৰু 6890য়ে POST বুজায়, তেন্তে 1586 সংখ্যাটোৱে কি বুজাব?

a) EDGE b) SITE c) DROP d) BIRD

13. যদি 1357য়ে TEAM আৰু 2461য়ে BOUT বুজায়, তেন্তে 241147 সংখ্যাটোৱে কি বুজাব?

a) BELIEF b) BOTTOM c) STRIEF d) BUTTER

14. যদি 723582য়ে SABITA আৰু 62916য়ে NAGEN বুজায়, তেন্তে 356582 সংখ্যাটোৱে কি বুজাব?

a) BITNIA b) BINITA c) ABINTI d) BITINA

15. যদি 78654য়ে STRONG আৰু 9310য়ে WEAK বুজায়, তেন্তে WORST শব্দটোৱে কি বুজাব?

a) 90317 b) 95678 c) 90678 d) 70678

16. যদি 914351য়ে MANITA আৰু 861724য়ে PRASEN বুজায়, তেন্তে SARITA শব্দটোৱে কি বুজাব?

a) 716351 b) 816375 c) 916735 d) 716315

17. যদি RESULTয়ে 314256 আৰু PUTয়ে 726 বুজায়, তেন্তে 7146 সংখ্যাটোৱে কি বুজাব?

a) PAST b) PEST c) POST d) SPOT

18. যদি CLOCKয়ে 36938 আৰু LEARNয়ে 12452 বুজায়, তেন্তে 7950 সংখ্যাটোৱে কি বুজাব?

a) 4325 b) 3451 c) 3453 d) 3452

19. যদি 1234536য়ে PRANJAL আৰু 4783য়ে NITA বুজায়, তেন্তে 345367 সংখ্যাটোৱে কি বুজাব?

a) ANJALI b) LIAANJ c) JANALI d) LIJANA


**উত্তৰসমূহ :**

| | | | | | |
|---|---|---|---|---|---|
| 1) (a) | 2) (d) | 3) (c) | 4) (a) | 5) (b) | 6) (a) |
| 7) (d) | 8) (c) | 9) (a) | 10) (b) | 11) (c) | 12) (d) |
| 13) (b) | 14) (d) | 15) (a) | 16) (b) | 17) (c) | 18) (b) |
| 19) (a) | | | | | |

## পুথি পৰিচয়

# অৰণ্যৰ গভীৰতাত অসহায় জন্তুৰ আত্মাৰ বিননি

■ কবিতা পাটগিৰি




যি অৰণ্যই আমাৰ প্ৰাণত আলোড়ন তোলে, সেই অৰণ্যৰ বাসিন্দাবোৰক লৈ কৌতূহল হোৱাটো স্বাভাৱিক। তেনে এক কৌতূহলৰ বাবেই জনপ্ৰিয় ঔপন্যাসিক ৰঞ্জু হাজৰিকাৰ কলমৰ পৰা সৃষ্টি হৈছে 'জুলু'। 'জুলু' নামৰ উপন্যাসখন ৰহস্য সম্ৰাট ৰঞ্জু হাজৰিকাই অৰণ্যক পটভূমি হিচাপে লৈ ৰচনা কৰিছে। ইয়াত তেওঁ পশু হত্যাৰ নিষ্ঠুৰ বৰ্ণনা, উন্নাসিক চিকাৰীৰ জঘন্য কাম-কাজৰ বহিঃপ্ৰকাশ কৰিছে। অৰণ্য সঁচাকৈয়ে বিচিত্ৰ। ই যেনেদৰে সুন্দৰ, তেনেদৰে ভয়াবহ। অৰণ্যৰ ভয়াবহতাৰ মাজত ঔপন্যাসিকে প্ৰকৃতিৰ ৰূপ-মাধুৰী, প্ৰকৃতিৰ বিশালতাক অনুভৱ কৰি উপন্যাসখনৰ কাহিনী বিস্তাৰ কৰিছে। তেওঁ উপন্যাসখনত যিখন অৰণ্যৰ কাহিনী বৰ্ণনা কৰিছে সেই অৰণ্যখনৰ একাংশ ভূটানৰ অন্তৰ্গত, একাংশ অৰুণাচলত আৰু একাংশ অসমৰ উত্তৰ অঞ্চলত। অৰ্থাৎ, কামৰূপ, দৰং দুয়োখন জিলাৰেই উত্তৰাংশ এই অৰণ্যৰ দ্বাৰা পৰিবেষ্টিত। উপন্যাসখনৰ কাহিনী-বিস্তাৰত যেতিয়াই সুবিধা পাইছে তেতিয়াই ঔপন্যাসিকে পাঠকক এই কথা অনুভৱ কৰাইছে যে—প্ৰকৃতিয়ে দুহাত উজাৰি যেন সৃষ্টি কৰিছে অৰণ্যক। সেয়ে, ঔপন্যাসিকে আৰম্ভণিতে কৈছে এইদৰে—"অসংখ্য খাল-বিলেৰে ভৰা এই অৰণ্য। মাজে মাজে আছে উত্তৰৰ পৰ্বতসমূহৰ পৰা নামি অহা তীব্ৰ স্ৰোতস্বিনী। এই স্ৰোতস্বিনীবোৰৰ দুয়োপাৰ নীৰৱ, নিস্তব্ধ ঘন বনৰ এক অব্যক্ত অস্পষ্ট মৌন ইংগিতত আপোনাৰ মন ভাহি যাব সাধুকথাৰ ৰাজ্যলৈ। দুচকুৰ নিদ্ৰা ক'ৰবাত লুকাব। খেয়ালী প্ৰকৃতিৰ অপূৰ্ব দান এই অৰণ্য। যেনে ভয়ংকৰ তেনে বন্য। ক্ষণে ক্ষণে পৰিবৰ্তন হয়। অসংখ্য মূল্যবান গছৰ প্ৰাচুৰ্য্য এই অৰণ্যত। কিন্তু মানুহৰ নিৰ্বুদ্ধিতাৰ ফলত এই প্ৰাচুৰ্য্য হ্ৰাস পাইছে। ধ্বংসৰ আনন্দত মানুহ যেন মতলীয়া হৈ পৰিছে।"

ধ্বংসৰ আনন্দত মতলীয়া হোৱা মানুহৰ কাহিনী লেখকে ৰহস্যঘন ভাবেৰে বৰ্ণনা কৰাৰ সমান্তৰালকৈ মানুহৰ প্ৰকৃতিৰ প্ৰতি থকা অকৃত্ৰিম প্ৰেম, জীৱ-জন্তুৰ প্ৰতি মৰম-সহানুভূতিৰো প্ৰকাশ কৰিছে উপন্যাসখনৰ মাজেৰে।

উপন্যাসখনত এখন অৰণ্যৰ অতন্দ্ৰ প্ৰহৰী এটা বনৰীয়া ম'হ। নাম জুলু। গহীন অৰণ্যখনত জুলুৰ শত্ৰু বহুত, কিন্তু বন্ধুও বহুত। জুলুৰ শত্ৰু কোন? কাৰ ষড়যন্ত্ৰত জুলুৰ দৰে নিৰ্জু বনৰীয়া ম'হটোক এটা বলিয়া ম'হ সজোৱা হ'ল? সেই ষড়যন্ত্ৰত লাভবান হোৱা লোকসকল কোন? বলিয়া বুলি অভিহিত জুলুক হত্যা কৰিবলৈ অহা আদেশক নস্যাৎ কৰি কিয় পৰীক্ষিত নামৰ বিষয়াজনে আবেদন জনাইছিল? জুলুক হত্যা কৰিব পাৰিলেনে সেই ষড়যন্ত্ৰকাৰীয়ে? প্ৰকৃতি, জীৱ-জন্তুৰ প্ৰতি অগাধ প্ৰেমেৰে ভৰি থকা হৃদয়ৰ গৰাকী পৰীক্ষিতে পাৰিলেনে জুলুৰ জীৱন ৰক্ষা কৰিব? এই সকলোবোৰ ঘটনা লেখকে বৰ্ণনা কৰোঁতে কাহিনীৰ মাজলৈ দুই-এটা ঘটনা শাখা-প্ৰশাখা হিচাপে টানি আনিছে যদিও মূল কাহিনীটোৰ বিস্তাৰত ই বাধা দিয়া নাই। উপন্যাসখন পঢ়ি গৈ থাকিলে ভাব হয় যে আমাৰ দেশৰ বন-অৰণ্যৰ সৌন্দৰ্য্য কেৱল গছ-গছনি, চৰাই-চিৰিকটিয়ে ধৰি ৰখা নাই, অৰণ্যত বাস কৰা নানা জীৱ-জন্তুৱেও অৰণ্যৰ

সৌন্দৰ্য্যক মনোৰম কৰি তুলিছে। উপন্যাসখনত জুলু যেন সকলো জীৱ-জন্তুৰে আপোন। অৰণ্যৰ আটাইতকৈ বিশাল প্ৰাণী গজৰাজৰ পৰা আৰম্ভ কৰি নৈখনৰ বুকুত উমলি-জামলি থকা বিবিধ জাতিৰ চৰাইজাকো জুলুৰ আপোন। উপন্যাসখনৰ নায়ক জুলুৱে বনৰীয়া ম'হজাকৰ দলত ঘূৰি ভাল নাপায়, সি ভাল পায় অকলে অকলে ঘূৰি। মানুহ তাৰ প্ৰধান শত্ৰু। অথচ, বন বিষয়া পৰীক্ষিতৰ লগত তাৰ যি আত্মিক সম্পৰ্ক সেয়া কাহিনীৰ শেষলৈ ঔপন্যাসিকে সুন্দৰ ৰূপত ধৰি ৰাখিব পাৰিছে। জুলুৰ প্ৰতি, অৰণ্যখনৰ প্ৰতি পৰীক্ষিতৰ যি দায়বদ্ধতা সেয়া একপ্ৰকাৰ পৰীক্ষিতৰ হৃদয়ত জমা হৈ থকা প্ৰকৃতি আৰু জীৱ-জন্তুৰ প্ৰতি অকৃত্ৰিম প্ৰেম। বন বিষয়া পৰীক্ষিতে বুজি পায় আৰু কয়—"জীৱ-জন্তুক চেনেহ কৰিলে বুজে। সিহঁতেও তাৰ প্ৰতিদান দিব জানে।"

জুলু যেতিয়া চোৰাং চিকাৰীৰ হাতত আঘাতপ্ৰাপ্ত হয়, তেতিয়া পৰীক্ষিতে গাৰ্ড আৰু ডাক্তৰৰ সহায়ত তাৰ ৰখীয়া হৈ থাকি শুশ্ৰূষা কৰি তাক সুস্থ কৰি তোলে। কিছুদিন পাছত পৰীক্ষিতে বনত ঘূৰি ফুৰোঁতে জুলুৰ মুখামুখি হয়, তেতিয়া তাক 'জুলু' বুলি মাতি তাৰ ফালে সোঁহাতখন আগ বঢ়াই দিয়ে।

জুলুৱে পৰীক্ষিতলৈ চাই লাহে লাহে পিছলৈ আন এজোপা গছৰ তলত ৰ'লগৈ। পৰীক্ষিতে অপলক নেত্ৰে চাই ৰ'ল জুলুলৈ। সঁচাকৈ জুলুৰ তুলনা নাই। আফ্ৰিকাৰ কেপ্‌বাফেলোৰ দৰেই প্ৰকাণ্ড তাৰ শিং দুটা। ৰূপে অপৰূপ এই অৰণ্যৰ ৰাজকুমাৰ জুলু অৰণ্যৰ সদা জাগ্ৰত প্ৰহৰী। যেনে নিৰ্জু তেনে দুৰ্দান্ত; যেনে শান্ত তেনে চঞ্চল আৰু যেনে সৰল তেনে ভয়ংকৰ জুলু। এটা বনৰীয়া ম'হ কিদৰে এগৰাকী বন বিষয়াৰ অতি আপোন বন্ধুৰ দৰে হৈ পৰিল—সেই উৎসুকতাক উপন্যাসখনৰ কাহিনীৰ সাৰ হিচাপে লৈ ঘটনাবোৰ শেষলৈ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

কাহিনীৰ শেষৰ ফালে চোৰাং চিকাৰীৰ আঘাতৰ বলি হৈ বন বিষয়া পৰীক্ষিতৰ মৃত্যু ঘটিছে। জুলুও আঘাতপ্ৰাপ্ত। পৰীক্ষিতৰ মৃত্যুৰ কথা জানিব পাৰি জুলুৱে মুখলৈ ঘাঁহ এডালো নিয়া নাই। তাৰ শৰীৰৰ আঘাত পোৱা অংশ দুডোখৰত ছেপ্‌টিক হৈছে। যন্ত্ৰণাত সি গোটেই নিশা পৰীক্ষিতৰ চিতাৰ কাষতে ছটফটাই থাকে।

"পৰীক্ষিতক সি খুব ভাল পাইছিল। বন্যজন্তু হ'লেও সি মানুহৰ মৰমৰ মূল্য বুজে। পৰীক্ষিতৰ চিতাৰ কাষতে জুলুৱেও হয়তো শেষ নিশ্বাস এৰিব।"—পৰীক্ষিতৰ বন্ধু পাৰ্থজিতে ৰুমালেৰে গালৰ ওপৰেদি বৈ অহা চকুলোখিনি মচিবলৈ চেষ্টা কৰি এইদৰে কৈছে।


'জুলু' নামৰ ৰহস্যঘন এই উপন্যাসখনৰ মাজেৰে ঔপন্যাসিক ৰঞ্জু হাজৰিকাৰ প্ৰকৃতিৰ প্ৰতি প্ৰেম, অৰণ্যৰ গভীৰতাত থকা নিস্তব্ধতাৰ ৰহস্য সৰল অথচ কাব্যিকতাৰে প্ৰকাশ কৰিছে। সেয়ে ১৯৮৬ চনতে প্ৰকাশিত হোৱা 'জুলু'ৱে আজিও সকলো শ্ৰেণীৰ পাঠকক মোহাচ্ছন্ন কৰি ৰাখিছে। ❖

## চুড'কুৰ শুদ্ধ উত্তৰ দিয়া শিক্ষাৰ্থীসকল (ডিচেম্বৰ, ২০২৩)

প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (পঞ্চম গ), অভিজ্ঞান দীপক বৰগয়াৰী (পঞ্চম গ), আবিৰ হুছেইন (পঞ্চম গ), নীলভ তালুকদাৰ (পঞ্চম গ), চতুৰ্থী শিৰম (পঞ্চম খ), তৃষ্ণা কলিতা (অষ্টম গ), কৃপালিনী চাংমা (দশম গ), ছায়েচা চবনম (অষ্টম গ), জাহ্নু বিকাশ শৰ্মা (পঞ্চম গ), পল ভৰালী (পঞ্চম গ), মধুৰ মনীষ বৰপূজাৰী (পঞ্চম গ), অভিজ্ঞান কলিতা (পঞ্চম গ), জিএঞা ভৰদ্বাজ (অষ্টম ক), জ্যোতিষ্মান চৌধুৰী (চতুৰ্থ খ), তেজস্বীন মিশ্ৰ ( (পঞ্চম ঘ), প্ৰত্যাশা শৰ্মা (অষ্টম ক), অৰ্ণৱ আকাশ মহন্ত (পঞ্চম ঘ), হিমাংগী দেৱী (ষষ্ঠ ক), অৰ্পণা তালুকদাৰ (ষষ্ঠ ক), শ্বাছমীন জেছীনা আলিম (ষষ্ঠ ক), সুগন্ধা দাস (ষষ্ঠ ক), ময়ংক পাঠক (নৱম খ), সুপ্ৰতীক সঞ্জীৱ ডেকা (পঞ্চম ক)। ❖

# গ্ৰেফিন

■ সুজিৎ কুমাৰ নেওগ



আমাৰ সকলোৰে পৰিচিত পেঞ্চিলৰ ক'লা টান অংশটো গ্ৰেফাইটেৰে তৈয়াৰী। গ্ৰেফাইট কাৰ্বনৰ এক অৰূপ (allotrope) আৰু ইয়াক প্ৰকৃতিৰ পৰাই আহৰণ কৰা হয়। কোৱাৰ্টজ (quartz), কেলচাইট (Calcite), মাইকা (Mica) আদি খনিজ পদাৰ্থৰ পৰা ৰাসায়নিক পদ্ধতিৰে গ্ৰেফাইট আহৰণ কৰা হয়।

গ্ৰেফাইট আচলতে ষড়ভুজাকৃতিৰ জালিৰ দৰে কিছুমান তৰপেৰে গঠিত। এনে তৰপবোৰক গ্ৰেফিন বোলা হয়। এইবোৰ দেখাত মৌচাকৰ খোটালিবোৰৰ দৰে। কিন্তু অতিশয় পাতল।

১৯৪০ চনমানৰ পৰাই গ্ৰেফিনৰ অস্তিত্বৰ অনুমান কৰা হৈছিল যদিও একবিংশ শতিকাৰ প্ৰথম ভাগতহে (২০০৪ চন) পোনপ্ৰথমবাৰৰ বাবে একস্তৰীয় গ্ৰেফিনৰ পাত সংশ্লেষণ কৰা হয়। এই কৃতকাৰ্য্যতা লাভ কৰিছিল গেইম আৰু কনষ্টেণ্টিন নভোচেলভ নামৰ দুজন বিজ্ঞানীয়ে। তেওঁলোকে ২০১০ চনত এই কৃতিত্বৰ বাবে পদাৰ্থবিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল। তেওঁলোকৰ সংশ্লেষণ পদ্ধতিটোক 'স্কচ টেপ পদ্ধতি' (scotch tape process) বুলি কোৱা হৈছিল। গ্ৰেফিনৰ একস্তৰসমূহক গ্ৰেফাইটৰ পৰা যান্ত্ৰিক পদ্ধতিৰে পৃথক কৰিব পাৰি। এই পদ্ধতিটো চামৰা উদ্যোগত মৰা জীৱ-জন্তুৰ গাৰ পৰা ছালখন পৃথক কৰা পদ্ধতিটোৰ দৰে একে। আঠাযুক্ত চেল'টেপ এটাৰ এটা স্তৰক ডাঙৰ অংশৰ পৰা যি ধৰণে টানি এৰুৱাব পাৰি, একেদৰে গ্ৰেফিনকো গ্ৰেফাইটৰ পৰা টানি এৰুৱাব পাৰি। ইয়াৰ মাজতে গ্ৰেফিন উৎপাদনৰ অন্যান্য পদ্ধতিও উদ্ভাৱন হয়। চেনিৰ পৰাও গ্ৰেফিন সংশ্লেষিত কৰিব পাৰি। এই পদ্ধতিটোক 'টাং লু (Tang lau) পদ্ধতি' বোলা হয়।

গ্ৰেফিনৰ সংশ্লেষণ পদ্ধতিৰ আৱিষ্কাৰৰ পাছতে ইয়াৰ প্ৰতি আগ্ৰহ যথেষ্ট বৃদ্ধি পায়। ইয়াৰ আকৰ্ষণীয় গুণৰ বাবেই ই গৱেষণাৰ কেন্দ্ৰবিন্দু হৈ পৰিল। গ্ৰেফিনৰ পাতখিলা মাত্ৰ এটা পৰমাণুৰ সমানহে ডাঠ, অথচ ই এতিয়ালৈকে সংশ্লেষিত কৰা অন্যতম শক্তিশালী পদাৰ্থ। ই ষ্টিলতকৈ ২০০ গুণে শক্তিশালী। তদুপৰি ই তাপ আৰু বিদ্যুতৰ এক উৎকৃষ্ট পৰিবাহী। ই কপাৰতকৈ ১০ গুণ অধিক তাপ আৰু বিদ্যুৎ পৰিবহণ কৰিব পাৰে। গ্ৰেফিন আলোকীয়ভাৱে স্বচ্ছ, অথচ ইমান ঘন যে ই গেছৰ বাবে অভেদ্য। আনকি আটাইতকৈ সৰু গেছ পৰমাণু হিলিয়ামো ইয়াৰ মাজেৰে পাৰ হৈ যাব নোৱাৰে।

গ্ৰেফিনৰ এই অনন্য ধৰ্মবোৰে ইয়াক বৈচিত্ৰ্যময় কৰি তুলিছে। গ্ৰেফিনক অন্যান্য মৌলৰ (গেছ আৰু ধাতুকে ধৰি) সৈতে সংযুক্ত কৰি বিভিন্ন পদাৰ্থ উৎপন্ন কৰিব পাৰি যাৰ গুণাগুণ মূল পদাৰ্থতকৈ যথেষ্ট উন্নত। সমগ্ৰ বিশ্বৰ গৱেষকসকলে গ্ৰেফিনৰ বিভিন্ন ধৰ্ম আৰু সম্ভাব্য প্ৰয়োগৰ কথা জানিবলৈ অহৰহ অনুসন্ধান কৰি আহিছে। বেটাৰি, ট্ৰেনজিষ্টৰ, কম্পিউটাৰ, চিপ, ছুপাৰ কেপাচিটৰ আদি নিৰ্মাণত গ্ৰেফিনৰ প্ৰয়োগ বহুলভাৱে কৰা হৈছে। গ্ৰেফিন মিহলি কৰি টেনিছৰ ৰেকেট, হেলমেট আদিও সজা হৈছে। মটৰ কোম্পানী ফ'ৰ্ডে ৰেচিং কাৰৰ F-150 মডেলত গ্ৰেফিন ব্যৱহাৰ কৰি গাড়ীবিলাকক পূৰ্বতকৈ ১৭% কম শব্দ সৃষ্টি কৰা, ২০% বেছি শক্তিশালী আৰু ৩০% বেছি তাপ প্ৰতিৰোধী কৰি তুলিছিল। গাড়ীৰ অংশসমূহত গ্ৰেফিন মিহলি কৰিলে ইয়াৰ ওজনো যথেষ্ট হ্ৰাস হয়। গ্ৰেফিনেৰে নিৰ্মিত চেন্সৰে (sensor) খৰতকীয়া প্ৰক্ৰিয়াৰ অধিক সঠিক ফলাফল দিয়ে। ইয়াক কঢ়িয়াবলৈও সহজ আৰু খৰচো ৰাহি হয়।

গ্ৰেফিনৰ অগতানুগতিক ধৰ্মবিলাকেই ইয়াক বৰ্তমান সময়ৰ এক মূল্যবান পদাৰ্থত পৰিণত কৰিছে। ❖

# বিভিন্ন প্ৰকাৰৰ উদ্যোগ

■ পৰিণীতা চেতিয়া



উদ্যোগ (Industry) মানে হ'ল একো একোটা উৎপাদন কেন্দ্ৰ য'ত আমাৰ প্ৰয়োজনীয় কিছুমান সামগ্ৰী প্ৰকৃতিৰ পৰা আহৰণ কৰি যন্ত্ৰৰ সহায়ত বিশেষ পদ্ধতি প্ৰয়োগ কৰি তৈয়াৰ কৰি লোৱা হয়। অৰ্থাৎ উদ্যোগত যন্ত্ৰৰ সহায়ত প্ৰাকৃতিক বস্তুবোৰক নতুন ৰূপ দিয়া হয় আৰু আমাৰ ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। যন্ত্ৰ শিল্পকে সাধাৰণতে উদ্যোগ বা Industry বুলি কোৱা হয়।

উদ্যোগত কোনো বস্তু উৎপাদন কৰিবলৈ কেঁচামালৰ প্ৰয়োজন হয়। সাধাৰণতে প্ৰকৃতিৰ পৰা পোৱা যিবোৰ সামগ্ৰী ব্যৱহাৰ কৰি আমাৰ প্ৰয়োজনীয় বস্তুবোৰ উৎপাদন কৰা হয় সেইবোৰকে কেঁচা সামগ্ৰী বা কেঁচামাল বোলে। এই কেঁচামালৰ ওপৰত ভিত্তি কৰিয়েই উদ্যোগসমূহ গঢ়ি উঠে। সাধাৰণতে কেঁচামাল য'ত যেনেকৈ পোৱা যায় তাত তেনে ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰা হয়।

**উদ্যোগৰ প্ৰকাৰ**

আমাৰ প্ৰয়োজন পূৰাব পৰা বেছিভাগ বস্তু বা সামগ্ৰীয়েই আমি উদ্যোগৰ পৰাই পাওঁ। বৰ্ধিত জনসংখ্যাৰ বিচিত্ৰ চাহিদা আৰু বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত বিকাশে নানা প্ৰকাৰৰ উদ্যোগ গঢ়ি তোলাৰ সম্ভাৱনা ক্ৰমান্বয়ে বৃদ্ধি কৰিছে। প্ৰতিষ্ঠানৰ আকাৰ, ব্যৱহাৰ হোৱা কেঁচামাল, উৎপাদন আৰু মালিকীস্বত্বৰ ভিত্তিত উদ্যোগসমূহ তলত দিয়া ধৰণে শ্ৰেণী বিভক্ত কৰিব পাৰি।

১। আকাৰ অনুযায়ী—(ক) ঘৰুৱা উদ্যোগ (খ) ক্ষুদ্ৰ উদ্যোগ (গ) বৃহৎ উদ্যোগ।

২। ব্যৱহৃত কেঁচামাল অনুযায়ী (ক) কৃষিভিত্তিক উদ্যোগ (খ) খনিজ সম্পদভিত্তিক উদ্যোগ (গ) ৰাসায়নিক দ্ৰব্যভিত্তিক উদ্যোগ (ঘ) বনজ সম্পদভিত্তিক উদ্যোগ আৰু (ঙ) প্ৰাণীভিত্তিক উদ্যোগ।

৩। উৎপাদিত দ্ৰব্যৰ ভিত্তিত—(ক) মৌলিক উদ্যোগ আৰু (খ) উপভোগ্য বস্তুৰ উদ্যোগ।

৪। মালিকীস্বত্বৰ ভিত্তিত—(ক) ৰাজহুৱা খণ্ডৰ উদ্যোগ (খ) ব্যক্তিগত খণ্ডৰ উদ্যোগ (গ) যৌথ খণ্ডৰ উদ্যোগ।

ইয়াৰে কেইবিধমান উদ্যোগৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

**ঘৰুৱা উদ্যোগ :** ঘৰুৱা উদ্যোগ অতি ক্ষুদ্ৰ আকাৰৰ উদ্যোগ। মানুহে ঘৰতে কিছুমান থলুৱা কেঁচামাল ব্যৱহাৰ কৰি এই উদ্যোগ গঢ়ি তোলে। অতি সাধাৰণ কিছুমান যন্ত্ৰ-পাতি বা কৌশলৰ দ্বাৰাই এনে ক্ষুদ্ৰ উদ্যোগত বস্তু উৎপাদন কৰা হয় আৰু স্থানীয় বজাৰত বিক্ৰী কৰা হয়। যেনে—মাটিৰ বা ধাতুৰ বাচন, শালত বোৱা কাপোৰ, বিভিন্ন খাদ্যবস্তু, আচবাব, আ-অলংকাৰ আদি।

**ক্ষুদ্ৰ উদ্যোগ :** ঘন জনবসতিপূৰ্ণ দেশত ক্ষুদ্ৰ উদ্যোগৰ গুৰুত্ব বেছি। যেনে, চীন, ভাৰত ইত্যাদি। ক্ষুদ্ৰ উদ্যোগত শ্ৰমিকৰ সংখ্যা সীমিত আৰু মূলধনৰ বিনিয়োগো কম। কিছুমান থলুৱা কেঁচামাল আৰু শ্ৰমিকৰ ওপৰতেই সাধাৰণতে এই উদ্যোগৰ উৎপাদন নিৰ্ভৰ কৰে। অৱস্থান, যন্ত্ৰপাতিৰ প্ৰয়োগ আৰু উৎপাদনৰ

ক্ষেত্ৰত এই উদ্যোগ ঘৰুৱা উদ্যোগতকৈ কিছু ডাঙৰ পৰিসৰৰ হয়।

**বৃহৎ উদ্যোগ :** বৃহৎ উদ্যোগক কেন্দ্ৰ কৰি অঞ্চল একোটাত বিভিন্ন সৰু-সুৰা আৰু মজলীয়া উদ্যোগ গঢ়ি উঠে। জাপান, চীন, ভাৰতৰ দৰে দেশত যথেষ্টসংখ্যক বৃহৎ উদ্যোগ আছে। এই উদ্যোগৰ কাৰণে বৃহৎ পৰিমাণৰ মূলধন, নানা প্ৰকাৰৰ কেঁচামাল, প্ৰশিক্ষণপ্ৰাপ্ত শ্ৰমিক, অত্যাধুনিক প্ৰযুক্তি, যথেষ্ট ইন্ধন আৰু বৃহৎ বজাৰৰ প্ৰয়োজন। সাধাৰণতে ইউৰোপ আৰু আমেৰিকাৰ উন্নত ৰাষ্ট্ৰবোৰতে বৃহৎ উদ্যোগসমূহ কেন্দ্ৰীভূত হৈ আছে।

**কৃষিভিত্তিক উদ্যোগ :** পৃথিৱীৰ প্ৰায় সকলো কৃষিপ্ৰধান দেশতে কৃষিভিত্তিক উদ্যোগৰ প্ৰাধান্য আছে। কৃষিজাত শস্য বা সামগ্ৰীৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠা উদ্যোগকে কৃষিভিত্তিক উদ্যোগ বোলা হয়। কৃষিজাত সামগ্ৰীসমূহ শোধন কৰাৰ বাবে ধান কল, ঘেঁহু কল, চেনি কল, চাহ-কফি উদ্যোগ, তেল উদ্যোগ, মছলা উদ্যোগ আদি গঢ়ি উঠিছে।

**খনিজ সম্পদভিত্তিক উদ্যোগ :** প্ৰকৃতিৰ পৰা পোৱা খনিজাত সম্পদবোৰৰ পৰাই এই উদ্যোগবোৰ গঢ়ি উঠিছে। পৃথিৱীৰ যিবোৰ অঞ্চল খনিজ সম্পদত চহকী তাতেই এনে ধৰণৰ উদ্যোগ গঢ়ি উঠিছে। লো-তীখা, পেট্ৰ'লিয়াম, এলুমিনিয়াম, তাম, কয়লা, চূণশিল, প্ৰাকৃতিক গেছ আদিৰ উৎপাদন তথা পৰিশোধন খনিজ সম্পদভিত্তিক উদ্যোগৰ ভিতৰত পৰে।

**বনজ সম্পদভিত্তিক উদ্যোগ :** আমাৰ দেশ বনজ সম্পদত অতীতৰে পৰা অতিকৈ চহকী। গছ-বননিয়ে মানুহৰ ব্যৱহাৰৰ উপযোগী নানা ধৰণৰ সম্পদৰ যোগান ধৰে। এইবোৰৰ ওপৰত নিৰ্ভৰ কৰিয়েই বহুতো উদ্যোগ গঢ়ি উঠিব পাৰে। কাঠৰ উদ্যোগ, প্লাইউড উদ্যোগ, কাগজ উদ্যোগ, মৰাপাট উদ্যোগ, কপাহ বা বস্ত্ৰ উদ্যোগ আদি বনজ সম্পদভিত্তিক উদ্যোগৰ উদাহৰণ।

**মৌলিক উদ্যোগ :** লো-তীখা তথা অন্য ধাতু আদি উৎপাদন কৰা উদ্যোগক মৌলিক উদ্যোগ বুলি কোৱা হয়। এই উদ্যোগে যন্ত্ৰপাতি তৈয়াৰ কৰা উদ্যোগবোৰক কেঁচামাল যোগান ধৰে। যন্ত্ৰপাতিবোৰে আকৌ অন্য বস্তু উৎপাদনত সহায় কৰে।

**উপভোগ্য দ্ৰব্যৰ উদ্যোগ :** খাদ্যদ্ৰব্য উৎপাদনকাৰী উদ্যোগ, চাহ বা কফি উদ্যোগ, ৰেডিঅ', টেলিভিছন উৎপাদনকাৰী উদ্যোগ, চাবোন উদ্যোগ আদি উপভোগ্য দ্ৰব্যৰ উদ্যোগৰ ভিতৰত পৰে।

**ৰাজহুৱা খণ্ডৰ উদ্যোগ :** এই উদ্যোগবোৰ চৰকাৰে পৰিচালনা কৰে। চৰকাৰী মূলধন বিনিয়োগ কৰি ৰাইজৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এনে ধৰণৰ উদ্যোগ প্ৰতিষ্ঠা কৰা হয়।

**ব্যক্তিগত খণ্ডৰ উদ্যোগ :** এই উদ্যোগবোৰ প্ৰতিষ্ঠা কৰে ব্যক্তিগত বিনিয়োগকাৰীয়ে। ইয়াৰ পৰিচালনাৰ দায়িত্বও ব্যক্তিগত খণ্ডৰ সংগঠনে বা ব্যক্তি বিশেষে কৰে। পুঁজিবাদী দেশবোৰত সাধাৰণতে ব্যক্তিগত খণ্ডৰ উদ্যোগৰ প্ৰাধান্য বেছি দেখিবলৈ পোৱা যায়।

প্ৰাকৃতিক সম্পদত চহকী দেশ এখনত ঔদ্যোগীকৰণ কৰা সহজ। কাৰণ প্ৰকৃতিত পোৱা বিভিন্ন কেঁচামালৰ ওপৰত ভিত্তি কৰিয়েই এখন দেশত কিছুমান উদ্যোগ গঢ়ি উঠে। আমাৰ ভাৰতবৰ্ষৰ কেইটামান উল্লেখযোগ্য উদ্যোগ হ'ল—চেনি উদ্যোগ, কাগজ উদ্যোগ, ৰেচম উদ্যোগ, লো-তীখা উদ্যোগ, কপাহী তথা বয়ন উদ্যোগ ইত্যাদি। চৰকাৰৰ সহযোগত ইয়াৰে কিছুমান উদ্যোগ অসমতো গঢ়ি উঠিছে। যেনে, তেল শোধনাগাৰ, লো-তীখা উদ্যোগ, চেনি উদ্যোগ, চাহ উদ্যোগ, কাগজ উদ্যোগ, প্লাইউদ উদ্যোগ, জুইশলা উদ্যোগ আদি উল্লেখযোগ্য।

অসম চাহ খেতিৰ বাবে পৃথিৱীবিখ্যাত। ভাৰতৰ প্ৰায় ৫০ শতাংশ চাহ অসমৰ পৰাই উৎপাদন হয়। অসমৰ স্থানীয় উদ্যোগবোৰত উৎপাদন হোৱা সামগ্ৰীবোৰ, যেনে—চাহপাত আৰু পাট-মুগাৰ কাপোৰে দেশ-বিদেশতো সমাদৰ লাভ কৰিছে। ভাৰতবৰ্ষৰ আন ৰাজ্যৰ তুলনাত অসমত প্ৰয়োজন অনুসৰি এতিয়াও বৃহৎ উদ্যোগ গঢ় লৈ উঠা নাই। ইয়াৰ কাৰণ হ'ল—প্ৰয়োজন হোৱা পৰ্য্যাপ্ত পৰিমাণৰ মূলধন, স্থানীয় বৃহৎ বজাৰ, দক্ষ শ্ৰমিক তথা উন্নত যাতায়াত ব্যৱস্থা আদিৰ অভাৱ। ❖

# ৰাজনৈতিক অৰ্থনীতি

■ অপৰ্ণা দেৱী

সমাজ বিজ্ঞান বিষয়ৰ এটা গুৰুত্বপূৰ্ণ শাখা হৈছে ৰাজনৈতিক অৰ্থনীতি। ৰাজনীতি আৰু অৰ্থনীতিৰ মাজৰ পাৰস্পৰিক ক্ৰিয়াৰ ফল হ'ল ৰাজনৈতিক অৰ্থনীতি। ৰাজনৈতিক অৰ্থনীতিত ৰাজহুৱা নীতি প্ৰণয়ন হ'লে এটা জাতিৰ জনগণ আৰু চৰকাৰৰ মাজত গঢ় লৈ উঠা সম্পৰ্কৰ বিষয়ে অধ্যয়ন কৰা হয়।




ওঠৰ শতিকাৰ পৰাই ৰাজনৈতিক অৰ্থনীতিৰ ধাৰণা আৰম্ভ হয়। সেই সময়ৰ পণ্ডিতসকলে মানুহৰ মাজত ধন কেনেকৈ বিতৰণ কৰা হৈছিল আৰু প্ৰশাসন কেনেকৈ চলোৱা হৈছিল, সেই সম্পৰ্কে অধ্যয়ন কৰিছিল। বহল অৰ্থত, ৰাজনৈতিক অৰ্থনীতি এসময়ত আমি বৰ্তমান অৰ্থনীতি বুলি কোৱা ক্ষেত্ৰখনৰ বাবে ব্যৱহাৰ কৰা সাধাৰণ শব্দ আছিল। এডাম স্মিথ, জন ষ্টুৱাৰ্ট মিল, জ্যাঁ জেক ৰুছ' সকলোৱে নিজৰ তত্ত্ব ব্যাখ্যা কৰাৰ বাবে 'ৰাজনৈতিক অৰ্থনীতি' শব্দটো ব্যৱহাৰ কৰিছিল।

ৰাজনৈতিক অৰ্থনীতিৰ বিষয়ে গৱেষণা কৰাসকলক ৰাজনৈতিক অৰ্থনীতিবিদ বুলি কোৱা হয়। তেওঁলোকৰ অধ্যয়নত ৰাজহুৱা নীতি তথা ৰাজনৈতিক পৰিস্থিতিয়ে দেশ এখনৰ অৰ্থনৈতিক অৱস্থা আৰু ভৱিষ্যতত কেনে প্ৰভাৱ পেলায়, সেই বিষয়ে সমাজ বিজ্ঞান, ৰাজনীতি বিজ্ঞান আৰু অৰ্থনীতিৰ দৃষ্টিকোণেৰে কৰা পৰীক্ষা জড়িত হৈ থাকে। ৰাজনৈতিক অৰ্থনীতি হৈছে উৎপাদন, বাণিজ্য আইন আৰু চৰকাৰৰ সৈতে ইয়াৰ সম্পৰ্ক অধ্যয়ন কৰা এক সমাজ বিজ্ঞান। ই হৈছে ৰাজহুৱা নীতিৰ সৃষ্টি আৰু কাৰ্য্যকৰীকৰণৰ লগতে সমাজবাদ আৰু সাম্যবাদৰ দৰে বিভিন্ন আৰ্থ-সামাজিক ব্যৱস্থাত অৰ্থনৈতিক তত্ত্বই কেনে প্ৰভাৱ পেলায় তাৰ অধ্যয়ন।

ৰাজনৈতিক অৰ্থনীতিয়ে বিভিন্ন মতাদৰ্শক সামৰি লয়। যেনে, সমাজবাদ, পুঁজিবাদ, সাম্যবাদ ইত্যাদি। সেই সূত্ৰে, ৰাজনৈতিক অৰ্থনীতিৰ প্ৰকাৰ বুলিলেও সমাজবাদ, পুঁজিবাদ আৰু সাম্যবাদ—এই তিনি প্ৰকাৰৰ কথাই বুজা যায়। সাম্যবাদ আৰু সমাজবাদত সম্পদ ক্ৰমে চৰকাৰ আৰু সমাজৰ মালিকানাধীন। আনহাতে পুঁজিবাদত সম্পদ ব্যক্তিগত মালিকানাধীন।

ৰাজনৈতিক অৰ্থনীতি প্ৰথম অৱস্থাত আছিল স্থানীয়। কিন্তু ক্ৰমান্বয়ে ই ৰাষ্ট্ৰীয় সীমাৰ বাহিৰলৈ আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক অৰ্থনীতিলৈ বিকশিত হৈছে। ৰাজনৈতিক অৰ্থনীতিয়ে যোগান আৰু চাহিদা, বাণিজ্য, সামগ্ৰী কেনেকৈ নিৰ্মাণ কৰা হয়, সম্পদৰ বিতৰণ তথা অৰ্থনৈতিক শক্তিসমূহে আইন আৰু ৰাষ্ট্ৰীয়, বিশ্বব্যাপী ৰাজনৈতিক পৰিবেশৰ সৈতে কেনেদৰে সম্পৰ্কিত সেই বিষয়েও অধ্যয়ন কৰে।

চৰকাৰ, সমাজ আৰু নাগৰিকৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰাত ৰাজনৈতিক অৰ্থনীতি গুৰুত্বপূৰ্ণ। ইয়াৰ উপৰি ই বিভিন্ন বিষয়ৰ ওপৰত ৰাজহুৱা নীতিৰ প্ৰভাৱ নিৰ্ধাৰণ কৰে।

অৰ্থনীতি আৰু ৰাজনৈতিক অৰ্থনীতি দুয়োটা ধাৰণাৰ মাজত সাদৃশ্যও আছে আৰু পাৰ্থক্যও আছে। দয়োটা ধাৰণাৰ সাদৃশ্য হৈছে—অৰ্থনীতি আৰু ৰাজনৈতিক অৰ্থনীতি দুয়োটাই বজাৰৰ অধ্যয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰে। অৰ্থনীতি আৰু ৰাজনৈতিক অৰ্থনীতিৰ ক্ষেত্ৰত থকা পাৰ্থক্য হ'ল—ৰাজনৈতিক অৰ্থনীতিয়ে সামাজিক আৰু ৰাজনৈতিক কাৰকসমূহৰ প্ৰতি লক্ষ্য ৰাখে কিন্তু অৰ্থনীতিয়ে সামাজিক আৰু ৰাজনৈতিক কাৰকসমূহৰ প্ৰতি লক্ষ্য নাৰাখে। ❖

নিবন্ধ

# ভাৰতৰ ৰাজ্য গঠন প্ৰক্ৰিয়া

■ প্ৰণীতা দেৱী

ভাৰতে স্বাধীনতা লাভ কৰাৰ সময়তেই ৰাজ্য গঠনৰ প্ৰক্ৰিয়াও আৰম্ভ হৈছিল। স্বাধীনতা লাভ কৰাৰ পূৰ্বে ভাৰতবৰ্ষক প্ৰধানকৈ দুটা ভাগত ভাগ কৰা হৈছিল—বৃটিছশাসিত প্ৰদেশ আৰু দেশীয় ৰাজ্য। বৃটিছশাসিত প্ৰদেশসমূহ বৃটিছ চৰকাৰৰ পোনপটীয়া নিয়ন্ত্ৰণত থকাৰ বিপৰীতে দেশীয় ৰাজ্যসমূহে আভ্যন্তৰীণ ক্ষেত্ৰত কিছু স্বতন্ত্ৰতা ভোগ কৰিছিল। অৱশ্যে দেশীয় ৰাজ্যসমূহেও বৃটিছৰ সৰ্বোচ্চতা মানি চলিব লাগিছিল।

ভাৰতৰ সংবিধানে 'প্ৰদেশ' শব্দটোৰ ঠাইত 'ৰাজ্য' শব্দটো ব্যৱহাৰ কৰিছিল। ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৫৬ চনৰ ১ নৱেম্বৰলৈ ভাৰতত প্ৰধানকৈ চাৰি প্ৰকাৰৰ ৰাজ্যৰ অৱস্থিতি আছিল। ইয়াৰে প্ৰথম গোটৰ অন্তৰ্ভুক্ত ৰাজ্যসমূহৰ ভিতৰত আছিল—অসম, বিহাৰ, বোম্বাই, মধ্যপ্ৰদেশ, মাদ্ৰাজ, উৰিষ্যা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ আৰু পঞ্জাব। এই ৰাজ্যসমূহ ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত ৰাজ্যপাল আৰু নিৰ্বাচিত ৰাজ্যিক বিধানমণ্ডলে যুটীয়াভাৱে শাসন কৰিছিল। দ্বিতীয় গোটৰ অন্তৰ্ভুক্ত ৰাজ্যসমূহ আছিল—হায়দৰাবাদ, জম্মু আৰু কাশ্মীৰ, মধ্য ভাৰত, মহীশূৰ, পাটিয়ালা আৰু পূব পঞ্জাবৰ ৰাজ্য সংঘ, ৰাজস্থান, সৌৰাষ্ট্ৰ আৰু ট্ৰেভেংকৰ ক'চিন। এই ৰাজ্যসমূহ পূৰ্বতে দেশীয় ৰাজ্য বা দেশীয় ৰাজ্যৰ সমষ্টি আছিল আৰু ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত এজন ৰাজপ্ৰমুখৰ লগতে নিৰ্বাচিত বিধানমণ্ডলে শাসন কৰিছিল। তৃতীয় গোটৰ ৰাজ্যসমূহ আছিল—আজমীৰ, ভূপাল, বিলাশপুৰ, কুৰ্গ, দিল্লী, হিমাচল প্ৰদেশ, কচ্ছ, বিন্ধ্য প্ৰদেশ, মণিপুৰ আৰু ত্ৰিপুৰা। এই ৰাজ্যসমূহ ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্তিপ্ৰাপ্ত চীফ কমিছনাৰৰ অধীনত আছিল। আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জক চতুৰ্থ গোটৰ ৰাজ্য হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল আৰু প্ৰশাসনৰ দায়িত্ব ৰাষ্ট্ৰপতিৰ দ্বাৰা নিযুক্ত এজন উপ-ৰাজ্যপালৰ হাতত অৰ্পণ কৰা হৈছিল।

স্বাধীনতাৰ সমান্তৰালকৈ দেশীয় ৰাজ্যৰ চামিলকৰণ প্ৰক্ৰিয়া অব্যাহত থকাৰ সময়তে দেশৰ বিভিন্ন প্ৰান্তত ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ দাবী গা-কৰি উঠিছিল। স্বাধীনতাৰ পূৰ্বে বৃটিছে প্ৰশাসনিক সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰদেশ গঠন কৰিছিল। ৰাজ্য পুনৰ গঠনৰ দাবীটো চালি-জাৰি চোৱাৰ বাবে চৰকাৰে বিভিন্ন আয়োগ গঠন কৰিছিল। ১৯৪৮ চনৰ জুনত গঠন কৰা ধৰ আয়োগে (Dhar Commission) ১৯৪৯ চনৰ এপ্ৰিলত প্ৰতিবেদন দাখিল কৰিছিল। এই আয়োগে একমাত্ৰ ভাষাকে ৰাজ্য গঠনৰ কৃষ্টি হিচাপে লোৱাৰ পৰিৱৰ্তে ভৌগোলিকভাৱে সংযোজিত, অৰ্থনৈতিকভাৱে আত্মনিৰ্ভৰশীল, প্ৰশাসনিক সুবিধা থকা আৰু বিকাশৰ সামৰ্থ্যৰ দিশটোক ভিত্তি হিচাপে লোৱাৰ পোষকতা কৰিছিল। ইয়াৰ পাছতেই ১৯৪৮ চনৰ ডিচেম্বৰত জৱাহৰলাল নেহৰু, বল্লভভাই পেটেল আৰু পট্টভি চিতাৰামায়াক লৈ গঠিত জেভিপি সমিতিয়ে ভাষাৰ ভিত্তিত ৰাজ্য গঠনৰ দাবীৰ বিৰোধিতা কৰিছিল। ইপিনে ১৯৫২ চনৰ ডিচেম্বৰত আন্দোলনৰ অন্তত ভাষাৰ ভিত্তিতে অন্ধ্ৰপ্ৰদেশ ৰাজ্যখন গঠন কৰা হৈছিল।

স্বাধীনতাৰ সময়ত দেশত ৰাজনৈতিক আৰু ঐতিহাসিক দিশৰ পৰা ২৭ খন ৰাজ্য গঠন কৰা হৈছিল যদিও ই আছিল সম্পূৰ্ণৰূপে অস্থায়ী। ৰাজ্য গঠনৰ দিশটো চালি-জাৰি চোৱাৰ বাবে ১৯৫৩ চনৰ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰে ৰাজ্য পুনৰ গঠন আয়োগ গঠন কৰে। এই আয়োগক ফজল আলি আয়োগ নামেৰেও জনা যায়। তিনিজনীয়া সদস্যেৰে গঠিত এই আয়োগৰ নেতৃত্ব দিছিল ফজল আলিয়ে। আন দুগৰাকী সদস্য আছিল কে এম পানীকাৰ আৰু এইচ এন কুঞ্জৰু। ১৯৫৫ চনৰ ছেপ্টেম্বৰত এই আয়োগে প্ৰতিবেদন দাখিল কৰিছিল। এই আয়োগে ভাষাক ৰাজ্য গঠনৰ ভিত্তি হিচাপে মানি লৈছিল যদিও 'এটা ভাষা এখন ৰাজ্য' নীতিক গ্ৰহণ কৰা

নাছিল। কেন্দ্ৰীয় চৰকাৰে এই আয়োগৰ পৰামৰ্শাৱলী কিছু পৰিবৰ্তনসহ গ্ৰহণ কৰি ১৯৫৬ চনত 'ৰাজ্য পুনৰ গঠন আইন' প্ৰণয়ন কৰে। এই আইনৰ ভিত্তিত মুঠ ১৪ খন ৰাজ্য আৰু ৬টা কেন্দ্ৰীয়শাসিত অঞ্চলৰ সৃষ্টি কৰা হয়। এই আইনৰ ভিত্তিত গঠিত ৰাজ্যকেইখন হ'ল— জম্মু-কাশ্মীৰ, পঞ্জাব, উত্তৰ প্ৰদেশ, বিহাৰ, বংগ, অসম, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, মাদ্ৰাজ, কেৰালা, মহীশূৰ, বোম্বাই, মধ্যপ্ৰদেশ আৰু ৰাজস্থান। কেন্দ্ৰীয়শাসিত অঞ্চলসমূহ হ'ল—দিল্লী, মণিপুৰ, ত্ৰিপুৰা, আন্দামান আৰু নিকোবাৰ দ্বীপপুঞ্জ, লাক্ষাদ্বীপ, মিনিকায় আৰু আমিনদিবি দ্বীপ আৰু হিমাচল প্ৰদেশ। উল্লেখযোগ্য যে ভাৰতৰ সংবিধান অনুসৰি সাধাৰণ আইন প্ৰণয়ন প্ৰক্ৰিয়াৰ দ্বাৰা নতুন ৰাজ্যৰ সৃষ্টি, নাম সলনি অথবা সীমাৰ পৰিবৰ্তন ঘটাব পাৰি।

১৯৬০ চনত 'বোম্বাই পুনৰ গঠন আইন'ৰ ভিত্তিত বোম্বাইক দ্বিখণ্ডিত কৰি গুজৰাট আৰু মহাৰাষ্ট্ৰ গঠন কৰা হয়। ১৯৬১ চনৰ দশম সংবিধান সংশোধনী আইন অনুসৰি দাদৰা আৰু নগৰ হাভেলিক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়। ১৯৬২ চনত দ্বাদশ সংবিধান সংশোধনী আইন অনুসৰি 'গোৱা, দমন আৰু ডিউ পুনৰ গঠন আইন'ৰ ভিত্তিত গোৱাক ৰাজ্যৰ মৰ্য্যাদা দিয়া হয়। ১৯৬২ চনতেই চতুৰ্দশ সংবিধান সংশোধনী আইন অনুসৰি পুডুচেৰীক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়।

১৯৬৩ চনত অসমৰ নগা পাহাৰ আৰু টুৱেনচাং লগ লগাই পৃথক নাগালেণ্ড ৰাজ্য গঠন কৰা হয়। ১৯৬৬ চনত 'পঞ্জাব পুনৰ গঠন আইন' অনুসৰি পঞ্জাবক দ্বিখণ্ডিত কৰি হাৰিয়ানা ৰাজ্য গঠন কৰা হয় আৰু চণ্ডীগড়ক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি দিয়া হয়। ১৯৭১ চনত হিমাচল প্ৰদেশে ৰাজ্যৰ মৰ্য্যাদা লাভ কৰে। ১৯৭২ চনত কেন্দ্ৰীয়শাসিত অঞ্চল মণিপুৰ আৰু ত্ৰিপুৰা আৰু অৰ্ধৰাজ্য মেঘালয়ে পূৰ্ণাংগ ৰাজ্যৰ মৰ্য্যাদা লাভ কৰিছিল। একেটা বছৰতে মিজোৰাম আৰু অৰুণাচল প্ৰদেশে কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে স্বীকৃতি লাভ কৰিছিল। ১৯৭৫ চনৰ ৩৬ সংখ্যক সংবিধান সংশোধনী আইন অনুসৰি ছিকিমক ৰাজ্যৰ মৰ্য্যাদা দিয়া হয়। ১৯৮৭ চনত মিজোৰাম, অৰুণাচল প্ৰদেশ আৰু গোৱাই ৰাজ্যৰ মৰ্য্যাদা লাভ কৰে।

২০০০ চনত ছত্তীশগড়, ঝাৰখণ্ড আৰু উত্তৰাখণ্ড ৰাজ্য গঠন কৰা হয়। ২০১৪ চনত অন্ধ্ৰপ্ৰদেশ পুনৰ গঠন আইন ভিত্তিত অন্ধ্ৰপ্ৰদেশক দ্বিখণ্ডিত কৰি তেলেংগানা ৰাজ্য গঠন কৰা হয়।

২০১৯ চনত 'জম্মু আৰু কাশ্মীৰ পুনৰ গঠন আইন'ৰ ভিত্তিত জম্মু-কাশ্মীৰক দ্বিখণ্ডিত কৰি লাডাখ আৰু জম্মু-কাশ্মীৰ নামেৰে দুটা কেন্দ্ৰীয়শাসিত অঞ্চল গঠন কৰা হয়। আনহাতে জম্মু-কাশ্মীৰক বিশেষ মৰ্য্যাদা প্ৰদান কৰা সংবিধানৰ ৩৭০ নং অনুচ্ছেদৰ বাতিলকৰণক প্ৰত্যাহ্বান জনাই উচ্চতম ন্যায়ালয়ত বিভিন্ন পক্ষই আবেদন দাখিল কৰিছিল। এই আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ পাঁচজনীয়া সাংবিধানিক বিচাৰপীঠে ২০২৩ চনৰ ১১ ডিচেম্বৰত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্তক বৈধ বুলি ঘোষণা কৰাৰ লগতে জম্মু-কাশ্মীৰ ৰাজ্যৰ মৰ্য্যাদা শীঘ্ৰেই পুনৰ প্ৰতিষ্ঠা কৰিবলৈ তথা ২০২৪ চনৰ ৩০ ছেপ্টেম্বৰৰ ভিতৰত বিধানসভা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিছে। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়ৰ নেতৃত্বৰ এই সাংবিধানিক বিচাৰপীঠখনে জম্মু-কাশ্মীৰৰ পৰা লাডাখৰ বিভাজন ঘটোৱাৰ সিদ্ধান্তক বাহাল ৰাখে।

বৰ্তমান ভাৰতবৰ্ষত ২৮ খন ৰাজ্য আৰু ৮টা কেন্দ্ৰীয়শাসিত অঞ্চল আছে। আনহাতে দিল্লীক ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল (National Capital Region, NCR) হিচাপে স্বীকৃতি দিয়া হৈছে।

**উল্লেখ্য :**

গোৱা, পুডুচেৰী, দাদৰা আৰু নগৰ হাভেলি আৰু ছিকিম স্বাধীনতাৰ সময়ত ভাৰতৰ অংশ নাছিল। পুডুচেৰী ১৯৫৪ চনত ফৰাচী ঔপনিৱেশিক শাসকৰ পৰা মুক্ত হয়। দাদৰা আৰু নগৰ হাভেলি ১৯৫৪ চনত আৰু ১৯৬১ চনত গোৱা, পৰ্তুগীজ শাসনৰ পৰা মুক্ত হয়। আনহাতে পূৰ্বতে সাৰ্বভৌম ৰাজনৈতিক অস্তিত্বসম্পন্ন ছিকিম ১৯৫০ চনত ভাৰতৰ দ্বাৰা সংৰক্ষিত ৰাজ্য হিচাপে থকাৰ পাছত ১৯৭৫ চনত পূৰ্ণাংগ ৰাজ্যৰ মৰ্য্যাদা লাভ কৰে। ❖

# শিক্ষাৰ্থীয়ে অঁকা ছবি



নয়নিকা মজুমদাৰ, নৱম খ



জ্যোতিৰ্ময় দাস, নৱম খ



তৃষ্ণামণি বৰুৱা, নৱম ক



জিয়ান ফুকন ঠাকুৰীয়া, চতুৰ্থ ঘ



মল্লিকা ডেকা, চতুৰ্থ খ



আৰ্জিয়াছ হায়ান , পঞ্চম ক



জেনিফাৰ চবনম , চতুৰ্থ খ

## কেইবিধমান তাঁৰ থকা ভাৰতীয় বাদ্যযন্ত্ৰ


বীণা


সাৰেংগী


চেতাৰ


সন্তুৰ


দোতোৰা


সৰোদ